UG HT S4-01
(DSC)

চাৰি বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন ই পি ২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

জাপান আৰু চীনৰ ইতিহাস

ইতিহাস



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

ড° পাৰমিতা দাস, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ৰাজীৱ সন্দিকৈ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বর্ণালী শর্মা, সহযোগী অধ্যাপক, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ৫, ৮, ৯	ড° মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়	গিতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিঃ ড° মিতালী কলিতা
২, ৩, ১২, ১৩, ১৪	ড° মিতালী কলিতা, গৱেষিকা, গুৱাহাটী বিশ্ববিদ্যালয়	
৪,৬, ১০, ১১	ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° দ্বীপমণি কলিতা
৭	ড° চুকমায়া লামা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	

সম্পাদনাঃ

ভাষা সম্পাদনা ঃ ড° নিভাৰাণী ফুকন,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ- মে', ২০১৮, দ্বিতীয় প্রকাশ- জানুৱাৰী, ২০২৫

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২
Web : www.kkhsou.in

বিষয় সূচী

জাপান আৰু চীনৰ ইতিহাস

পৃষ্ঠা নং

অধ্যায় ১ ঃ **জাপনৰ দ্বাৰ মুকলি** ৭-১৭
বিচ্ছিন্নতাৰ সমাপ্তি, ক'ম'ড'ৰ পেৰী আৰু কানাগাৱাৰ চুক্তি, হেৰিৰ চুক্তি, সামন্তবাদৰ অন্ত

অধ্যায় ২ ঃ **চ'গ'নেটৰ উত্থান আৰু পতন** ১৮-২৬
চ'গ'নেটৰ আৰম্ভণি, পশ্চিমীয়া দেশৰ লগত সম্পর্ক

অধ্যায় ৩ ঃ **মেইজী পুনঃসংস্থাপন** ২৭-৩৮
আধুনিকতাৰ পথত জাপান, মেইজী সংবিধান

অধ্যায় ৪ ঃ **সাম্ৰাজ্যবাদী শক্তিৰূপে জাপান** ৩৯-৪৮
চীন-জাপানৰ সম্পর্ক, এংলো-জাপান মিত্রতা, ৰাছিয়া-জাপান যুদ্ধ মানচুৰিয়াৰ সংকট

অধ্যায় ৫ ঃ **গণতন্ত্র আৰু সেনা শাসন** ৪৯-৬০
ৰাজনৈতিক দলৰ উত্থান, গণতান্ত্রিক ব্যৱস্থাৰ ব্যর্থতা, সেনা শাসনৰ উত্থান, দ্বিতীয় চীন -জাপানৰ যুদ্ধ

অধ্যায় ৬ ঃ **ৰাছিংটন সম্মিলন (১৯২১-১৯২২)** ৬১-৬৬
সম্মিলনৰ পটভূমি, সম্মিলনৰ উদ্দেশ্য, সম্মিলনৰ গুৰুত্ব

অধ্যায় ৭ ঃ **দুখন বিশ্বযুদ্ধত জাপান** ৬৭-৭৮
বিশ্বযুদ্ধৰ পূর্বৰ জাপান, জাপান আৰু প্রথম বিশ্বযুদ্ধ, জাপান আৰু দ্বিতীয় বিশ্বযুদ্ধ

অধ্যায় ৮ ঃ	**ইউৰোপৰ সৈতে প্ৰাচীন চীন দেশীয় সম্পৰ্ক** বিদেশীৰ প্ৰতি চীনাসকলৰ মনোভাব, ইউৰোপীয়সকলৰ আগমন, কেণ্টন বাণিজ্য	৭৯-৮৮
অধ্যায় ৯ ঃ	**চীনৰ দ্বাৰ মুকলি** আফিং যুদ্ধ আৰু সাম্ৰজ্যবাদী শক্তিৰ সৈতে হোৱা সন্ধি পশ্চিমীয়া দেশবোৰৰ বৰ্দ্ধিত অৰ্থনৈতিক আগ্ৰহ, মুক্ত দ্বাৰ নীতি	৮৯-১১৪
অধ্যায় ১০ ঃ	**সংস্কাৰ আন্দোলনসমূহ-১** টাই-পিং আন্দোলন, স্ব-শক্তিশালীকৰণৰ আন্দোলন, ১৯০১-০৮ ৰ সংস্কাৰ অথবা চীনৰ দ্বিতীয় সংস্কাৰ	১১৫-১৩০
অধ্যায় ১১ ঃ	**সংস্কাৰ আন্দোলনসমূহ-২** বক্সাৰ বিদ্রোহঃ বিদ্রোহৰ উদ্দেশ্য, মাঞ্চু প্ৰশাসনৰ ভূমিকা, বক্সাৰ প্ৰ'ট'কল, বিদ্রোহৰ ফলাফল	১৩১-১৪০
অধ্যায় ১২ ঃ	**চীনত জাতীয়তাবাদৰ উত্থান** ১৯১১ চনৰ চীনৰ বিপ্লৱ, ডাঁ চান-য়েৎ-চেন, মে' - ফ'ৰ্থ আন্দোলন	১৪১-১৬০
অধ্যায় ১৩ ঃ	**চীনত ৰাজনৈতিক আন্দোলন** ১৯২০ চনৰ পৰা হোৱা ৰাজনৈতিক অস্থিৰতা, কুওমিনটাং আৰু চিয়াং-কাই-চেফ	১৬১-১৭০
অধ্যায় ১৪ ঃ	**চীনত সাম্যবাদ** মাও-ছে-তুঙৰ উত্থান, চীনৰ সাম্যবাদী দলৰ বিকাশ, গৃহযুদ্ধ, লং মাৰ্চ, চীন সাম্যবাদৰ জয়যাত্ৰা	১৭১-১৮০

পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ অধীনত ষান্মাসিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্ৰমৰ অন্তৰ্গত ইতিহাস বিভাগৰ ষষ্ঠটো পাঠ্যবিষয় হৈছে ***জাপান আৰু চীনৰ ইতিহাস***। এই পাঠ্যবিষয়টোও জাপান আৰু চীনৰ ইতিহাসৰ বিষয়ে আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়টি ***জাপনৰ দ্বাৰ মুকলি***। এই অধ্যায়টিত বিচ্ছিন্নতাৰ সমাপ্তি, ক'ম'ড'ৰ পেৰী আৰু কানাগাৱাৰ চুক্তি, হেৰিৰ চুক্তি, সামন্তবাদৰ অন্ত আদিৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টি হ'ল ***চ'গ'নেটৰ উত্থান আৰু পতন***। এই অধ্যায়টিত চ'গ'নেটৰ আৰম্ভণি, পশ্চিমীয়া দেশৰ লগত সম্পৰ্কৰ বিভিন্ন দিশ সমূহ আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টি হৈছে ***মেইজী পুনঃসংস্থাপন***। এই অধ্যায়টিত আধুনিকতাৰ পথত জাপান **আৰু** মেইজী সংবিধানৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়টি হৈছে ***সাম্ৰাজ্যবাদী শক্তি ৰূপে জাপান***। এই অধ্যায়টিত চীন-জাপানৰ সম্পৰ্ক, এংলো-জাপান মিত্ৰতা, ৰাছিয়া-জাপান যুদ্ধ **আৰু** মানচুৰিয়াৰ সংকটৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টো হৈছে ***গণতন্ত্ৰ আৰু সেনা শাসন*** । এই অধ্যায়টিত ৰাজনৈতিক দলৰ উত্থান, গণতান্ত্ৰিক ব্যৱস্থাৰ ব্যৰ্থতা, সেনা শাসনৰ উত্থান, দ্বিতীয় চীন -জাপানৰ যুদ্ধৰ বিষয়ে আলোচনা কৰা হৈছে ।

ষষ্ঠ অধ্যায়টো হৈছে ***ৰাছিংটন সম্মিলন (১৯২১-১৯২২)***। এই অধ্যায়টিত সম্মিলনৰ পটভূমি, সম্মিলনৰ উদ্দেশ্য, সম্মিলনৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হৈছে ।

সপ্তম অধ্যায়টো হৈছে ***দুখন বিশ্বযুদ্ধত জাপান***। এই অধ্যায়টিত বিশ্বযুদ্ধৰ পূৰ্বৰ জাপান, জাপান আৰু প্ৰথম বিশ্বযুদ্ধ, জাপান আৰু দ্বিতীয় বিশ্বযুদ্ধৰ বিষয়ে আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়টি ***ইউৰোপৰ সৈতে প্ৰচীন চীন দেশীয় সম্পৰ্ক***। এই অধ্যায়টি বিদেশীৰ প্ৰতি চীনাসকলৰ মনোভাব, ইউৰোপীয়সকলৰ আগমন, কেণ্টন বাণিজ্যি আদিৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায়টি হ'ল ***চীনৰ দ্বাৰ মুকলি***। এই অধ্যায়টিত আপিং যুদ্ধ আৰু সাম্ৰজ্যবাদী শক্তিৰ সৈতে হোৱা সন্ধি পশ্চিমীয়া দেশবোৰৰ বৰ্দ্ধিত অৰ্থনৈতিক আগ্ৰহ, মুক্ত দ্বাৰ নীতিৰ বিষয়ে আলোচনা কৰা হৈছে।

দশম অধ্যায়টি হৈছে ***সংস্কাৰ আন্দোলনসমূহ- ১*** এই অধ্যায়টিত টাই-পিং আন্দোলন, স্ব-শক্তিশালীকৰণৰ আন্দোলন, ১৯০১-০৮ ৰ সংস্কাৰ অথবা চীনৰ দ্বিতীয় সংস্কাৰবিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।

একাদশ অধ্যায়টি হৈছে **সংস্কাৰ আন্দোলনসমূহ-২**। এই অধ্যায়টিত বক্সাৰ বিদ্ৰোহঃ বিদ্ৰোহৰ উদ্দেশ্য, মাঞ্চু প্ৰশাসনৰ ভূমিকা, বক্সাৰ প্ৰ'ট'কল, বিদ্ৰোহৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বাদশ অধ্যায়টো হৈছে ***চীনত জাতীয়তাবাদৰ উত্থাপন***। এই অধ্যায়টিত ১৯১১ চনৰ চীনৰ বিপ্লৱ, ডাঁ চান-য়েৎ চেন, মে'-ফ'ৰ্থ আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

ত্রয়োদশ অধ্যায়টো হৈছে ***চীনত ৰাজনৈতিক আন্দোলন***। এই অধ্যায়টিত ১৯২০ চনৰ পৰা হোৱা ৰাজনৈতিক অস্থিৰতা, কুওমিনটাং আৰু চিয়াং-কাই -চেকৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুর্দশ অধ্যায়টো হৈছে ***চীনত সাম্যবাদ।*** এই অধ্যায়টিত মাও-ছে-তুঙৰ উত্থান, চীনৰ সাম্যবাদী দলৰ বিকাশ, গৃহযুদ্ধ, লং মার্চ, চীন সাম্যবাদৰ জয়যাত্রাৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্রত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চর্চা কৰক' শীর্ষক বাকচত নির্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষার্থীয়ে সেই সম্পর্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতিৰ সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্রগতিৰ ক্ষতিয়ান' শীর্ষক শাখাটোত 'অগ্রগতি নিৰীক্ষণ'ৰ প্রশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষার্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটামান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ 'প্রসংগ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। শিক্ষার্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ জাপানৰ দ্বাৰ মুকলি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ বিচ্ছিন্নতাৰ সমাপ্তি
১.৪ কম'ড'ৰ পেৰী আৰু কানাগাৱাৰ চুক্তি
১.৫ হেৰিৰ চুক্তি
১.৬ সামন্তবাদৰ অন্ত
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান
১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জাপানত বিচ্ছিন্নতাবাদৰ সমাপ্তি সন্দর্ভত জানিব পাৰিব,
- কম'ড'ৰ পেৰীৰ অভিযান আৰু কানাগাৱাৰ চুক্তিৰ বিষয়ে জানিব পাৰিব,
- হেৰীৰ চুক্তি ব্যাখ্যা কৰিব পাৰিব,
- জাপানত সামন্ত্রবাদৰ অন্ত সন্দর্ভত ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

বর্তমান বিশ্বৰ অন্যতম সমৃদ্ধিশালী ৰাষ্ট্র জাপান এটা সময়ত এছিয়াৰ আন দহখন দেশৰ দৰেই আগ্রাসী ইউৰোপীয় সাম্রাজ্যবাদৰ ভুক্তভোগী আছিল। কিন্তু এছিয়াৰ আন আন দেশসমূহৰ পৰা কিছু ব্যতিক্রমী ৰূপত জাপানে দ্রুত স্ব উদ্যোগীকৰণৰ লগতে পশ্চিমীয়া সভ্যতা তথা বিজ্ঞান আয়ত্ব কৰি ইউৰোপীয় সাম্রাজ্যবাদক সফলতাৰে ভেটা দিবলৈ সক্ষম হ'ল। জাপান হৈছে ইউৰোপৰ অন্যতম শক্তি ৰাছিয়াক পৰাভূত কৰা এছিয়াৰ প্রথমখন ৰাষ্ট্র। ইয়াৰ দ্বাৰা অজেয় পশ্চিমৰ ধাৰণাক মযিমূৰ কৰিছিল জাপানে।

অথচ ১৯ শতিকাৰ মধ্যভাগলৈকে জাপান আছিল বিশ্বৰ অন্য প্রান্তৰ সৈতে বিচ্ছিন্ন হৈ থাকিব বিচৰা এখন সামন্তবাদী ৰাষ্ট্র। কিন্তু পশ্চিমীয়া শক্তিসমূহে জাপানৰ দ্বাৰ মুকলি কৰি ইয়াৰ সৈতে বাণিজ্যিক সম্পর্ক স্থাপনৰ অহৰহ প্রয়াস চলাই আছিল। এই অধ্যায়ত আমি আলোচনা কৰিম কি দৰে জাপানে দীর্ঘসময় ধৰি বর্তাই ৰখা বিচ্ছিন্নতাক পশ্চিমীয়া শক্তিসমূহে আতৰাই বিশ্বৰ বাবে ইয়াৰ দ্বাৰা মুকলি কৰিছিল আৰু দেশখনত সামন্তবাদৰ অন্ত পৰিছিল।

১.৩ বিচ্ছিন্নতাৰ সমাপ্তি

১৭ শতিকাৰ পৰাই ইউৰোপীয় দেশসমূহে পূৱত বাণিজ্যৰ প্ৰসাৰ ঘটাই সাম্ৰাজ্য প্ৰতিষ্ঠাত ব্যস্ত হৈ পৰিছিল। এইক্ষেত্ৰত হেঙাৰ হৈ দেখা দিছিল জাপানৰ বিচ্ছিন্নতাবাদৰ নীতিয়ে। জাপানৰ কেৱল নাগাচাকি বন্দৰৰ জড়িয়তে বিদেশৰ পৰা আমদানিৰ অনুমতি আছিল আৰু তাকো কেৱল ডাচ্চসকলৰ ক্ষেত্ৰতহে এই নীতি প্ৰযোজ্য আছিল।

জাপানৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপনৰ বাবে পশ্চিমীয়া শক্তিসমূহে এনেধৰনৰ প্ৰয়াস অব্যাহত ৰাখিছিল। এইক্ষেত্ৰত প্ৰথম আছিল ৰাছিয়া যাৰ সৈতে জাপানৰ যোগাযোগৰ সময় ১৬৯৭ চনৰ পৰা নিৰ্ধাৰণ কৰিব পাৰি। সেই সময়ৰ পৰা ৰাছিয়াই জাপানৰ সৈতে বাণিজ্যিক আৰু কূটনৈতিক সম্পৰ্ক স্থাপনৰ ধাৰাবাহিক প্ৰয়াস চলাই আছিল। ১৮ শতিকাৰ সমগ্ৰ সময়ছোৱাত ৰাছিয়াৰ বহু অভিযানে জাপানৰ বন্দৰ স্পৰ্শ কৰিও জাপানৰ বিচ্ছিন্নতা ভংগ কৰিবলৈ সক্ষম হোৱা নাছিল।



তিমি মাছৰ চিকাৰ ঃ সাগৰত তিমি মাছৰ চিকাৰ প্ৰক্ৰিয়া।

১৯ শতিকাৰ আৰম্ভনিতে, ১৮০৮ চনত এক ব্ৰিটিছ জাহাজ নাগাচাকি বন্দৰত উপস্থিত হয়। প্ৰকৃততে এই সময়ছোৱাত বিশেষভাৱে জনপ্ৰিয় হৈ পৰা তিমি মাছৰ চিকাৰৰ বাবে জাপানৰ জলভাগত পশ্চিমৰ বহু জাহাজৰ আগমন ঘটিছিল। ১৮৪০ চনত বাণিজ্যিক ৰেহাই বিচাৰি কম'ড'ৰ বিডলৰ নেতৃত্বত দুখন আমেৰিকান জাহাজ প্ৰেৰণ কৰা হৈছিল য়েডুৰ সাগৰীয় এলেকালৈ। কিন্তু বাণিজ্যৰ এই অনুৰোধ উপেক্ষা কৰা হৈছিল।



শ্বগান ঃ জাপানী সাম্ৰাজ্যৰ মুখ্য বিষয়া।

১৮৪৬ চনত এখন ফৰাচী জাহাজ উপস্থিত হয় ৰিউ কিউ দ্বীপপুঞ্জত। হলেণ্ডৰ সম্ৰাটে ১৮৪৭ চনত জাপানীসকলক তেওঁলোকৰ বিচ্ছিন্নতাবাদৰ নীতি ত্যাগ কৰিবলৈ পৰামৰ্শ দিছিল আৰু ইয়াৰ পিছত ১৮৪৯ চনত তেওঁলোকক সাৱধানবাণী শুনাইছিল যে আমেৰিকাৰ জাহাজ পুনৰ জাপানী উপকূলত উপস্থিত হ'ব। কিছু বছৰৰ পিছত ১৮৫৩ চনত কম'ড'ৰ মেথিউ গালব্ৰেইথ পেৰীৰ নেতৃত্বত চাৰিখন আমেৰিকাৰ জাহাজত সৈন্যবাহিনীৰ এটা দল য়েডুৰ সাগৰীয় এলেকাত উপস্থিত হয়। কম'ড'ৰ পেৰীৰ নেতৃত্বত আমেৰিকাৰ এই জল অভিযানে জাপানৰ সৈতে এক আনুষ্ঠানিক চুক্তি সম্পন্ন কৰি দেশখনৰ বিচ্ছিন্নতাৰ নীতি মযিমূৰ কৰাত সফল হৈছিল। পৰৱৰ্তী শিতানত আমি কম'ড'ৰ পেৰী আৰু 'শ্বগান'ৰ প্ৰতিনিধিৰ সৈতে তেওঁ সম্পন্ন কৰা কানাগাৱাৰ চুক্তিৰ বিষয়ে আলোচনা কৰিম।

১.৪ কম'ড'ৰ পেৰী আৰু কানাগাৱাৰ চুক্তি

কম'ড'ৰ মেথিউ গালব্ৰেইথ পেৰী চমুকৈ কম'ড'ৰ পেৰী আছিল আমেৰিকাৰ এজন বিশিষ্ট জলসেনাৰ বিষয়া। তেতিয়াৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি ফিলমৰে ১৮৫২ চনত তেওঁক নিৰ্বাচন কৰি জাপানৰ সৈতে বাণ্যিজিক সম্পৰ্কৰ পাতনি মেলিবলৈ এক অভিযানৰ দায়িত্ব অৰ্পণ কৰিছিল। এই অভিযান চলাবলৈ তেওঁক প্ৰদান কৰা হৈছিল চাৰিখনকৈ জাহাজ। ইয়াৰ লগতে কম'ড'ৰ পেৰীৰ হাতত আমেৰিকাই ন্যস্ত কৰিছিল বিশেষ ক্ষমতা।

পূৱ দিশত এই জল অভিযানৰ আঁৰত আমেৰিকাৰ কোনো এলেকা বিস্তাৰৰ হাবিয়াস নাছিল। আমেৰিকাই কেৱল জাপানৰ সৈতে ভাল বন্ধুত্বসুলভ সম্পৰ্ক স্থাপন কৰিব বিচাৰিছিল যাতে দেশখনৰ সৈতে শান্তিপূৰ্ণভাৱে বাণিজ্য চলাই নিব পাৰে। জাপানৰ উপকূলত প্ৰায়ে আমেৰিকাৰ দুৰ্ঘটনাগ্ৰস্ত নাৱিকে আশ্ৰয় লৈছিল কিন্তু জাপানী লোকসকলে এওঁলোকক অপৰাধী বিবেচনা কৰি বিভিন্ন ধৰণে অত্যাচাৰ কৰিছিল। সেইবাবে আমেৰিকাই ইয়াৰ নাৱিক আৰু সম্পত্তিৰ ৰক্ষণা-বেক্ষণৰ বাবে জাপানৰ সৈতে সম্পৰ্ক স্থাপন কৰিব বিচাৰিছিল।

সেইদৰে প্ৰশান্ত মহাসাগৰৰ মাজেৰে যোৱা চান ফ্ৰান্সিছকোৰ পৰা চীন পৰ্যন্ত বিয়পি পৰা আমেৰিকাৰ বাণিজ্যিক যোগাযোগ জাপান হৈ যাবলগীয়া হৈছিল। সেইবাবে আমেৰিকাৰ নাৱিকসকলে তেওঁলোকৰ ভাপ চালিত জাহাজত কয়লা ভৰোৱা ষ্টেশ্যনৰূপে জাপানী বন্দৰ ব্যৱহাৰ কৰিব বিচাৰিছিল। ইয়াৰ বাবে জাপানৰ কেতবোৰ বন্দৰত আমেৰিকাই নিজৰ জাহাজ প্ৰৱেশ কৰোৱাই কয়লা ডিপো প্ৰতিষ্ঠা কৰিবলৈ অনুমতি লাভ কৰিব বিচাৰিছিল

ইয়াৰ লগতে আমেৰিকাই জাপানৰ সৈতে এক বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিব বিচাৰিছিল। আমেৰিকাৰ বণিকসকলে জাপানৰ বণিকসকলৰ সৈতে ক্ৰয়-বিক্ৰয় অথবা বিনিময় প্ৰথাৰ মাধ্যমত ব্যৱসায় কৰিব বিচাৰিছিল। যিহেতুকে জাপানে বিচ্ছিন্নতাৰ নীতি বৰ্তাই ৰাখিছিল সেইবাবে এইক্ষেত্ৰত জাপানী চৰকাৰৰ পৰা এক আনুষ্ঠানিক অনুমতিৰ প্ৰয়োজন আছিল।

১৮৫৩ চনৰ তিনি জুলাইত কম'ড'ৰ পেৰীয়ে চাৰিখন জাহাজৰ সৈতে নিজৰ সৈন্যবাহিনীৰ টুকুৰা লৈ য়েডুৰ সাগৰীয় এলেকাত প্ৰৱেশ কৰে । তেওঁৰ প্ৰৱেশে চহৰবাসীৰ মাজত এক আতংকৰ পৰিৱেশ সৃষ্টি কৰে। জাপানী সাম্ৰাজ্যৰ সৈন্যও আনকি আমেৰিকাৰ সৈন্যৰ পৰাক্ৰমত পিছ হুঁহকি যাবলগীয়া হয়। তেওঁলোকে আমেৰিকাৰ সৈন্যৰ আগ্ৰাসন ৰোধ কৰাৰ লগতে নাগাচাকিলৈ সৈন্যদলটোক খেদি পঠিওৱাত ব্যৰ্থ হয়। সেইপৰ্যন্ত যিকোনো বিদেশী শক্তিয়ে নাগাচাকিৰ ডাচসকলৰ জড়িয়তেহে জাপান শ্বগান চৰকাৰৰ সৈতে ব্যৱসায় কৰিবলৈ সক্ষম হৈছিল।

কিন্তু কম'ড'ৰ পেৰীয়ে এনেদৰে ব্যৱসায় কৰাৰ ক্ষেত্ৰত অসন্মত হ'ল। ইয়াৰ পৰিৱৰ্তে তেওঁৰ সৈন্যবাহিনীৰ বিক্ৰম আৰু তেওঁৰ উজ্জ্বল ব্যক্তিত্বই য়েডুৰ শ্বগান চৰকাৰী বিষয়াসকলক আকৰ্ষণ কৰাৰ লগতে তেওঁলোকৰ পৰা সন্মান আদায় কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছতে কম'ড'ৰ পেৰীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ফিলম'ৰে জাপানী সম্ৰাটলৈ প্ৰদান কৰা পত্ৰ জাপানী বিষয়াসকলক অৰ্পণ কৰে। এই পত্ৰখনত উল্লেখ কৰা হৈছিল যে আমেৰিকাই বন্ধুত্ব, ব্যৱসায়, কয়লা আৰু ইয়াৰ জাহাজসমূহৰ বাবে অন্যান্য সুবিধাৰ লগতে ধ্বংসপ্ৰাপ্ত জাহাজৰ নাৱিকসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত আগ্ৰহী আছিল।

আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা পত্ৰৰ লগতে কম'ড'ৰ পেৰীয়ে নিজাববীয়াকৈও জাপানী সম্ৰাটলৈ লিখা এখন পত্ৰ জাপানী বিষয়াসকলৰ হাতত অৰ্পণ কৰে য'ত লিখা আছিল যে, 'সম্ৰাট, ৰাষ্ট্ৰপতিয়ে আপোনাৰ সৈতে বন্ধুত্ব কৰি শান্তিৰে থাকিব বিচাৰে, কিন্তু জাপানে

আমেৰিকানসকল নিজৰ শত্রু বুলি বিবেচনা কৰিবলৈ ত্যাগ নকৰালৈকে কোনো ধৰনৰ বন্ধুত্ব সম্ভৱ নহয়।' ইয়াৰ তাৎক্ষণিক প্রত্যুত্তৰ সম্ভৱ নাছিল সেইবাবে কম'ড'ৰ পেৰীয়ে জাপানৰ সম্রাটৰ উত্তৰ লাভ কৰিবলৈ পৰৱর্তী বছৰত উভটি অহাৰ প্রতিশ্রুতিৰে আমেৰিকালৈ উভটি যায়।

ৰাষ্ট্রপতি ফিলম'ৰৰ পত্রই জাপানত উখল-মাখলৰ সৃষ্টি কৰে। জাপান শ্বগান চৰকাৰে নিজৰ পৰাক্রম ক্রমাৎ হেৰুৱাবলৈ ধৰাৰ বাবে এইক্ষেত্রত নিজাববীয়া সিদ্ধান্ত গ্রহণ কৰাত ব্যর্থ হয়। সেইবাবে শ্বগানসকলে ডায়াম' অর্থাৎ জাপানৰ সর্বোচ্ছ শাসকসকলৰ লগতে সম্রাটৰ পৰামর্শ গ্রহণ কৰে। অধিকসংখ্যক ডায়াম' আৰু স্বয়ং সম্রাটে আমেৰিকাৰ চৰকাৰৰ সৈতে কোনো ধৰনৰ চুক্তি স্বাক্ষৰ কৰাত আগ্রহী নাছিল। ইয়াৰ পৰিৱর্তে তেওঁলোকে যিকোনো বিদেশী শক্তিক প্রয়োজন হ'লে সামৰিক শক্তি প্রয়োগ কৰি হ'লেও প্রতিৰোধ কৰিবলৈ আগ্রহ প্রকাশ কৰে। কিন্তু কিছুসংখ্যক ডায়াম' দূৰদর্শী হোৱাৰ বাবে মত পোষণ কৰিছিল যে আমেৰিকাৰ সৈতে মুকলি সামৰিক যুদ্ধত জাপানৰ পৰাজয় নিশ্চিত আৰু ইয়ে শ্বগান আৰু জাপানী চৰকাৰৰ অপমানৰ কাৰণ হ'ব। অৱশেষত এই নির্দিষ্টসংখ্যক শাসকৰ মত কার্যকৰী হয় আৰু আমেৰিকাৰ সৈতে বন্ধুত্বসুলভ সম্পর্ক স্থাপনৰ সিদ্ধান্ত গ্রহণ কৰা হয়।


ডায়াম'ঃ সর্বোচ্ছ শাসক

এনেসময়তে কম'ড'ৰ পেৰীৰ উভটনি যাত্রাৰ পিছত ৰাছিয়াই জাপানৰ সৈতে বাণিজ্যিক সুবিধা দাবী কৰে। ৰাছিয়াৰ এই দাবীৰ বাবে কম'ড'ৰ পেৰীয়ে সময়তকৈ আগতেই জাপানত উপস্থিত হয়। ১৮৫৪ চনৰ ফেব্রুৱাৰী মাহত আমেৰিকাৰ পত্রৰ উত্তৰ বিচাৰি সাতখন জাহাজৰ সৈতে তেওঁ পুনৰ য়েডুৰ সাগৰীয় এলেকাত প্রৱেশ কৰে । পশ্চিমৰ যান্ত্রিক অগ্রগতিক প্রদর্শন কৰিবলৈ তেওঁ নিজৰ লগত আনিছিল বহুতো অমূল্য উপহাৰ। এই উপহাৰসমূহত আছিল সৰু ৰেলৱে, টেলিগ্রাফ, গ্রন্থ আৰু বিভিন্ন ধৰনৰ সুৰা। এই উপহাৰসমূহে জাপানী লোকসকলক বিশেষভাৱে আকর্ষণ কৰিবলৈ সক্ষম হয়।

শ্বগান চৰকাৰৰ সিদ্ধান্ত অনুসৰি কম'ড'ৰ পেৰীক স-সন্মানেৰে উষ্ণ আদৰণি জনোৱা হয়। কম'ড'ৰ পেৰীয়েও নিজৰ তৰফৰ পৰা জাপানী চৰকাৰক পতিয়ন নিয়াই আমেৰিকাৰ চৰকাৰৰ সৈতে এক চুক্তি স্বাক্ষৰ কৰোৱাৰ ক্ষেত্রত সক্ষম হয়। অৱশেষত ১৮৫৪ চনৰ ৩১ মার্চত আমেৰিকাৰ চৰকাৰৰ প্রতিনিধি হিচাপে কম'ড'ৰ পেৰী আৰু শ্বগান চৰকাৰৰ প্রতিনিধিৰ মাজত এক চুক্তি স্বাক্ষৰ হয়। এই চুক্তিক জনা যায় **কানাগাৱাৰ চুক্তি** নামেৰে। এই চুক্তিৰ দ্বাৰা জাপানত আমেৰিকাৰ চৰকাৰে বাণিজ্যিক দিশত বহু ৰেহাই লাভ কৰে। এই চুক্তিয়ে পৰোক্ষভাৱে পশ্চিমীয়া দেশসমূহৰ সৈতে জাপানৰ ব্যৱসায় আৰু বাণিজ্যৰ দ্বাৰ মুকলি কৰে। এই চুক্তিৰ মূল দিশসমূহ আছিল-

- জাপানৰ দুটা গুৰুত্বপূর্ণ বন্দৰ চিম'দা আৰু হাকুদাতেক আমেৰিকা যুক্তৰাষ্ট্রৰ ভাপ চালিত জাহাজৰ কয়লা ডিপো আৰু ইন্ধন ভর্তিকৰণৰ বাবে মুকলি কৰা হ'ব।
- চিম'দাত আমেৰিকা চৰকাৰে এজন বিষয়া নিযুক্তি দিয়াৰ অধিকাৰ লাভ কৰিব।

- আমেৰিকাৰ ধ্বংসপ্রাপ্ত জাহাজৰ নাৱিকসকলক সুৰক্ষা প্রদান কৰিবলৈ জাপানী চৰকাৰ সন্মত হয়।
- এই চুক্তিৰ দ্বাৰা আমেৰিকাই নাগাচাকিৰ পৰা কয়লা, পানী আৰু খাদ্য ক্রয় কৰাত অনুমতি লাভ কৰে।

এইক্ষেত্রত মন কৰিবলগীয়া দিশ আছিল যে চুক্তিখনৰ দ্বাৰা আমেৰিকাৰ চৰকাৰক কোনো ধৰনৰ অতিৰিক্ত এলেকাভিত্তিক অধিকাৰ প্রদান কৰা হোৱা নাছিল। কিন্তু কানাগাৱাৰ চুক্তিৰ গুৰুত্বপূর্ণ দিশ আছিল ইয়াৰ দ্বাৰা জাপানৰ দুটা দশকৰ বিচ্ছিন্নতাৰ নীতিৰ অন্ত পৰিছিল। বাণিজ্যিক ক্ষেত্রত জাপানৰ সৈতে ইংলেণ্ড, ৰাছিয়া আৰু হলেণ্ডেও চুক্তি স্বাক্ষৰ কৰে।



জানি থোৱা ভাল

জাপানৰ সৈতে আমেৰিকাৰ চুক্তিয়ে আন আন ইউৰোপীয় দেশসমূহক জাপানৰ প্রতি আকর্ষিত কৰি তোলে। ব্রিটিশ এডমিৰেল চাৰ জেমছ ষ্টাৰলিঙে ১৮৫৪ চনৰ অক্টোবৰ মাহত এক চুক্তি স্বাক্ষৰ কৰে। ৰাছিয়াৰ এডমিৰেল কাউণ্ট পুতিয়াতিনে ১৮৫৫ চনৰ ফেব্রুৱাৰী মাহত চিম'দাত এক চুক্তি স্বাক্ষৰ কৰে। ডাচ(হলেণ্ডবাসী)সকলেও ১৮৫৬ চনৰ জানুৱাৰী মাহত নাগাচাকিত অধিকাৰ ক্ষেত্র বর্ধনৰ বাবে নতুনকৈ এক চুক্তি স্বাক্ষৰ কৰে। এই তিনিখন চুক্তিয়ে পশ্চিমীয়া শক্তিসমূহক জাপানী বিষয়াসকলৰ মাধ্যমত ব্যৱসায় কৰা, চিম'দা আৰু হাকোদাতেত কনচুল স্থাপন আৰু অতিৰিক্ত এলেকাভিত্তিক অধিকাৰ ক্ষেত্রৰ সুবিধা প্রদান কৰে। কেৱল হলেণ্ডৰ সৈতে চুক্তিৰ বাহিৰে আমেৰিকা, ইংলেণ্ড আৰু ৰাছিয়াৰ সৈতে চুক্তি স্বাক্ষৰ কৰিছিল শ্বগান চৰকাৰে আৰু ১৮৫৫ চনৰ ফেব্রুৱাৰী মাহত ইয়াত অনুমোদন জনাইছিল জাপানৰ সম্রাটে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ জাপানৰ সৈতে সম্পর্ক স্থাপন কৰা প্রাৰম্ভিক শক্তি কি?

.....

.....

প্রশ্ন নং ২ঃ কানাগাৱাৰ চুক্তি কেতিয়া স্বাক্ষৰ কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৩ঃ কম'ড'ৰ পেৰীৰ সম্পূর্ণ নাম কি আছিল?

.....

.....

প্ৰশ্ন নং ৪ঃ কম'ড'ৰ পেৰীয়ে কেতিয়া য়েডুৰ সাগৰীয় এলেকাত প্ৰৱেশ কৰিছিল?

.....

.....

১.৫ হেৰিৰ চুক্তি

কানাগাৱাৰ চুক্তি অনুসৰি আমেৰিকাই চিম'দাত এজন কনচুল নিয়োগ কৰিবলৈ অধিকাৰ লাভ কৰিছিল। সেই অনুসৰি ১৮৫৬ চনত আমেৰিকা চৰকাৰে টাউনচেণ্ড হেৰিছক চিম'দাৰ প্ৰথম কনচুল জেনেৰেল ৰূপে নিয়োগ কৰি জাপানলৈ প্ৰেৰণ কৰে। হেৰিছ আছিল নিউয়ৰ্কৰ এজন বণিক ইতিমধ্যে তেওঁ পূৱৰ বিস্তৃত এলেকা পৰিভ্ৰমণ কৰিছিল। তেওঁ আছিল উৎকৃষ্ট মেধা আৰু চৰিত্ৰৰ ব্যক্তি। ১৮৫৬ চনৰ আগষ্ট মাহত টাউনচেণ্ড হেৰিছ চিম'দাত উপস্থিত হয়। প্ৰথমাৱস্থাত জাপানীসকলে তেওঁৰ উপস্থিতি সহ্য কৰিব নোৱাৰাৰ বাবে তেওঁ অতি শোচনীয় জীৱন যাপন কৰিবলগীয়া হৈছিল। জাপানী চৰকাৰে অৱশ্যে তেওঁক আনুষ্ঠানিকভাৱে আদৰণি জনাইছিল। তেওঁক থাকিবলৈ দিয়া হৈছিল এক প্ৰাচীন মন্দিৰত। মন্দিৰটোত থকা ম'হ, পঁইতাচোৱা আৰু ডাঙৰ ডাঙৰ নিগনীয়ে তেওঁৰ তাত থকাটো অসম্ভৱ কৰি তুলিছিল। তেওঁক নিৰুৎসাহ কৰিবলৈ জাপানীসকলে আন আন বহু প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল।

কিন্তু হেৰিছে এই সকলো প্ৰতিবন্ধকতা স্থিৰভাৱে অতিক্ৰম কৰিছিল। অৱশেষত তেওঁৰ ভাল ব্যৱহাৰ আৰু সততাই জাপানী কৰ্তৃপক্ষৰ সদিচ্ছা জয় কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছত ১৮৫৭ চনত আমেৰিকা আৰু জাপানী চৰকাৰৰ মাজত এক সমাৱৰ্তন স্বাক্ষৰ হয়। ইয়াৰ দ্বাৰা জাপানৰ সৈতে চুক্তি কৰি ব্ৰিটেইন, ৰাছিয়া আৰু হলেণ্ডে লাভ কৰা সকলো সুবিধা আমেৰিকাই লাভ কৰে।

এই সমাৱৰ্তনে আমেৰিকা-জাপানৰ সম্পৰ্কক উন্নত কৰিবলৈ হেৰিছক বিশেষভাৱে অনুপ্ৰাণিত কৰে। তেওঁ যথাসাধ্য আমেৰিকাৰ দৰে এখন বন্ধুত্বসুলভ ৰাষ্ট্ৰৰ সৈতে ভৱিষ্যত লাভালাভৰ বাবে এক সম্পূৰ্ণ বাণিজ্যিক চুক্তিত স্বাক্ষৰ কৰিবলৈ জাপানী চৰকাৰক সৈমান কৰিবলৈ প্ৰয়াস কৰে। এই প্ৰয়াসত হেৰিছ সফল হৈছিল আৰু ১৮৫৮ চনৰ জানুৱাৰী মাহত শ্বগান চৰকাৰে এনেধৰনৰ এক চুক্তিত স্বাক্ষৰ কৰিবলৈ সম্মত হয়। অৱশেষত ১৮৫৮ চনৰ ২৯ জুলাইত দুয়োখন দেশৰ চৰকাৰৰ মাজত এক চুক্তি স্বাক্ষৰ হয়। জাপানী চৰকাৰৰ প্ৰতিনিধি হিচাপে শ্বগান কৰ্তৃপক্ষই আৰু আমেৰিকা চৰকাৰৰ প্ৰতিনিধিৰূপে হেৰিছে এই চুক্তিত স্বাক্ষৰ কৰে। টাউনছেণ্ড হেৰিছৰ নামেৰে এই চুক্তিক হেৰিছ চুক্তি বুলি জনা যায়।

ইয়াৰ উল্লেখযোগ্য দিশসমূহ আছিল—

- দুয়োখন দেশৰ ৰাজধানীত ৰাষ্ট্ৰ দুখনে কূটনৈতিক প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিব।

- চিম'দা, হাকোদাতে আৰু নাগাচাকিত আমেৰিকাৰ নাগৰিকসকলক বসবাসৰ অনুমতি প্ৰদান কৰা হ'ব।
- চিম'দা, হাকোদাতে, নাগাচাকি আৰু কানাগাৱাৰ বন্দৰত আমেৰিকাৰ বণিকসকলে ব্যৱসায়ৰ অনুমতি লাভ কৰিব।
- য়েডুত আমেৰিকাৰ চৰকাৰে এজন মন্ত্ৰী আৰু সকলো মুকলি বন্দৰত কনছুল নিয়োগৰ অনুমতি লাভ কৰিব।
- আমেৰিকাৰ জলসেনাই য়ক'হামা, হাকোদাতে আৰু নাগাচাকিত সামগ্ৰী যোগানৰ ডিপো প্ৰতিষ্ঠাৰ অনুমতি লাভ কৰিব।
- ইয়াৰ দ্বাৰা আমেৰিকাই জাপানত অতিৰিক্ত এলেকাভিত্তিক অধিকাৰ লাভ কৰে। এই অধিকাৰৰ দ্বাৰা আমেৰিকানসকল দেৱানী আৰু ভাং সৰবৰাহৰ অপৰাধমূলক গোচৰৰ বাবে জাপানী বিষয়াসকলৰ পৰিৱৰ্তে কেৱল নিজৰ কনছুলৰ বিচাৰাধীন হ'ব।
- জাপানত থকা আমেৰিকান আৰু অন্যান্য বিদেশীসকলৰ ধৰ্মীয় স্বাধীনতা প্ৰদান কৰা হ'ব।
- আমেৰিকাই জাপানত আটাইতকৈ সুবিধাপ্ৰাপ্ত দেশৰ মৰ্যাদা লাভ কৰিব।
- আমেৰিকাৰ পৰা আমদানি আৰু ৰপ্তানিকৃত সকলো সামগ্ৰীৰ ক্ষেত্ৰত জাপানে কেৱল ৫ শতাংশ শুল্ক আৰোপ কৰিব।
- কেতবোৰ চুক্তিৰ অধীনত বাণিজ্যৰ ক্ষেত্ৰত বিদেশী মুদ্ৰাৰ প্ৰচলন বৈধ হ'ব।
- সামগ্ৰীৰ নিজাবৰীয়া নিৰিখ নিৰ্ধাৰণৰ ক্ষেত্ৰত জাপানে নিজৰ অধিকাৰ উঠাই ল'ব।

হেৰিছৰ চুক্তিৰ সহায়ত আমেৰিকাই জাপানত বৃহৎ সুবিধা আদায় কৰিবলৈ সক্ষম হয়। এই চুক্তি আছিল এহাতে আমেৰিকাৰ অন্যতম কূটনৈতিক সফলতা আৰু আনহাতে হেৰিছৰ ব্যক্তিগত সাফল্য। ১৮৯৪ চন পৰ্যন্ত এই চুক্তিয়েই আছিল জাপান আৰু পশ্চিমীয় শক্তিৰ মাজত সম্পৰ্কৰ ভেঁটি। আন আন পশ্চিমীয়া শক্তি যেনে ডাচসকল, ৰাছিয়ানসকল, ব্ৰিটিছসকল আৰু

ফৰাচীসকলে শ্বগান চৰকাৰক অনুৰূপ ধৰনৰ চুক্তি স্বাক্ষৰ কৰোৱাবলৈ বাধ্য কৰিছিল। বাস্তৱতে ১৮৬৭ চনলৈকে সকলো ইউৰোপীয় দেশে জাপানৰ সৈতে চুক্তিত স্বাক্ষৰ কৰিছিল আৰু ইয়াৰ দ্বাৰা দেশসমূহে বাণিজ্যিক সম্পৰ্কৰ বাট মুকলি, বন্দৰ স্থাপন, অতিৰিক্ত এলেকাভিত্তিক অধিকাৰ আৰু নিৰিখৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ সুবিধা আদায় কৰিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ টাউনচেণ্ড হেৰিছ কেতিয়া চিম'দাত উপস্থিত হৈছিল?

.....

.....

প্ৰশ্ন নং ৬ঃ হেৰিছৰ চুক্তি কেতিয়া স্বাক্ষৰ কৰা হৈছিল?

.....

.....

প্ৰশ্ন নং ৭ঃ কোন বৰ্ষত জাপানত সামন্তবাদৰ আনুষ্ঠানিকভাৱে অন্ত পৰিছিল?

.....

.....

প্ৰশ্ন নং ৮ঃ জাপানৰ উল্লেখযোগ্য সামন্তবাদী বংশৰ নাম উল্লেখ কৰা।

.....

.....

১.৬ সামন্তবাদৰ অন্ত

কানাগাৱা আৰু হেৰিছৰ চুক্তিয়ে আমেৰিকাৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে আৰু ইউৰোপীয় শক্তিসমূহৰ বাবে পৰোক্ষভাৱে জাপানৰ দ্বাৰ মুকলি কৰি দিয়ে। জাপানৰ এই মুক্ত নীতিয়ে স্বদেশ প্ৰেমী জাপানীসকলক বাৰুকৈ অসন্তুষ্ট কৰাৰ লগতে বিদেশী বিৰোধী আন্দোলনৰ উদ্ভৱ কৰিছিল। এই বিদেশী বিৰোধী আন্দোলনে পৰৱৰ্তী সময়ত তীব্ৰ ৰূপ ধাৰণ কৰি শ্বগান চৰকাৰৰ বিলুপ্তিৰ বাবে এক বিদ্ৰোহৰ সূচনা কৰিছিল। পৰ্যায়ক্ৰমে এই বিদ্ৰোহে বিভিন্ন স্তৰ অতিক্ৰম কৰি এক চমু গৃহ যুদ্ধৰ ৰূপ লয় আৰু ইয়াৰ ফলস্বৰূপে ১৮৬৭ চনত শ্বগান শাসকৰ ৰাজত্বৰ সমাপ্তি ঘটে। শ্বগান শাসনৰ সংৰচনা আৰু সমাপ্তিৰ বিষয়ে দ্বিতীয় অধ্যায়ত জানিব পাৰিব।

শ্বগান শাসনৰ সমাপ্তিৰ লগে লগে জাপানী সম্ৰাটৰ একাকীত্বৰ অৱসান ঘটাই ১৮৬৮ চনত তেওঁক য়েডুত সিংহাসনত অধিষ্ঠিত কৰা হয়। সেই সময়ত সম্ৰাট আছিল ১৪ বছৰীয়া মুতশ্বিহটছ। সসন্মানেৰে ক্ষমতাত অধিষ্ঠিত হৈ নিজৰ বিষয়াবৰ্গক তেওঁ এক চমু বিবৃতি প্ৰদান কৰে। এই বিবৃতিত সম্ৰাটে শাসনৰ নতুন নীতি আৰু জাপানক এক শক্তিশালী তথা বিকাশশীল ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাত গুৰুত্ব প্ৰদান কৰিছিল। শ্বগান শাসকৰ বিলুপ্তিৰ লগে লগে যুৱ সম্ৰাটে শাসনৰ কৰ্তৃত্ব নিজৰ হাতত অধিক কেন্দ্ৰীভূত কৰাত গুৰুত্ব প্ৰদান কৰে। শাসন কেন্দ্ৰীভূত কৰাৰ ক্ষেত্ৰত তেওঁ সামন্তবাদী শাসকসকলক এক অন্তৰায় বুলি বিবেচনা কৰিছিল আৰু সেইবাবে সামন্তবাদৰ বিলুপ্তিৰ বাবে তেওঁ সিদ্ধান্ত গ্ৰহণ কৰে। শক্তিশালী পশ্চিমীয়া বংশ চাতছুমা, চছু, হিজেন আৰু টছা আছিল উল্লেখযোগ্য সামন্ত প্ৰভুসকলৰ মূল।

এই চাৰিটা বংশই জাপানত শ্বগান শাসনৰ বিলুপ্তি ঘটাই ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। সেইবাবে তেওঁলোকে স্বেচ্ছাই নিজৰ স্থান ১৮৬৯ চনত সম্ৰাটৰ ওচৰত সমৰ্পণ কৰে জাপানৰ নতুন ৰাজধানী য়েডুত সম্ৰাটে ইয়াত অনুমোদন জনায়। অৱশিষ্ট সামন্ত শাসকসকলেও তেওঁলোকক অনুসৰণ কৰি নিজৰ সকলো সম্পত্তি স্বেচ্ছাই সমৰ্পণ কৰে আৰু আইনৰ দৃষ্টিত সাধাৰণ নাগৰিকলৈ পৰিণত হয়। আনকি চামুৰাই গোটৰ পুৰণি যোদ্ধা শ্ৰেণীয়েও নিজৰ সকলো সুবিধা ত্যাগ কৰিছিল।

এনেদৰে সকলো সামন্ত প্ৰভু আৰু চামুৰাইসকলে নিজৰ ক্ষমতা আৰু সুবিধা ত্যাগ কৰাৰ পিছতে সম্ৰাটে এক ৰাজকীয় নিৰ্দেশনাৰ দ্বাৰা ১৮৭১ চনত জাপানত সামন্তবাদৰ বিলুপ্তি চূড়ান্ত কৰে। সামন্তবাদৰ বিলুপ্তিয়ে জাপানী সমাজৰ প্ৰায় সকলো শ্ৰেণীকে প্ৰভাৱিত কৰিছিল। ইয়ে ৰাষ্ট্ৰখনৰ কেন্দ্ৰীয়ভাৱে পুনৰ সংগঠনৰ বাট প্ৰশস্ত কৰিছিল।



১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৭ শতিকাৰ পৰাই ইউৰোপীয় দেশসমূহে পূৰত বাণিজ্যৰ প্ৰসাৰ ঘটাই সাম্ৰাজ্য প্ৰতিষ্ঠাত ব্যস্ত হৈ পৰিছিল। এইক্ষেত্ৰত হেঙাৰ হৈ দেখা দিছিল জাপানৰ বিচ্ছিন্নতাবাদৰ নীতি। জাপানৰ কেৱল নাগাচাকি বন্দৰৰ জড়িয়তে বিদেশৰ পৰা আমদানিৰ অনুমতি আছিল আৰু তাকো কেৱল ডাচ্চসকলৰ ক্ষেত্ৰতহে এই নীতি প্ৰযোজ্য আছিল। কিন্তু ৰাছিয়া, ইংলেণ্ড আমেৰিকাৰ দৰে পশ্চিমীয়া শক্তিসমূহৰ পুনঃ পুনঃ প্ৰয়াসৰ বাবে ১৯ শতিকাৰ মাজভাগত জাপানে নিজৰ বিচ্ছিন্নতাবাদৰ নীতি পৰিত্যাগ কৰে আৰু মুক্ত নীতিক আকোঁৱালি লয়।
- কম'ড'ৰ পেৰী আছিল নৌ সেনাবাহিনীৰ এজন বিশিষ্ট বিষয়া আৰু জাপানৰ সৈতে বাণিজ্যিক সম্পৰ্ক আদায় কৰিবৰ বাবে তেওঁক জাপানলৈ প্ৰেৰণ কৰিছিল আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে। ১৮৫৩ চনৰ ৩ জুলাইত পেৰীয়ে জাপানত উপস্থিত হয় আৰু জাপানী সম্ৰাটৰ হাতত ৰাষ্ট্ৰপতি ফিলম'ৰে প্ৰেৰণ কৰা পত্ৰ প্ৰদান কৰে। এই চিঠীৰ উত্তৰ লাভ কৰিবলৈ এবছৰ পিছত জাপানলৈ পুনৰ অহাৰ প্ৰতিশ্ৰুতিৰে তেওঁ আমেৰিকালৈ উভটিছিল। তেওঁ উভটি অহাৰ পিছতে শ্বগান চৰকাৰৰ সিদ্ধান্তমৰ্মে জাপানী বিষয়াসকলৰ পৰা সন্মানসহ আদৰণি লাভ কৰিছিল। ইয়াৰ পিছতে ১৮৫৪ চনৰ ৩১ মাৰ্চত কম'ড'ৰ পেৰী আৰু শ্বগান প্ৰতিনিধিৰ মাজত এক চুক্তি স্বাক্ষৰ হৈছিল। এই চুক্তি কানাগাৱাৰ চুক্তি নামেৰে জনপ্ৰিয় আৰু ইয়ে জাপানত আমেৰিকাক ভালেখিনি বাণিজ্যিক ৰেহাই প্ৰদান কৰিছিল।
- কানাগাৱাৰ চুক্তিয়ে আমেৰিকাক জাপানৰ চিম'দাত থাকিব পৰাকৈ এজন কনছুল নিয়োগৰ সুবিধা প্ৰদান কৰিছিল। ইয়াৰ পিছতে আমেৰিকা চৰকাৰে নিউয়ৰ্কৰ এজন বণিক টাউনছেণ্ড হেৰিছক চিম'দাৰ প্ৰথমজন কনছুল ৰূপে নিয়োগ কৰে। ১৮৫৬ চনৰ আগষ্ট মাহত হেৰিছ চিম'দাত উপস্থিত হয় আৰু ১৮৫৭ চনত আমেৰিকা আৰু জাপানী চৰকাৰৰ মাজত এক প্ৰতিবেদন স্বাক্ষৰ হয়। এই প্ৰতিবেদনে হেৰিছক যথেষ্ট অনুপ্ৰাণিত কৰিছিল আৰু তেওঁ ১৮৫৮ চনৰ জানুৱাৰী মাহত শ্বগান চৰকাৰক আমেৰিকাৰ দৰে এখন বন্ধুত্বসুলভ ৰাষ্ট্ৰৰ সৈতে এক পূৰ্ণ বাণিজ্যিক চুক্তিত স্বাক্ষৰ

কৰিবলৈ সৈমান কৰে। অৱশেষত ১৮৫৮ চনৰ ২৯ জুলাইত শ্বগান চৰকাৰ আৰু হেৰিছৰ মাজত প্রত্যক্ষভাৱে এক চুক্তি স্বাক্ষৰ হয়। এই চুক্তি টাউনছেণ্ড হেৰিছৰ নামেৰে হেৰিছৰ চুক্তি বুলি জনপ্রিয়। এই চুক্তিয়ে জাপানত বাণিজ্যৰ ক্ষেত্রত আমেৰিকাক ভালেমান সুবিধা প্রদান কৰিছিল।

- জাপানৰ এই মুক্ত নীতিয়ে স্বদেশ প্রেমী জাপানীসকলক বাৰুকৈ অসন্তুষ্ট কৰাৰ লগতে বিদেশী বিৰোধী আন্দোলনৰ উদ্ভৱ কৰিছিল। এই বিদেশী বিৰোধী আন্দোলনে পৰৱর্তী সময়ত তীব্র ৰূপ ধাৰণ কৰি শ্বগান চৰকাৰৰ বিলুপ্তিৰ ঘটায়। শ্বগান শাসনৰ সমাপ্তিয়ে জাপানত সম্রাটৰ পুনৰ উত্থান ঘটায়। সম্রাটে শাসনৰ কর্তৃত্ব নিজৰ হাতত অধিক কেন্দ্রীভূত কৰাত গুৰুত্ব প্রদান কৰে। শাসন কেন্দ্রীভূত কৰাৰ ক্ষেত্রত তেওঁ সামন্তবাদী শাসকসকলক এক অন্তৰায় বুলি বিবেচনা কৰিছিল আৰু সেইবাবে সামন্তবাদৰ বিলুপ্তিৰ বাবে তেওঁ সিদ্ধান্ত গ্রহণ কৰে। সৌভাগ্যক্রমে সকলো সামন্ত প্রভু আৰু চামুৰাইসকলে নিজৰ মর্যাদা আৰু স্থান সম্রাটৰ সন্মুখত স্বেচ্ছাই সমর্পণ কৰে। সেইবাবে ইয়াৰ পিছতে সম্রাটে এক ৰাজকীয় নির্দেশনাৰ দ্বাৰা ১৮৭১ চনত জাপানত সামন্তবাদৰ বিলুপ্তি চূড়ান্ত কৰে। সামন্তবাদৰ বিলুপ্তিয়ে জাপানী সমাজৰ প্রায় সকলো শ্রেণীকে প্রভাৱিত কৰিছিল। ইয়ে ৰাষ্ট্রখনৰ কেন্দ্রীয়ভাৱে পুনৰ সংগঠনৰ বাট প্রশস্ত কৰিছিল।



১.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Singh, A.K., (1984), *History of Far East in Modern Times*, Delhi-110007,Surjeet Publications.
2. Vinacke,H.M., (1982), *A History of The Far East in Modern Times*,New Delhi,Kalyani Publications.
3. David, M.D., *History of Modern Japan*,(First edition 1979), Bombay 400054, Himalaya Publishing House.



১.৯ অগ্রগতিৰ খতিয়ান

প্রশ্ন উত্তৰ ১ ঃ ডাচ্চ।

প্রশ্ন উত্তৰ ২ ঃ ১৮৫৪ চনৰ ৩১ মার্চ।

প্রশ্ন উত্তৰ ৩ ঃ কম'ড'ৰ মেথিউ গালব্রেইথ পেৰী।

প্ৰশ্ন উত্তৰ ৪ ঃ ১৮৫৩ চনৰ ৩ জুলাই।

প্ৰশ্ন উত্তৰ ৫ ঃ ১৮৫৬ চনৰ আগষ্ট মাহ।

প্ৰশ্ন উত্তৰ ৬ ঃ ১৮৫৮ চনৰ ২৯ জুলাই।

প্ৰশ্ন উত্তৰ ৭ ঃ ১৮৭১ চন।

প্ৰশ্ন উত্তৰ ৮ ঃ চাতছুমা, চছু, হিজেন আৰু টছা।



১.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তু ধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ ঃ কাৰ কাৰ মাজত কানাগাৱাৰ চুক্তি স্বাক্ষৰ কৰা হৈছিল?

প্ৰশ্ন নং ২ ঃ কম'ড'ৰ পেৰী কোন আছিল?

প্ৰশ্ন নং ৩ ঃ টাউনচেণ্ড হেৰি কোন আছিল?

প্ৰশ্ন নং ৪ ঃ হেৰিৰ চুক্তি কাৰ কাৰ মাজত স্বাক্ষৰ কৰা হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ কানাগাৱাৰ চুক্তিৰ বিষয়ে এক চমু টোকা লিখক।

প্ৰশ্ন নং ২ ঃ হেৰিৰ চুক্তিৰ জড়িয়তে আমেৰিকাই লাভ কৰা সফলতা উল্লেখ কৰক।

প্ৰশ্ন নং ৩ ঃ কানাগাৱাৰ চুক্তি আৰু হেৰিৰ চুক্তিয়ে কেনেকৈ জাপানক ইউৰোপীয় শক্তিৰ বাবে মুকলি কৰি দিলে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ হেৰিৰ চুক্তিৰ মূল দিশসমূহ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ পশ্চিমৰ সন্মুখত জাপানৰ দ্বাৰ মুকলি হোৱা দিশটো আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ জাপানত সামন্তবাদৰ সমাপ্তিৰ বিষয়ে আলোচনা কৰক।

* * * * *

অধ্যায় ২ ঃ চ'গ' নেটৰ উত্থান আৰু পতন

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ চ'গ'নেটৰ আৰম্ভণি
২.৩.১ ট'ক'গুৰা চ'গ'নেট
২. ৩.২ ট'ক'গুৰা বাকুহান ব্যৱস্থা
২.৩.৩ চ'গ'নেটৰ অন্ত
২.৪ পশ্চিমীয়া দেশৰ লগত সংঘর্ষ
২.৪.১ জাপানত পশ্চিমীয়া শক্তিসমূহ
২.৪.২ জাপানত বিদেশীসকলৰ বিৰুদ্ধে হিংসাত্মক ঘটনা
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২..৬ অধিক জানিবলৈ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জাপানত চ'গ'নেটৰ প্রতিষ্ঠাৰ বিষয়ে জানিব পাৰিব,
- জাপানত ট'ক'গুৰা চ'গ'নেটৰ আৰম্ভণিৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- ট'ক'গুৰা বাকুহান ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- পশ্চিমীয়া দেশৰ লগত জাপানৰ সম্বন্ধৰ বিশ্লেষণ কৰিব পাৰিব,

২.২ পৰিচয়

জাপানৰ লোকসকলে তেওঁলোকৰ দেশখনক 'নিপন', অর্থাৎ 'সূর্য উদয়ৰ দেশ' হিচাপে অভিহিত কৰিছিল। বর্তমান সময়ত জাপান পৃথিৱীৰ এখন অতি উন্নত দেশ। জাপান 'প্রাচ্যৰ ইংলেণ্ড' হিচাপেও জনাজাত। কিন্তু উল্লেখযোগ্য যে ঊনৈশ শতিকাৰ মধ্যভাগলৈকে জাপানে এক অকলশৰীয়া নীতি গ্রহণ কৰিছিল আৰু বহিঃ বিশ্বৰ লগত কোনো ধৰণৰ প্রত্যক্ষ সম্পর্ক ৰাখিব বিচৰা নাছিল। কিন্তু পশ্চিমীয়া শক্তিসমূহে সদায়েই জাপানৰ লগত প্রত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। এনেকৈয়ে বহুতো পশ্চিমীয়া দেশৰ বণিক জাপানলৈ আহিছিল আৰু লাহে লাহে জাপানৰ বন্ধ দুৱাৰ বিদেশী শক্তিৰ বাণিজ্যৰ বাবে মুকলি হৈ পৰিছিল। এনেদৰেই পশ্চিমীয়া ধাৰণাসমূহৰ জাপানত প্রৱেশ ঘটিছিল।

২.৩ চ'গ'নেটৰ আৰম্ভণি

ঊনৈশ শতিকাৰ মধ্যভাগলৈকে জাপানৰ ৰাজনৈতিক ব্যৱস্থা সামন্তবাদ আৰু সামৰিক শক্তিৰ ওপৰত প্রতিষ্ঠিত আছিল। সম্রাট বা মিকাজে আছিল দেশৰ প্রশাসনৰ মুৰব্বী। কিন্তু তেওঁ আছিল নামমাত্র মুৰব্বী। জাপানৰ লোকসকলে সম্রাটৰ দৈৱত্ব নীতিত বিশ্বাস কৰিছিল আৰু মিকাডোক অতি পৱিত্র বুলি জ্ঞান কৰা হৈছিল। তেওঁৰ পৱিত্রতা ৰক্ষাৰ বাবে কিয়ট'ত থকা ৰাজপ্রাসাদত তেওঁক অকলশৰীয়াভাৱে বসবাস কৰিবলৈ দিয়া হৈছিল। গতিকে সময়ৰ সোঁতত সাম্রাটৰ মুখ্য সামৰিক বিষয়া চ'গ'নে দেশৰ সকলো ক্ষমতা হস্তগত কৰিছিল।

য়'ৰিট'ম' আছিল প্রথম চ'গ'ন। তেওঁ আছিল সম্রাটৰ সামৰিক বাহিনীৰ মুখ্য বিষয়া। জাপানৰ সম্রাটে তেওঁক "চেই-ই-তাই চ'গ'ন" উপাধি প্রদান কৰিছিল যাৰ অর্থ হৈছে "বর্ৱৰক দমনকাৰী বিষয়া"। পিছলৈ এই উপাধিটো চ'গ'ন হিচাপে জনাজাতহৈ পৱিছিল। যিহেতু ১১৯২ খ্রীষ্টাব্দত য়'ৰিট'ম'য়ে উক্ত উপাধিটো লাভ কৰিছিল গতিকে উক্ত বছৰটিক চ'গ'নেটৰ আৰম্ভনি হিচাপে গণ্য কৰা হয়। চ'গ'নৰ উপাধি লাভ কৰাৰ পিছত আইনগতভাৱে য়'ৰিট'ম'য়ে দেশৰ সকলো সামৰিক বাহিনীৰ ওপৰত আধিকাৰ লাভ কৰিছিল। তেওঁ এই সৈন্যবাহিনীক নিজৰ শক্তি তথা মর্য্যাদা বৃদ্ধিৰ বাবে সু-সংগঠিত কৰিছিল। য়'ৰিট'ম'য়ে প্রৱর্তন কৰা শাসন ব্যৱস্থা বাকুফু নামেৰে জনাজাত যাৰ অর্থ হৈছে সামৰিক বাহিনীৰ মুখ্য কার্য্যালয়। ইংৰাজীত এই শাসন চ'গ'নেটবুলি কোৱা হয়।

২.৩.১ ট'ক'গুৱা চ'গ'নেট

১৬০৩ চনত জাপানৰ বিখ্যাত ট'ক'গুৱা বংশই চ'গ'নেটৰ ক্ষমতা হস্তগত কৰিছিল। জাপানৰ ইতিহাসত ই এক অতি গুৰুত্বপূর্ণ ঘটনা। ১৬০০ চনত সংঘটিত হোৱা চেকিগেহৰা যুদ্ধত ট'ক'গুৱা বংশৰ প্রথম চ'গ'ন ইয়াচুয়ে তেওঁৰ পূর্ৱৱর্তী চ'গ'নজনক পৰাজিত কৰি ১৬০৩ চনত। নিজকে চ'গ'ন বুলি ঘোষণা কৰে। এই বছৰটিকে জাপানত ট'ক'গুৱা চ'গ'নেটৰ আৰম্ভণি হিচাপে গণ্য কৰা হয়। ১৮৬৭ চনলৈকে ট'ক'গুৱা বংশৰ উত্তৰাধিকাৰীসকলে জাপানত শাসন কৰিছিল।

২.৩.২ ট'ক'গুৱা বাকুহান ব্যৱস্থা

ট'ক'গুৱা চ'গ'নসকলৰ প্রশাসনিক ব্যৱস্থা ট'ক'গুৱা বাকুহান ব্যৱস্থা হিচাপে জনা যায়। এই ব্যৱস্থাৰ দ্বাৰা ট'ক'গুৱা চ'গ'নসকলে ৰাজপ্রাসাদৰ ওপৰত সম্পূর্ণ আধিপত্য প্রতিষ্ঠা কৰিছিল। ৰজা আৰু তেওঁৰ ৰাজকীয় বিষয়াসকলক এক মর্য্যাদাপূর্ণ জীৱন অতিৱাহিত কৰিবৰ বাবে এক নিদির্ষ্ট পৱিমাণৰ ৰাজহ প্রদান কৰা হৈছিল। ট'ক'গুৱা চ'গ'নেটৰ বিনা অনুমতিত কাকো সম্রাটক সাক্ষাৎ কৰিবলৈ দিয়া নহৈছিল। সম্রাটক শাসনৰ নামমাত্র শাসক হিচাপে ৰখা হৈছিল আৰু দেশৰ শাসন ব্যৱস্থাত তেওঁক কোনো কার্য্যকৰী ভূমিকা গ্রহণ কৰিবলৈ দিয়া নহৈছিল। য়েদো (বর্তমানৰ ট'কিয়')ত ট'ক'গুৱা

চ'গ'নেটৰ ৰাজধানী প্ৰতিষ্ঠা কৰা হৈছিল আৰু পিছলৈ ই চৰকাৰৰ মুখ্য কেন্দ্ৰলৈ পৰিণত হৈছিল। চ'গ'নৰ বাবে য়েদোত এক বৃহৎ প্ৰাসাদ নিৰ্মাণ কৰা হৈছিল। এনেদৰেই ট'ক'গুৱা চ'গ'নেটে প্ৰশাসনৰ সকলো ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰিছিল।

চ'গ'নেটৰ অধীনত জাপানৰ সমাজখন বহু পৰিমাণে সামন্তবাদী প্ৰকৃতিৰ আছিল। চ'গ'নসকলৰ শক্তি ডাইমিঅ' নামৰ সামন্ত সকলৰ ওপৰত নিৰ্ভৰশীল আছিল। ডাইমিঅ'সকল আছিল চ'গ'নৰ সামৰিক বিষয়া। ডাইমিঅ' সকলৰ অধীনত চামুৰাই নামৰ যুদ্ধবাজ শ্ৰেণীটো আছিল। চ'গ'নে সদায় ডাইমিঅ' আৰু চামুৰাই সকলৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল যাতে তেওঁলোকে চ'গ'নৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পৰাকৈ শক্তিশালী হৈ উঠিব নোৱাৰে। এনেদৰেই ট'ক'গুৱা চ'গ'নেটে জাপানত এক কেন্দ্ৰীভূত সামন্তবাদী সামৰিক প্ৰশাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছেল।

২.৩.৩ চ'গ'নেটৰ অন্ত

ট'ক'গুৱা বংশই জাপানত বহু বছৰ শাসন কৰিছিল। তেওঁলোকৰ প্ৰায় ২৫০ বছৰীয়া দীঘলীয়া শাসনকালত জাপানত এক সামন্তবাদী সামৰিক শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছিল। তেঁওলোকৰ শাসনকালৰ প্ৰথম অৱস্থাত দেশত তুলনামূলকভাৱে শান্তি বিৰাজ কৰিছিল। কিন্তু তেঁওলোকৰ কঠিন শাসনৰ ফলস্বৰূপে পিছলৈ দেশত কিছুমান সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সংকটৰ সৃষ্টি হৈছিল। এই সংকটবোৰে অৱশেষত জাপানত চ'গ'নেটৰ শাশনৰ অন্ত পেলাইছিল।

এক সঠিক অৰ্থনৈতিক নীতিৰ অভাৱে জাপানত চ'গ'নেটৰ পতনত অৰিহণা যোগাইছিল। দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি কৰিবৰ দেশত কোনো ধৰণৰ চৰকাৰী ঋণৰ ব্যৱস্থা নাছিল। কৃষকসকল আছিল দেশৰ জনসাধাৰণৰ সিংহভাগ আৰু অত্যাধিক কৰৰ বোজাই তেঁওলোকক কোঙা কৰিছিল। কৃষকসকলৰ অৰ্থনৈতিক ব্যৱস্থা অতি বেয়া আছিল। কিন্তু ডাইমিঅ' আৰু চ'গ'নসকলে অতি বিলাসী জীৱন যাপন কৰিছিল আৰু ইয়াৰ ফলত দেশৰ অৰ্থনীতি অতি বেয়াৰফালে ঢাল খাইছিল। পৰিস্থিতৰ অধিক অৱনতি ঘটিছিল যেতিয়া জনসংখ্যা বৃদ্ধিয়ে দেশত খাদ্যসংকটৰ সৃষ্টি কৰিছিল। ফলত দেশৰ অধিকাংশ কৃষকেই চ'গ'নেটৰ বিৰুদ্ধে বিদ্ৰোহত অংশগ্ৰহণ কৰিছিল।

জাপানত বণিক শ্ৰেণীৰ উত্থানে চ'গ'নেটৰ সন্মুখত এক সংকটৰ সৃষ্টি কৰিছিল। উল্লেখযোগ্য যে ডাইমিঅ' আৰু চামুৰাইসকলে এক বিলাসী জীৱন যাপন কৰিছিল আৰু তেঁওলোকক বিলাসী সামগ্ৰীসমূহ যোগান ধৰিবৰ বাবে দেশত বণিক শ্ৰেণীৰ উত্থান হৈছিল। সময়ৰ সোঁতত এই বণিক শ্ৰেণীটো অৰ্থনৈতিকভাৱে যথেষ্ট শক্তিশালী হৈ পৰিছিল আৰু সামন্তসকল তথা চামুৰাইসকলে তেঁওলোকৰ পৰা টকা ধাৰত ল'বলৈ আৰম্ভ কৰিছিল। এইকথাই বণিক শ্ৰেণীৰ শক্তি বৃদ্ধি কৰাৰ লগতে চ'গ'নেটে দেশত প্ৰতিষ্ঠা কৰা জাপানৰ সামন্তবাদী সামাজিক গাঁথনিটোক দুৰ্বল কৰি তুলিছিল।

জাপানত পশ্চিমীয়া শক্তিৰ আগমনে পৰিস্থিতি অধিক জটিল কৰি তুলিছিল। ইতিমধ্যে আগতে আলোচনা কৰি অহা হৈছে যে আৰম্ভনিৰে পৰাই জাপানে এক অকলশৰীয়া নীতি পালন কৰিছিল আৰু পৃথিৱীৰ অন্য দেশৰ লগত কোনোধৰণৰ সম্পর্ক ৰক্ষা কৰিব বিচৰা নাছিল। কিন্তু পশ্চিমীয়া শক্তিসমূহে সদায়েই জাপানৰ লগত বাণিজ্যিক সম্বন্ধ প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। সেই হিচাপে পশ্চিমীয়া দেশৰপৰা বহু সংখ্যক ব্যৱসায়ী জাপানলৈ আহিছিল আৰু তেওঁলোকৰ লগত বিভিন্ন সময়ত বিভিন্ন চুক্তি স্বাক্ষৰ কৰিবলৈ চ'গ'নেটক তেঁওলোকে বাধ্য কৰাইছিল। এই চুক্তিসমূহৰ জৰিয়তে পশ্চিমীয়া দেশসমূহে জাপানত বহুতো বাণিজ্যিক সা-সুবিধা লাভ কৰিছিল। জাপানত পশ্চিমীয়া শক্তিসমূহৰ দিনে দিনে বাঢ়ি অহা বাণিজ্যিক কার্য্যকলাপসমূহ দেশৰ দেশভক্ত লোকসকলে ভাল পোৱা নাছিল কাৰণ তেঁওলোকে বিদেশীসকলক অসভ্য বর্বৰ বুলি গণ্য কৰিছিল আৰু নিজকে পৃথিৱীৰ অন্য দেশসমূহৰ পৰা আঁতৰাই ৰাখিব বিচাৰিছিল। জাপানত পশ্চিমীয়া দেশসমূহৰ বাঢ়ি অহা ক্ষমতাই চ'গ'নেটৰ দুর্বলতা প্রকাশ কৰিছিল আৰু জাপানৰ দেশভক্ত লোকসকলৰ মাজত চ'গ'নেটক অপ্রিয় কৰি তুলিছিল। ফলত চ'গ'নেটৰ বিৰুদ্ধে জাপানত বিদ্রোহ সংঘটিত হৈছিল আৰু এই বিদ্রোহক ডাইমিঅ'সকলে সমর্থন কৰিছিল কাৰণ চ'গ'নসকল জাপানত বিদেশীসকলক সা-সুবিধা প্রদান কৰাৰ বাবে দায়ী আছিল। দেশৰ সকলো শক্তিশালী শ্রেণীয়েই চ'গ'নৰ বিৰুদ্ধে অস্ত্র ধাৰণ কৰিছিল আৰু সম্রাটক জাপানৰ সিংহাসনত পুনঃ সংস্থাপনৰ দাবী তুলিছিল। এই চমু গৃহযুদ্ধত ট'ক'গুৱা চ'গ'নসকল পৰাজিত হৈছিল। লগে লগে ট'ক'গুৱা চ'গ'নেটৰ জাপানত শাসনৰ অন্ত পৰিছিল। এনে পৰিস্থিতিত ১৮৬৭ চনত চ'গ'নেটৰ নিজৰ সকলো ক্ষমতা ত্যাগ কৰিছিল। তাৰ পিছত মুটছহিটছ্ নামৰ এজন চৈধ্য বছৰীয়া যুৱকক জাপানৰ সিংহাসনত অধিষ্ঠিত কৰা হৈছিল। এই ঘটনা জাপানৰ ইতিহাসত মেইজী পুনঃ সংস্থাপন নামেৰে জনাজাত। ১৮৬৮ চনত মেইজী পুনঃস্থাপন হোৱাৰ লগে লগে জাপানত ট'ক'গুৱা চ'গনেটৰ শাসনৰ অন্ত পৰিছিল।

২.৪ পশ্চিমীয়া দেশৰ লগত সংঘর্ষ

ঊনৈশ শতিকাৰ মধ্যভাগলৈকে জাপানে এক অকলশৰীয়া নীতি গ্রহণ কৰিছিল আৰু পৃথিৱীৰ অন্য দেশৰ লগত কোনো ধৰণৰ প্রত্যক্ষ সম্বন্ধ ৰাখিব বিচৰা নাছিল। কিন্তু প্রায় ষোল্ল শতিকাৰ আগভাগতে হলেও আৰু পর্তুগালৰ ব্যৱসায়ী তথা ইহুদী মিচনাৰীসকল জাপানলৈ আহিছিল। ইহুদী মিছনাৰীসকলৰ সংস্পর্শলৈ অহাৰ পিছৰে পৰা জাপানৰ অধিকাংশ লোকেই খৃষ্টান ধর্মলৈ ধর্মান্তৰিত হৈছিল। দেশত দিনে দিনে ধর্মান্তৰিত হোৱা লোকৰ সংখ্যা বৃদ্ধি পোৱাত জাপানৰ চৰকাৰ সংকিত হৈ পৰিছিল। কাৰণ জাপানৰ চৰকাৰে ভাবিছিল যে ইহুদী মিছনাৰীসকলৰে আধ্যাত্মিক বিজয়ৰ আলমলৈ পশ্চিমীয়া দেশসমূহে জাপানত ৰাজনৈতিক বিজয় অভিযান আৰম্ভ কৰিব পাৰে। গতিকে দেশৰ ৰাজনৈতিক তথা সাংস্কৃতিক স্বাধীনতা বজাই ৰাখিবৰ বাবে জাপানৰ চৰকাৰে বিদেশীসকলক অনতিপলমে জাপান ত্যাগ কৰিবলৈ আদেশ দিছিল। মাত্র কিছু সংখ্যাক

হলেণ্ডৰ ব্যৱসায়ীক জাপানৰ নাগাচাকি বন্দৰৰ কাষৰ ডেচিমা নামৰ দ্বীপটোত যথেষ্ট প্রতিবন্ধকতাৰ মাজত ব্যৱসায় কৰিবলৈ জাপানৰ গৃহ চৰকাৰে অনুমতি দিছিল। এই ব্যৱসায়ীসকলৰ জৰিয়তে চ'গ'নেটে পৃথিৱীৰ অন্য অংশৰ বিষয়ে খবৰ সংগ্রহ কৰিছিল।

যদিও আৰম্ভণিৰে পৰা জাপানে এক অকলশৰীয়া নীতি পালন কৰিব বিচাৰিছিল তথাপি পশ্চিমীয়া শক্তিসমূহে সদায়েই জাপানৰ লগত প্রত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। তেঁওলোকৰ ভিতৰত প্রথম আছিল ৰাছিয়া।

২.৪.১ জাপানত পশ্চিমীয়া শক্তিসমূহ

১৬৯৭ চনত ৰাছিয়াই জাপানৰ লগত প্রত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ এক অসফল চেষ্টা কৰিছিল। ১৮৫৫ চনৰ ফ্রেব্রুৱাৰী মাহততে ৰাছিয়াৰ নৌ বিষয়া কাউণ্ট পুটিএটিনে জাপানৰ চৰকাৰৰ লগত এক চুক্তি স্বাক্ষৰ কৰিবলৈ সফল হৈছিল যাৰ দ্বাৰা জাপানৰ বিষয়াসকলৰ জৰিয়তে জাপানত ব্যৱসায় কৰাৰ অনুমতি ৰাছিয়াই লাভ কৰিছিল। একে সময়তে এই চুক্তিৰ জৰিয়তে ৰাছিয়াই জাপানত সীমিতভাৱে বহিঃৰাষ্ট্রৰ আইনগত অধিকাৰ লাভ কৰিছিল।

ইতিমধ্যে ১৮৫৩ চনত আমেৰিকাৰ চৰকাৰে জাপানৰ বন্ধ দুৱাৰ আমেৰিকাৰ ব্যৱসায়ৰ বাবে মুকলি কৰিবৰ বাবে ক'ম'ডৰ মেথিউ কলব্রেইথ পেৰাৰ অধীনত এক নৌ অভিযান জাপানলৈ প্রেৰণ কৰিছিল। ১৮৫৪ চনত পেৰীয়ে চ'গ'নেটৰ লগত কানুগাৱা চুক্তি স্বাক্ষৰ কৰিছিল। ১৮৫৬ চনত অন্য এজন আমেৰিকাৰ বিষয়া টাউনচেন্দ হেৰীয়ে চ'গ'নেটৰ লগত অন্য এক চুক্তি স্বাক্ষৰ কৰিছিল। এই চুক্তি হেৰীৰ চুক্তি নামেৰে জনাজাত। উপৰোক্ত চুক্তিসমূহৰ জৰিয়তে আমেৰিকাৰ চৰকাৰে জাপানত বহুতো বাণিজ্যিক সা-সুবিধা লাভ কৰিছিল। ১৮৫৪ চনত এক বৃটিছ নৌ বিষয়াই নাগচাকিত জাপান চৰকাৰৰ লগত এক চুক্তি স্বাক্ষৰ কৰিছিল। এই চুক্তিৰ জৰিয়তে বৃটিছ চৰকাৰে জাপানত বহুতো বাণিজ্যিক সা-সুবিধা লাভ কৰিছিল।

এনেদৰেই আৰম্ভণিৰে পৰা পশ্চিমীয়া শক্তিসমূহে জাপানৰ অকলশৰীয়া নীতিৰ অন্ত পেলায় জাপানৰ লগত প্রত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল।

২.৪.২ জাপানত বিদেশীসকলৰ বিৰুদ্ধে হিংসাত্মক ঘটনা

আৰম্ভণিৰে পৰাই যিহেতু জাপানে এক অকলশৰীয়া নীতি অনুকৰণ কৰিছিল গতিকে জাপানত বিদেশীসকলৰ আগমনক দেশভক্ত জাতীয়তাবাদী জাপানৰ লোকসকলে কেতিয়াও সহজভাৱে গ্রহণ কৰা নাছিল। গতিকে তেওঁলোকে বিদেশীসকলক জাপানৰপৰা বহিষ্কাৰ কৰিবলৈ চেষ্ট কৰিছিল। সমসাময়িকভাৱে দেশভক্ত জাপানৰ লোকসকলে জাপানত থকা বিদেশীসকলৰ বিৰুদ্ধে কিছুমান হিংসাত্মক কার্য্যকলাপ সংঘটিত কৰিছিল। ১৮৬১ চনৰ জানুৱাৰী মাহত মিষ্টাৰ হিউস্কেন নামৰ এজন আমেৰিকাৰ

নাগৰিকক দেশভক্ত জাপানৰ লোকসকলে হত্যা কৰিছিল। ১৮৬২ চনৰ ছেপ্তেম্বৰ মাহত চি. এল. ৰিচার্ডচন নামৰ হংকঙৰ পৰা অহা এজন বৃটিছ নাগৰিকক জাপানীসকলে হত্যা কৰিছিল। এনেবোৰ হিংসাত্মক ঘটনাৰ উত্তৰ হিচাপে ১৮৬৩ চনত বৃটিছে জাপানৰ কাগ'ছিমা নামৰ চৰহত বোমাবর্ষণ কৰিছিল। ১৮৬৪ চনত ইংলেণ্ড, ফ্রান্স, হলেণ্ড আৰু আমেৰিকাৰ এক মিনিত শক্তিয়ে জাপানৰ চিম'ন'চেকি নামৰ চহৰখনত বোমাবর্ষণ কৰিছিল। এই কথাই পশ্চিমীয়া সামৰিক শক্তিৰ শ্রেষ্ঠত্ব তথা জাপান চৰকাৰৰ দুর্বলতাৰ কথা প্রকাশ কৰিছিল। গতিকে জাপানৰ অধিকাংশ লোকেই পশ্চিমীয়া সভ্যতা গ্রহণ কৰি নিজৰ দেশখনক শক্তিশালী কৰাৰ মত পোষণ কৰিছিল যাতে জাপানে নিজকে সুৰক্ষা দিব পাৰে। সেই একে সময়তে জাপানত পশ্চিমীয়া শক্তিৰ বাঢ়ি অহা শক্তিয়ে লাহে লাহে চ'গ'নেটক অপ্রিয় কৰি তুলিছিল। এই কথাই অৱশেষত চ'গ'নেটৰ পতনত অৰিহণা যোগোৱাৰ লগতে জাপানত মেইজী পুনঃসংস্থাপনৰ বাট মুকলি কৰিছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জাপানৰ লোকসকলে নিজৰ দেশক কি নামেৰে সম্বোধন কৰিছিল ?

.....

প্রশ্ন নং ২ ঃ মিকাডোয়ে ক'ত বসবাস কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ চ'গ'নসকল কোন আছিল?

.....

প্রশ্ন নং ৪ ঃ জাপানৰ প্রথম চ'গ'নজন কোন আছিল।

.....

প্রশ্ন নং ৫ ঃ ট'ক'গুৱা চ'গ'নেটৰ প্রথম চ'গ'নজন কোন আছিল?

.....

প্রশ্ন নং ৬ ঃ ক'ম'ড'ৰ পেৰীৰ সম্পূর্ণ নামটো কি?

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে,

- চ'গ'ন আছিল জাপানৰ সম্রাটৰ মুখ্য সামৰিক বিষয়া। প্রথম চ'গ'ন আছিল য়'ৰিট'ম'। সম্রাটে তেওঁক ১১৯২ চনত চ'গ'নৰ উপাধি প্রদান কৰিছিল যাৰ অর্থ হৈছে "বর্বৰক

দমনকাৰী বিষয়া"। গতিকে সাধাৰণতে এই বছৰটিকে চ'গ'নেটৰ আৰম্ভণি হিচাপে গণ্য কৰা হয়। তাৰ পিছত য়'ৰিট'ম' দেশৰ সকলো সৈন্যবাহিনীৰ মুৰব্বী হৈ পৰিছিল আৰু তেওঁ নিজৰ ক্ষমতাৰ বৃদ্ধিৰ বাবে এই সৈন্যবাহিনীৰ পুনঃগঠন কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা শাসন ব্যৱস্থা বাকুফু নামেৰে জনাজাত যাৰ অৰ্থ হৈছে "সৈন্য বাহিনীৰ মুখ্য কাৰ্য্যালয়"। ইংৰাজীত ইয়াক চ'গ'নেট বুলি কোৱা হয়।

- ১৬০৩ চনত জাপানৰ বিখ্যাত ট'ক'গুৱা বংশই চ'গ'নেটৰ ক্ষমতাসমূহ হস্তগত কৰিছিল। ১৬০০ চনত চেকিগেহৰা যুদ্ধত ট'ক'গুৱা বংশৰ ইয়াচুয়ে তেঁওৰ পূৰ্বৱৰ্তী চ'গ'নজনক পৰাজিত কৰি ১৬০৩ চনত নিজকে চ'গ'ন বুলি ঘোষণা কৰিছিল। ১৬০৩ চনেই আছিল ট'ক'গুৱা চ'গ'নেটৰ আৰম্ভণি আৰু তেঁওলোকে ১৬০৩ চনৰপৰা ১৮৬৭ চনলৈকে জাপানত শাসন কৰিছিল।
- ট'ক'গুৱা চ'গনেটৰ শাসন ব্যৱস্থা ট'ক'গুৱা বাকুহান ব্যৱস্থা নামেৰে জনাজাত। এই ব্যৱস্থাৰ জৰিয়তে তেঁওলোকে ৰাজপ্ৰাসাদৰ ওপৰত সম্পূৰ্ণ আধিপত্য প্ৰতিষ্ঠা কৰিছিল আৰু সম্ৰাট তথা তেঁওৰ ৰাজকীয় বিষয়াসকলক এক মৰ্য্যাদাপূৰ্ণ জীৱন অতিৰাহিত কৰিবৰ বাবে এক নিৰ্দ্দিষ্ট সংখ্যক ৰাজহ প্ৰদান কৰা হৈছিল। ট'ক'গুৱা চ'গ'নেটৰ বিনা অনুমতিত কাকো সম্ৰাটক সাক্ষাৎ কৰিবলৈ দিয়া নহৈছিল। সম্ৰাটৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ তেওঁক কিয়'ট'ৰ ৰাজপ্ৰাসাদত বসবাস কৰিবলৈ দিয়া হৈছিল আৰু দেশৰ প্ৰশাসন ব্যৱস্থাত তেওঁক সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ দিয়া হোৱা নাছিল। এনেদৰেই সম্ৰাট শাসনৰ নামমাত্ৰ শাসক হৈ পৰিছিল। য়েদো অৰ্থাৎ বৰ্তমানৰ ট'কিয়'ত ট'ক'গুৱা চ'গ'নেটৰ ৰাজধানী স্থাপন কৰা হৈছিল আৰু ই চৰকাৰৰ প্ৰধান কেন্দ্ৰ হৈ পৰিছিল। য়েদোত চ'গ'নৰ বাবে এক বিশাল প্ৰাসাদ নিমাৰ্ণ কৰা হৈছিল। এনেদৰেই ট'ক'গুৱা চ'গ'নেটে শাসনৰ ক্ষমতাসমূহ নিজৰ হাতত কেন্দ্ৰীভূত কৰিছিল।
- ট'ক'গুৱা চ'গনেটৰ ক্ষমতা বহু পৰিমাণে উইমিঅ' আৰু চামুৰাই নামৰ সামন্তনেতাসকলৰ ওপৰত নিৰ্ভৰশীল আছিল। এই সামন্তনেতাসকল আছিল চ'গ'নৰ অধীনৰ সামৰিক বিষয়া। এনেদৰেই ট'ক'গুৱা চ'গ'নেটে জাপানত এক সামন্তবাদী সামৰিক প্ৰশাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল।
- জাপানত ট'ক'গুৱা চ'গ'নেটৰ পতনত বহুতো কাৰণে অৰিহনা যোগাইছিল। সেইবোৰৰ ভিতৰত প্ৰধান কাৰণসমূহ আছিল দেশত এক সুস্থিৰ অৰ্থনৈতিক ব্যৱস্থাৰ অভাৱ, জাপানৰ কৃষকসকলৰ দৰিদ্ৰতা তথা চ'গ'নেটৰ বিৰুদ্ধে তেঁওলোকৰ বিক্ষোভসমূহ, দেশত বণিক শ্ৰেণীৰ উত্থান, সামন্ত নেতাসকলৰ বাঢ়ি অহা ক্ষমতা তথা জাপানত পশ্চিমীয়া শক্তিসমূহৰ বাঢ়ি অহা বাণিজ্যিক কাৰ্য্যকলাপ ইত্যাদি। অৱশেষত ১৮৬৭ চনত ট'ক'গুৱা চ'গ'নেটে জাপানৰ সম্ৰাটৰ ওচৰত নিজৰ অধিকাৰসমূহ ত্যাগ বা আত্মসমৰ্পন কৰিছিল।
- যদিও জাপানে সদায়েই এক অকলশৰীয়া নীতি পালন কৰিছিল আৰু পৃথিৱীৰ অন্য দেশৰ লগত কোধেৰণৰ প্ৰত্যক্ষ সম্বন্ধ ৰাখিবলৈ বিচৰা নাছিল তথাপি আৰম্ভণিৰে পৰাই পশ্চিমীয়া দেশসমূহে জাপানৰ লগত প্ৰত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা

কৰিছিল। তেঁওলোকৰ ভিতৰত প্ৰধান আছিল ৰাছিয়া, আমেৰিকা, ইংলেণ্ড, ইত্যাদি বিভিন্ন সময়ত পশ্চিমীয়া দেশসমূহে চ'গ'নেটৰ লগত বিভিন্ন চুক্তি স্বাক্ষৰ কৰিছিল যাৰ জৰিয়তে তেঁওলোকে জাপানত বহুতো বাণিজ্যিক সা- সুবিধা লাভ কৰিছিল।

- ট'ক'গুৱা চ'গ'নেটৰ পতনৰ পিছত জাপানৰ লোকসকলে মুটছুহিটছ্ নামৰ এজন চৈধ্য বছৰীয়া ল'ৰাক ১৮৬৮ চনত য়েদোৰ সিংহাসনত অধিষ্ঠিত কৰিছিল। সিংহাসনত আৰোহণ কৰি নতুন সম্ৰাটে "মেইজী" উপাধি গ্ৰহণ কৰিছিল যাৰ অৰ্থ হৈছে "জ্ঞানদীপ্ত চৰকাৰ"। এই ঘটনা জাপানৰ ইতিহাসত মেইজী পুনঃ সংস্থাপন নামেৰে জনাজাত। মেইজীয়ে ১৯১২ চনলৈকে জাপানত শাসন কৰিছিল।



২.৬ অধিক জানিবলৈ

- Singh, A.K., (1984), *History of Far East in Modern Times,* Delhi-110007, Surjeet Publications,
- Vinacke, H.M., (1982), *A History of The Far East in Modern Times,* New Delhi, Kalyani Publications,
- David, M.D., *History of Modern Japan,* (First edition 1979), Bombay 400054, Himalaya Publishing House.



২.৭ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন উত্তৰ নং ১ ঃ নিপন

প্ৰশ্ন উত্তৰ নং ২ ঃ কিয়েট'ত থকা সম্ৰাট / মিকাডোৰ বাসভৱনত

প্ৰশ্ন উত্তৰ নং ৩ ঃ জাপানৰ সম্ৰাটৰ সামৰিক বিষয়া

প্ৰশ্ন উত্তৰ নং ৪ ঃ য়'ৰিট'ম'

প্ৰশ্ন উত্তৰ নং ৫ ঃ ইয়াচু

প্ৰশ্ন উত্তৰ নং ৬ ঃ ক'ম'ড'ৰ মেথিউ কলব্ৰেইথ পেৰী



২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন নং ১ ঃ কোন চনত জাপানত চ'গ'নেট গঠন কৰা হৈছিল?

প্রশ্ন নং ২ ঃ বাকুফুৰ অর্থ কি?

প্রশ্ন নং ৩ ঃ কোন চনত চেকিগেহৰা যুদ্ধ সংঘটিত হৈছিল?

প্রশ্ন নং ৪ ঃ ডাইমিঅ'সকল কোন আছিল?

প্রশ্ন নং ৫ ঃ কোন চনত জাপানত ট'ক'গুৱা চ'গ'নেটৰ শাসনৰ আৰম্ভণি হৈছিল।

প্রশ্ন নং ৬ ঃ কোন চনত জাপানত প্রথম বেংক প্রতিষ্ঠা কৰা হৈছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ মেইজী চৰকাৰৰ যিকোনো দুটা শিক্ষা সংস্কাৰৰ বিষয়ে লিখক।

প্রশ্ন নং ২ ঃ মেইজী সংবিধানৰ যিকোনো দুটা প্রকৃতিৰ বিষয়ে লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ জাপানত ট'ক'গুৱা চ'গ'নেটৰ প্রতিষ্ঠাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ জাপানত চ'গ'নেটৰ পতনত অৰিহণা যোগোৱা কাৰণসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ৩ ঃ মেইজী পুনঃ সংস্থাপন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মেইজী পুনঃ সংস্থাপন

৩.৪ আধুনিকতাৰ পথত জাপান

৩.৪.১ সামাজিক সংস্কাৰ

৩.৪.২ সামৰিক সংস্কাৰ

৩.৪.৩ অর্থনৈতিক সংস্কাৰ

৩.৫ মেইজী সংবিধান

৩.৫.১ সংবিধান ৰচনা প্ৰক্ৰিয়া

৩.৫.২ সংবিধানৰ মুখ্য প্ৰকৃতিসমূহ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জাপানত মেইজী পুনঃ সংস্থাপনৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- আধুনিকতাৰ পথত জাপানাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব,
- জাপানত সংবিধান ৰচনা প্ৰক্ৰিয়াৰ বিষয়ে আলোচন কৰিব পাৰিব
- মেইজী সংবিধানৰ ভিন্ন প্ৰকৃতিসমূহৰ বিশ্লেষণ কৰিব পাৰিব।

৩.২ পৰিচয়

জাপানৰ লোকসকলে তেওঁলোকৰ দেশখনক ‘নিপন’, অর্থাৎ ‘সূর্য উদয়ৰ দেশ’ হিচাপে অভিহিত কৰিছিল। বর্তমান সময়ত জাপান পৃথিৱীৰ এখন অতি উন্নত দেশ। জাপান ‘প্ৰাচ্যৰ ইংলেণ্ড’ হিচাপেও জনাজাত। কিন্তু উল্লেখযোগ্য যে ঊনৈশ শতিকাৰ মধ্যভাগলৈকে জাপানে এক অকলশৰীয়া নীতি গ্ৰহণ কৰিছিল আৰু বহিঃ বিশ্বৰ লগত কোনো ধৰণৰ প্ৰত্যক্ষ সম্পর্ক ৰাখিব বিচৰা নাছিল। কিন্তু পশ্চিমীয়া শক্তিসমূহে সদায়েই জাপানৰ লগত প্ৰত্যক্ষ বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। এনেকৈয়ে বহুতো পশ্চিমীয়া দেশৰ বণিক জাপানলৈ

আহিছিল আৰু লাহে লাহে জাপানৰ বন্ধ দুৱাৰ বিদেশী শক্তিৰ বাণিজ্যৰ বাবে মুকলি হৈ পৰিছিল। এনেদৰেই পশ্চিমীয়া ধাৰণাসমূহৰ জাপানত প্ৰৱেশ ঘটিছিল। এই পশ্চিমীয়া ধাৰণা সমূহ অনুকৰণ কৰি অতি সোনকালে এক আন্তঃৰাষ্ট্ৰীয় শক্তি হিচাপে জাপানৰ উত্থান ঘটিছিল আৰু আন্তঃ ৰাষ্ট্ৰীয় ৰাজনীতিত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই অধ্যায়টিত আমি এক সামন্তবাদী গোড়া দেশৰপৰা এক আন্তঃ ৰাষ্ট্ৰীয় শক্তি হিচাপে জাপানৰ উত্থানৰ বিষয়ে আলোচনা কৰিম।

৩.৩ মেইজী পুনঃসংস্থাপন

মেইজী পুনঃ সংস্থাপনৰ ঘটনাই জাপানৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ আসন আধিকাৰ কৰি আহিছে। এই ঘটনাই জাপানত এক নতুন যুগৰ সূচনা কৰিছিল। আমি ইতিমধ্যে আলোচনা কৰি আহিছো যে দিনে দিনে চ'গ'নেটৰ বাঢ়ি অহা অপ্ৰিয়তাই অৱশেষত ১৮৬৭ চনত চ'গ'নেটৰ শাসনৰ অন্ত পেলোৱাত অৰিহণা যোগাইছিল। তাৰ পিচত ১৮৬৮ চনত মুটছুহিটছ্ নামৰ এজন চৈধ্য বছৰীয়া ল'ৰাক য়েদোৰ সিংহাসনত অধিষ্ঠিত কৰা হৈছিল। শাসনত অধিষ্ঠিত হৈয়ে জাপানৰ নতুন সম্ৰাটে "মেইজী" উপাধি গ্ৰহণ কৰিছিলয যাৰ অৰ্থহৈছে "জ্ঞানদীপ্ত চৰকাৰ"। এই ঘটনা জাপানৰ ইতিহাসত মেইজী পুনঃসংস্থাপন নামেৰে জনাজাত। জাপানত মেইজীৰ শাসন ১৯১২ চনলৈকে চলিছিল।

মেইজী চৰকাৰৰ অধীনত জাপানৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত বহুতো সংস্কাৰ সাধন কৰা হৈছিল। যাৰ ফলস্বৰূপে জাপানৰ সমাজখন অতীতৰ অন্ধকাৰৰ পৰা ওলাই আহি পৃথিৱীৰ অন্য এক আগশাৰীৰ দেশ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল।

জাপানৰ নতুন সম্ৰাটে দেশৰ জনসাধাৰণৰ উন্নতি তথা সুখ-সমৃদ্ধিৰ বাবে শাসন কৰিছিল। ১৮৬৮ চনত সিংহাসনত আৰোহণ কৰাৰ পিছত মেইজীয়ে য়েদোক দেশৰ নতুন ৰাজনীতি হিচাপে ঘোষণা কৰিছিল যি বৰ্তমান ট'কিয়' নামেৰে জনাজাত। আৰু নতুন ৰাজধানীৰ পৰাই সম্ৰাটে তেওঁৰ বিখ্যাত "সাম্ৰাজ্যবাদী প্ৰতিজ্ঞ" ১৮৬৮ চনৰ, ৬ এপ্ৰিলত ঘোষণা কৰিছিল। এই প্ৰতিজ্ঞা পত্ৰখন "চাৰ্টাৰ ওথ" বা "চনদ প্ৰতিজ্ঞা" নামেৰেও জনাজাত। এই চনদ খনেই জাপানৰ নতুন শাসন ব্যৱস্থাৰ ভেটি স্বৰূপ আছিল।



জানি থোৱা ভাল

চনদ প্ৰতিজ্ঞাৰ মূল দফাসমূহ আছিল-

- সিদ্ধান্তসমূহ জনমতৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা হ'ব।
- দেশৰ সকলো শ্ৰেণীৰ লোকক একত্ৰিত কৰি জাপানৰ ঐক্য স্থাপন কৰা হ'ব।
- পুৰণিকলীয়া ৰীতি-নীতিসমূহ আঁতৰোৱা হ'ব।

- বিশ্বৰ আগশাৰীৰ দেশসমূহৰ পৰা জ্ঞান আহৰণ কৰা হ'ব।
- দেশৰ প্ৰশাসন সুচাৰুৰূপে চলাবৰ বাবে সম্ৰাটক উপদেশ দিবলৈ এখন উপদেষ্ট কমিটী গঠন কৰা হ'ব।
- দেশৰ সামগ্ৰিক উন্নয়ণৰ বাবে নতুন চৰকাৰে বহুতো সংস্কাৰমূলক কাৰ্য্যসূচী গ্ৰহণ কৰিব।
- সমাজৰ সকলো শ্ৰেণীৰ লোকে তেওঁলোকৰ প্ৰয়োজন পূৰণৰ সুবিধা পাব।

চনদ প্ৰতিজ্ঞা প্ৰকাশ কৰাৰ পিছত, দেশৰ আভ্যন্তৰীণ অৱস্থাৰ পুনৰ গঠনৰ বাবে মেইজীয়ে বহুতো সংস্কাৰমূলক কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে ১৮৬৯ চনৰ ভিতৰত দেশৰ সকলো শক্তিশালী গোষ্ঠীয়ে তেঁওলোকৰ ক্ষমতাসমূহ সম্ৰাটৰ ওচৰত আত্মসৰ্মপণ কৰিছিল। তাৰ পিছত এখন আইনৰ জৰিয়তে মেইজীয়ে ১৮৭১ চনত সামন্তবাদৰ অন্ত পেলায় জাপানত এক কেন্দ্ৰীভূত শাসনৰ প্ৰৱৰ্তন কৰে। তাৰ পিছত সামন্ত নেতাসকলক তথা ডাইমিঅ'সকলক তেঁওলোকৰ পুৰণা সা- সুবিধাসমূহৰ পৰা বঞ্চিত কৰা হৈছিল আৰু তেঁওলোকক তেঁওলোকৰ অঞ্চলৰপৰা সংগৃহীত ৰাজহৰ এক দশমাংশ বাৰ্ষিক পেন্সন হিচাপে দিয়া হৈছিল এনেদৰেই মেইজী পুনঃসংস্থাপনে জাপানৰ ইতিহাসত উন্নতি আৰু সফলতাৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছিল।

জানি থোৱা ভাল



জাপানৰ চাৰিটা শক্তিশালী গোষ্ঠী আছিল চাতচুমা, চ'ছু, হিজেন আৰু ট'ছা। চ'গ'নেটৰ বিৰুদ্ধে বিদ্ৰোহ কৰি জাপানত মেইজী পুনঃসংস্থাপনত এই গোষ্ঠীসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। চ'গ'নেটৰ প্ৰত্যাহাৰৰ পিছত স্বঃ ইচ্ছাই এই গোষ্ঠীসমূহে ১৮৬৯ চনত তেঁওলোকৰ অধিকাৰ তথা ক্ষমতাসমূহ সম্ৰাটৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। এই গোষ্ঠীসমূহক ট'কিয়'ত থাকিবলৈ মেইজীয়ে অনুমতি দিছিল।

৩.৪ আধুনিকতাৰ পথত জাপান

মেইজী চৰকাৰৰ অধীনত জাপানে এক আধুনিক যুগত প্ৰৱেশ কৰিছিল। পশ্চিমীয়াকৰণ আৰু আধুনিকতাৰ নীতি গ্ৰহণ কৰি মেইজী চৰকাৰে জাপানক পৃথিৱীৰ অন্য এক আগশাৰীৰ দেশ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছিল। মেইজী পুনঃ সংস্থাপনৰ পিছত, জাপানৰ সামাজিক, সামৰিক আৰু অৰ্থনৈতিক দিশত বহুতো সংস্কাৰ তথা পৰিৱৰ্তন সাধন কৰা হৈছিল যাৰ ফলস্বৰূপে অতি সোনকালে এক আন্তঃৰাষ্ট্ৰীয় শক্তি হিচাপে জাপানৰ উত্থাপ ঘটিছিল আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ই এক গুৰুত্বপূৰ্ণ আসন লাভ কৰিছিল।

৩.৪.১ সামাজিক সংস্কাৰ

মেইজী চৰকাৰৰ এক প্ৰধান সফলতা হৈছে জাপানৰ সামাজিক দিশত সাধন কৰা সংস্কাৰসমূহ যাৰ জৰিয়তে জাপানৰ সমাজত আধুনিকতাৰ প্ৰৱেশ ঘটিছিল। ইতিমধ্যে আমি আলোচনা কৰি আহিছো যে ১৮৭১ চনত মেইজীয়ে জাপানত সামন্তবাদৰ অন্ত পেলাইছিল। সামন্তবাদৰ প্ৰত্যাহাৰে পৰোক্ষভাৱে জাপানত এক নতুন সামাজিক গাঁথনিৰ সৃষ্টি হোৱাত আৰিহণা যোগাইছিল। এই নতুন সামাজিক গাঁথনিত দেশৰ সকলো শ্ৰেণীৰ লোককে সমকক্ষ হিচাপে জ্ঞান কৰা হৈছিল। সামন্তবাদৰ প্ৰত্যাহাৰ দেশৰ কৃষকসকলৰ বাবে যথেষ্ট লাভজনক আছিল কাৰণ তেঁওলোকে সামন্তনেতাসকলৰ কৰ্তৃত্বৰ পৰা মুক্ত হৈ এক স্বাধীন জীৱন যাপন কৰিব পাৰিছিল। ইয়াৰ উপৰিও মেইজী চৰকাৰে মাটিৰ গুণাগুণ অনুসৰি কৃষকৰপৰা নগদ টকাৰ মাধ্যমত কৰ সংগ্ৰহ কৰিছিল। লগতে কৃষকসকলক তেঁওলোকৰ অধিকৃত মাটি নিজৰ লগত ৰক্ষাৰ বা বিক্ৰী কৰাৰ অধিকাৰ দিয়া হৈছিল।

মেইজী চৰকাৰে দেশৰ শিক্ষা- ব্যৱস্থাৰো বহুতো সংস্কাৰ সাধন কৰিছিল। ইমান দিনে দেশৰ শিক্ষা ব্যৱস্থা কেৱল নামমাত্ৰ সাধন কৰিছিল। ইমান দিনে দেশৰ শিক্ষা ব্যৱস্থা কেৱল নামমাত্ৰ সম্ভান্ত লোকৰ বাবেহে মুকলি আছিল। কিন্তু ১৮৬৮ চনৰ চনদ প্ৰতিজ্ঞাৰ জৰিয়তে মেইজী চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত থকা সকলো বাধা-নিষেধ আঁতৰ কৰিছিল কাৰণ সম্ৰাটে অনুভৱ কৰিছিল যে শিক্ষা ব্যৱস্থাৰ পুনঃগঠন নকৰাগে সমাজৰ প্ৰকৃত উন্নতি সম্ভাৱ নহয়। নতুন চৰকাৰে যিকোনো উৎসৰপৰা জ্ঞান আহৰণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৮৭১ চনত জাপানত এক শিক্ষা-বিভাগ স্থাপন কৰা হৈছিল আৰু এক নতুন আইনৰ জৰিয়তে জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে দেশৰ সকলো লোককে শিক্ষা গ্ৰহণৰ অধিকাৰ দিয়া হৈছিল। ১৮৮২ চনত আমেৰিকাৰ আৰ্হিত জাপানত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল যাৰ জৰিয়তে ছয় বছৰ বয়সৰ সকলো শিশুৰ বাবে চাৰি বছৰীয়া পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ বাধ্যতামূলক কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক বিশ্ববিদ্যালয়ৰ উচ্চ পৰ্য্যায়ৰ শিক্ষাৰ বাবে প্ৰস্তুত কৰিবলৈ দেশত মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। মাধ্যমিক পৰ্য্যায়ত ল'ৰা-ছোৱালীক পৃথক পৃথককৈ শিক্ষা দিয়া হৈছিল ভৱিষ্যত জীৱনত তেঁওলোকে সমাজত পালন কৰিব লগীয়া ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি। ছোৱালীসকলক এগৰাকী ভাল পত্নী তথা মাতৃহোৱাৰ শিক্ষা দিয়া হৈছিল। কিন্তু ১৯০২ চনলৈকে উচ্চ শিক্ষা কেৱল মাত্ৰ ল'ৰাৰ মাজতে সীমাবদ্ধ আছিল। শিক্ষক সকলৰ প্ৰশিক্ষণৰ বাবে বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছিল। জাপানৰ উঠি অহা যুৱ-প্ৰজন্মক পশ্চিমীয়া আৰ্হিত ব্যৱসায় আৰু বাণিজ্যিৰ প্ৰশিক্ষণ দিবৰ বাবে দেশত বাণিজ্যিক বিদ্যালয়ও স্থাপন কৰা হৈছিল। নিজাববীয়াকৈ জাপানত শিক্ষানুষ্ঠান স্থাপন কৰিবৰ বাবে খ্ৰীষ্টান মিছনাৰীসকলক অনুমতি দিয়া হৈছিল। পশ্চিমীয়া দেশৰ পৰা শিক্ষক-শিক্ষয়িত্ৰীক জাপানলৈ আমন্ত্ৰণ

কৰা হৈছিল। মেইজী প্ৰশাসনে পশ্চিমীয়া বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অধ্যয়ণৰো পৃষ্ঠপেষকতা কৰিছিল। বিজ্ঞান- প্ৰযুক্তিবিদ্যা, ইতিহাস, ৰাজনীতি বিজ্ঞান আদি বিষয়ৰ ওপৰত পশ্চিমীয়া ভাষাত ৰচিত বিভিন্ন গ্ৰন্থ জাপানী ভাষালৈ অনুবাদ কৰা হৈছিল। জাপানৰ যুৱ-প্ৰজন্মক উচ্চ-শিক্ষা প্ৰদান কৰিবৰ বাবে ইউৰোপীয় আৰ্হিত জাপানত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। উচ্চ-শিক্ষা গ্ৰহণ কৰিবৰ বাবে জাপানৰ বহু যুৱকক পশ্চিমীয়া দেশসমূহলৈ পঠোৱা হৈছিল।

মেইজী শাসনৰ অধীনত জাপানত ধৰ্মীয় দিশতো পৰিৱৰ্তন সাধন কৰা হৈছিল। জাপানত পূৰ্বৰ ধৰ্মীয় পৰম্পৰা পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল। জাপানৰ লোকসকলে ধৰ্ম আৰু ৰাষ্ট্ৰক এক হিচাপে জ্ঞান কৰিছিল। তেঁওলোকৰ মতে জাপানৰ সম্ৰাট দেশ শাসন কৰিবৰ বাবে পোনপটীয়াকৈ স্বৰ্গৰ পৰা পৃথিৱীলৈ আহে। গতিকে জাপানৰ সম্ৰাটজনেই ধৰ্মীয় দিশৰো মুৰব্বী আছিল। সম্ৰাট আৰু তেঁওৰ পূৰ্বপুৰুষসকলক পূজা- অৰ্চনা কৰা পদ্ধতিক "চিন্ত প্ৰথা" হিচাপে জনা যায়। চিন্ত প্ৰথাৰ উপৰিও দেশত অন্যান্য ধৰ্ম বিশেষকৈ খ্ৰীষ্টান ধৰ্ম স্বাধীনভাৱে প্ৰচলিত আছিল।

জাপানৰ সম্ৰাট দেশৰ আইনৰ ক্ষেত্ৰতো সংস্কাৰ সাধন কৰিছিল। চৰকাৰে ফ্ৰান্স আৰু ৰাছিয়াৰ আৰ্হিত জাপানত নতুন আদালত কিছুমান স্থাপন কৰিছিল। পুৰণি আইন ব্যৱস্থাৰ অধীনত থকা কঠোৰ শাস্তিসমূহ প্ৰত্যাহাৰ কৰা হৈছিল। জাৰ্মানীৰ বাণিজ্যিক আইন আৰু ফ্ৰান্সৰ ফৌজদাৰী আইন জাপানত প্ৰৱৰ্তন কৰা হৈছিল। বিচাৰকসকলক ভাল ব্যৱহাৰ আৰু সম্পূৰ্ণ জীৱন সেৱা আগবঢ়াবৰ বাবে উপযুক্ত প্ৰশিক্ষণ দিয়া হৈছিল।

এনেকৈয়ে মেইজী চৰকাৰৰ অধীনত জাপানৰ সমাজ আধুনিকতাৰ দিশত অগ্ৰসৰ হৈছিল।



জানি থোৱা ভাল

মেইজী চৰকাৰৰ অধীনত জাপানত চিন্ত প্ৰথাৰ পুনৰ প্ৰচলন কৰা হৈছিল। চিন্ত পূজাৰ বাবে দেশৰ বিভিন্ন অংশত বেদী নিৰ্মাণ কৰা হৈছিল আৰু সেই ঠাইলৈ বিদ্যালয় পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল যোৱাটো বাধ্যতামূলক আছিল। অসামৰিক আৰু সামৰিক সকলো লোকেই সেই ঠাইসমূহ দৰ্শন কৰিব পাৰিছিল।

৩.৪.২ সামৰিক সংস্কাৰ

দেশৰ সামৰিক প্ৰশাসন ব্যৱস্থাৰ পুনৰ গঠন কৰিবৰ বাবে মেইজী চৰকাৰে বহুতো সংস্কাৰ সাধন কৰিছিল। পুৰণি সামন্তবাদী সৈন্যবাহিনীৰ ঠাইত নতুন জাতীয় সেনাবাহিনী গঠন কৰা হৈছিল। দেশত সামন্তবাদ প্ৰত্যাহাৰ কৰাৰ লগে লগে ট'ক'গুৱা চ'গ'নেটৰ অধীনত থকা ডাইমিঅ', চামুৰাই আদি সামৰিক শ্ৰেণীক তেওঁলোকৰ সামৰিক ক্ষমতাৰ

পৰা বহিষ্কাৰ কৰা হৈছিল। গতিকে নতুন সম্ৰাটে দেশত এক জাতীয় সেনা-বাহিনী গঠন কৰিছিল, য'ত দেশৰ সকলো শ্ৰেণীৰ মাজৰে পৰাই সৈন্য নিয়োগ কৰা হৈছিল। পুৰণি চামুৰাই পৰিয়ালৰ মাজৰ পৰাও কিছু সৈন্য জাতীয় সৈন্যবাহিনীত নিয়োগ কৰা হৈছিল। কিন্তু যিহেতু সকলোকে নতুন সৈন্যবাহিনীত নিয়োগ কৰাতো সম্ভৱপৰ নাছিল গতিকে তেওঁলোকে জীৱিকা নিৰ্বাহৰ বাবে অন্য পন্থা যেনে ব্যৱসায়ত মনোনিৱেশ কৰিছিল। ১৮৭৩ চনত জাৰ্মান দেশৰ আৰ্হিত জাপানৰ সৈন্য বাহিনীৰ পুনঃগঠন কৰা হৈছিল আৰু তাক পৰিদৰ্শন কৰিবৰ বাবে ফ্ৰান্স আৰু জাৰ্মানীৰ অভিজ্ঞ উপদেষ্টা নিয়োগ কৰা হৈছিল। জাপানৰ নৌ-শক্তি পুনৰ গঠন কৰিবৰ বাবে ইংলেণ্ডৰ নৌ বিষয়াৰ পৰা সহায় লোৱা হৈছিল। এনেদৰেই পশ্চিমীয়া শক্তিৰ সহায় সহযোগত মেইজী চৰকাৰে জাপানৰ সামৰিক বাহিনীৰ পুনঃগঠন কৰিছিল।

৩.৩.৩ অৰ্থনৈতিক সংস্কাৰ

মেইজী প্ৰশাসনে জাপানৰ আভ্যন্তৰীণ অৰ্থনৈতিক ব্যৱস্থাৰ পুনৰ গঠন কৰিছিল। মেইজী চৰকাৰে বিদেশৰ পৰা ঋণ লোৱা বা সহায় লোৱাৰ পোষকতা কৰা নাছিল। তাৰ পৰিৱৰ্তে নিজৰ দেশক আত্মনিৰ্ভৰশীল কৰিবৰ বাবে মেইজী চৰকাৰে পশ্চিমীয়া আৰ্হিত জাপানত উদ্যোগ স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। দেশত থকা নিজাববীয়া উদ্যোগসমূহক অনুপ্ৰেৰণা যোগোৱা হৈছিল। জাপানৰ লোকসকলৰ প্ৰয়োজন পূৰণৰ বাবে দেশত বস্ত্ৰ উদ্যোগ, কাগজ উদ্যোগ আৰু অন্যান্য কাৰখানা স্থাপন কৰা হৈছিল। বিদেশী প্ৰযুক্তিবিদৰ সহায়ত জাপানত নতুন নতুন খনি কিছুমান আৱিষ্কাৰ কৰা হৈছিল। দেশত ব্যৱসায়- বাণিজ্য সুকলমে পৰিচালনা কৰিবৰ বাবে পোনপ্ৰথমবাৰৰ বাবে ট'কিঅ' আৰু য'ক'হামাৰ মাজত ১৮৭২ চনত ৰেলপথ মুকলি কৰা হৈছিল। ১৮৭১ চনত জাপানত ডাক বিভাগ আৰু টেলিগ্ৰাফ বিভাগ স্থাপন কৰা হৈছিল। ১৮৭৩ চনত জাপানত খনি বিভাগ স্থাপন কৰা হৈছিল। দেশৰ অৰ্থনীতিৰ উন্নতিৰ বাবে ১৮৮২ চনত আমেৰিকাৰ আৰ্হিত জাপানত জাতীয় বেংক প্ৰতিষ্ঠী কৰা হৈছিল। ১৮৮২ চনত জাপানত কেন্দ্ৰীয় বেংক গঠন কৰা হৈছিলা জাপানৰ বৈদেশীক বাণিজ্যত অৰ্থ বিনিয়োগ কৰিবৰ বাবে ১৮৮৭চনত দেশত য'ক'হামা বিশেষ বেংক গঠন কৰা হৈছিল।

মেইজী প্ৰশাসনে জাপানত এক উমৈহতীয়া ৰাষ্ট্ৰীয় মুদ্ৰা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। তাৰ আগতে জাপানৰ ৰাষ্ট্ৰীয় মুদ্ৰা ব্যৱস্থাত কোনো ধৰণৰ সামঞ্জস্য নাছিল আৰু সকলো সামন্তবাদী নেতাই নিজে মুদ্ৰা তৈয়াৰ কৰিব পাৰিছিল। কিন্তু মেইজীয়ে এক উমৈহতীয়া মুদ্ৰা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰি পুৰণি ব্যৱস্থাৰ আঁসোৱাহ সমূহ দূৰ কৰিছিল। লগতে জাপানত ডাক সঞ্চয়ৰো ব্যৱস্থা কৰা হৈছিল।

এনেদৰেই মেইজী প্ৰশাসনৰ অধীনত জাপানত এক ধৰণৰ উদ্যোগিক বিপ্লৱৰ সূচনা হৈছিল যাৰ ফলত এক উদ্যোগিক শক্তি হিচাপে জাপানৰ উত্থাপ ঘটিছিল।

অগ্রগতিৰ নীৰিক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক

প্ৰশ্ন ১ঃ কোন চনত প্ৰথমবাৰৰ বাবে টকীঅ' আৰু য়োকোহামাৰ মাজত ৰেল লাইনৰ শুভাৰম্ভ কৰা হৈছিল?

.....

প্ৰশ্ন ২ঃ জাপানৰ সামৰিক ব্যৱস্থা কোন দেশৰ আৰ্হিৰে পুনঃ গঠন কৰা হৈছিল?

.....

প্ৰশ্ন ৩ঃ কোন চনত টেলিগ্ৰাফ ব্যৱস্থাৰ প্ৰতিষ্ঠান কৰা হৈছিল?

.....

৩.৪ মেইজী সংবিধান

১৮৬৮ চনৰ চনদ প্ৰতিজ্ঞাৰ জৰিয়তে মেইজীয়ে দেশৰ প্ৰশাসন ব্যৱস্থাৰ সুকলমে পৰিচালনাৰ বাবে দেশত এক সাংবিধানিক অনুষ্ঠান প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতি পূৰণৰ বাবে ১৮৬৮ চনত নতুন সম্ৰাটে চীনদেশৰ আৰ্হিত জাপানত এক মন্ত্ৰী পৰিষদ গঠন কৰিছিল। ১৮৭৪ চনত অভিজাত সকলৰ প্ৰতিনিধি আৰু আমোলা সকলক লৈ জাপানত এখন চিনেট গঠন কৰা হৈছিল। চিনেট গঠনৰ অন্তৰালৰ মুখ্য উদ্দেশ্য আছিল সম্ৰাটৰ বৰ্দ্ধিত ক্ষমতাৰ ওপৰত নিয়ন্ত্ৰণ ৰক্ষা কৰা। ১৮৮০ চনত প্ৰাদেশিক বিধান সভাসমূহ গঠন কৰা হৈছিল। ইতিমধ্যে জাপানত বহুতো ৰাজনৈতিক দলৰ উত্থান ঘটিছিল। সংসদীয় পদ্ধতিৰ চৰকাৰৰ গঠন আৰু ৰাজনৈতিক দলৰ উত্থানে জাপানত এক সংবিধান ৰচনাৰ প্ৰয়োজনীয়তা অধিক কৰি তুলিছিল। অৱশেষত জাপানৰ বাবে এখন সংবিধান ৰচনা কৰা হৈছিল আৰু ১৮৮৯ চনৰ ১১ ফেব্ৰুৱাৰীত সংবিধানখন কাৰ্য্যকৰী কৰা হৈছিল।

জানি থোৱা ভাল



১৮৮২ চনৰ ভিতৰত জাপানত প্ৰায় তিনিটা ৰাজনৈতিক দল আছিল। উদাৰবাদী দল ইটাগাকিয়ে ১৮৮১ চনত প্ৰতিষ্ঠা কৰিছিল। এই দলে এক সদনযুক্ত বিধানমণ্ডল, সাৰ্বজনীন ভোটাধিকাৰ আৰু এক শক্তিশালী বৈদেশীক নীতিৰ পোষকতা কৰিছিল। ১৮৮২ চনত অকুমাই প্ৰগতিশীল দল গঠন কৰিছিল। এই দলে এক দ্বি-সদনযুক্ত বিধানমণ্ডল, সীমিত ভোটাধিকাৰ আৰু ইংলেণ্ডৰ আৰ্হিত জাপানত এক সীমিত সাংবিধানিক ৰাজতন্ত্ৰ গঠনৰ পোষকতা কৰিছিল। ফুকুচি গেনিচিৰ'য়ে সাংবিধানিক সাম্ৰাজ্যবাদী দল নামৰ এক নতুন দল গঠন কৰিছিল আৰু এই দলে ৰাজতন্ত্ৰ আৰু প্ৰুছিয়াৰ আৰ্হিত জাপানত এক সংবিধান ৰচনাৰ পৃষ্ঠপোষকতা কৰিছিল।

৩.৪.১ সংবিধান ৰচনা প্ৰক্ৰিয়া

জাপানৰ সংসদীয় চৰকাৰে দেশৰ বাবে এখন নতুন সংবিধান ৰচনাৰ প্ৰয়োজনীয়তা অধিক কৰি তুলিছিল। দেশৰ নতুন সংবিধানখন ৰচনা কৰাৰ আগে আগে মেইজী চৰকাৰে পশ্চিমীয়া দেশসমূহত সেই সময়ত থকা ৰাজনৈতিক ব্যৱস্থাসমূহ অধ্যয়ন কৰিব বিচাৰিছিল। সেইবাবে চৰকাৰে হেৰ'ভূমিৰ নেতৃত্বক এক সাংবিধানিক পৰ্য্যবেক্ষণ আয়োগ গঠন কৰিছিল। হেৰ'ভূমি কাউণ্ট ইটো নামেৰেও জনাজাত। ইটোয়ে পশ্চিমীয়া দেশসমূহত থকা বিভিন্ন সংবিধানসমূহ অধ্যয়ন কৰিবৰ বাবে সেই দেশসমূহ ভ্ৰমণ কৰিছিল। তেওঁৰ ভ্ৰমণৰ অন্তত ইটোৱে সিদ্ধান্ত গ্ৰহণ কৰিছিল যে প্ৰুছিয়াৰ সংবিধানৰ আৰ্হি জাপানৰ বাবে অধিক ফলদায়ক হ'ব। ১৮৮৪ চনত তেঁও জাপানলৈ ঘূৰি আহিছিল আৰু অতি সোনকালে জাপানৰ চৰকাৰে তেওঁক দেশৰ বাবে এক নতুন সংবিধান ৰচনাৰ দায়িত্ব অৰ্পন কৰিছিল। এই কাৰ্য্যত ইটোক তিনিজন ৰাজকীয় বিষয়াই সহায় কৰিছিল। তেঁওলোক আছিল ইন'য়ি চুয়'চি, ইটো ম'য়ুজি আৰু কানেক' কেনটাৰ'। সংবিধানখন ৰচনা হোৱাৰ পিছত জাপানৰ প্ৰিভি কাউন্সিলে ইয়াক অনুমোদন জনাইছিল। উল্লেখযোগ্য যে উক্ত কামৰ বাবে জাপানত সেই প্ৰিভি কাউন্সিলখন গঠন কৰা হৈছিল। অৱশেষত ১৮৮৯ চনৰ ১১ ফেব্ৰুৱাৰীত এক আনুষ্ঠানিক সভাত সম্ৰাটে জাপানৰ লোকসকলক এক ৰাজকীয় উপহাৰ হিচাপে নতুন সংবিধানখন প্ৰদান কৰিছিল। এই নতুন সংবিধানৰ জৰিয়তে জাপানত সাংবিধানিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল।

৩.৪.২ সংবিধানৰ মুখ্য প্ৰকৃতি সমূহ

জাপানৰ নতুন সংবিধানে সম্ৰাটৰ ক্ষমতা আৰু কাৰ্য্যাৱলী নিশ্চিত কৰি দিছিল। ইয়াৰ উপৰিও সম্ৰাটক প্ৰদান কৰা ঐশ্বৰিকতা আৰু জনসাধাৰণে তেওঁক কোনো কথাতে প্ৰশ্ন সুধিব নোৱাৰা আদিৰ বিষয়েও সংবিধানত উল্লেখ কৰা আছিল। তেঁওক প্ৰশাসন আৰু সৈন্যবাহিনীৰ মুখ্য অধিপতি হিচাপে ঘোষণা কৰা হৈছিল। সামৰিক আৰু নৌ-বাহিনীৰ মুৰব্বী হিচাপে সম্ৰাটৰ বিদেশীসকলৰ লগত যুদ্ধ ঘোষণা কৰা আৰু শান্তি স্থাপন কৰাৰ পূৰ্ণ অধিকাৰ আছিল। ইয়াৰ উপৰিও ডায়েট আহ্বান কৰা, প্ৰতিনিধি সভা ভংগ কৰা, বিষয়া আৰু বিচাৰক সকলক নিয়োগ কৰা বা বহিষ্কৃত কৰা, আধিসূচনা জাৰি কৰা বা চুক্তি স্বাক্ষৰ কৰা ইত্যাদি অধিকাৰো সম্ৰাটৰ আছিল। পৰামৰ্শদাতা কমিটী যেনে, প্ৰিভি কাউন্সিল, মন্ত্ৰী পৰিষদ তথা সেনা আৰু নৌ-বাহিনীৰ শীৰ্ষ বিষয়াসকলৰ সহযোগত সম্ৰাটে তেওঁৰ সাংবিধানিক ক্ষমতাসমূহ পালন কৰিছিল। এই বিষয়াসকল সম্পূৰ্ণৰূপে সম্ৰাটৰ ওচৰত দায়বদ্ধ আছিল।

নতুন সংবিধানে দেশৰ বাবে এক দ্বি-সদনযুক্ত বিধানমণ্ডলৰ ব্যৱস্থা কৰিছিল যাক ডায়েট বোলা হৈছিল। ডায়েটত দুখন সদন আছিল। এখন আছিল হাউচ অৱ পিয়েৰ আৰু

আনখন আছিল প্রতিনিধিসকলৰ সভা। হাউচ অৱ পিয়েৰ আছিল উচ্চ সদন আৰু এই সদন ৰাজকোঁৱৰ তথা শক্তি শালী সামন্ত নেতা সকলৰ প্রতিনিধিসকলৰ দ্বাৰা গঠিত হৈছিল। তেওঁলোকক সাত বছৰৰ বাবে মনোনীত কৰা হৈছিল। ইয়াৰ উপৰিও দেশলৈ আগবঢ়োৱা বিশেষ সেৱাৰ বাবে সম্রাটে কিছুসংখ্যক লোকক এই সদনলৈ মনোনীত কৰিছিল। উচ্চ সদন যথেষ্ট অভিজাতত্রান্তিক তথা ৰক্ষণশীল প্রকৃতিৰ আছিল। এই সদন গঠনৰ মুখ্য উদ্দেশ্য আছিল প্রতিনিধি সভাৰ অতি উদাৰবাদী সিদ্ধান্ত সমূহৰ ওপৰত চোকা দৃষ্টি ৰখা। প্রতিনিধি সভা আছিল ডায়েটৰ নিম্ন সদন। দেশৰ জনসাধাৰণৰ দ্বাৰা নির্বাচিত প্রতিনিধিক লৈ এই সভা গঠিত হৈছিল। আৰম্ভনিতে এই সদনত তিনিশ সদস্য আছিল কিন্তু পিছলৈ সদস্যসংখ্যা ১৯০০ চনত ৩৮০ জনলৈ আৰু ১৯২৫ চনাত ৪৬৬ লৈ বৃদ্ধি পাইছিল। ১৯২৫ চনলৈকে দেশৰ কেৱল ধনীশ্রেণীৰ লোককহে ভোটাধিকাৰ দিয়া হৈছিল। কিন্তু ৰজ্বাচপ্ত চনত সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰ প্রৱর্তন কৰি এই প্রতিবন্ধকতা আঁতৰ কৰা হৈছিল। দুয়োখন সদনৰ গৰিষ্ঠসংখ্যক সদস্যৰ অনুমোদন সাপেক্ষে আইনসমূহ গৃহীত কৰা হৈছিল। কিন্তু এই ক্ষেত্রত সম্রাটক "ভেটো" ক্ষমতা দিয়া হৈছিল। বিত্তীয় বিষয়ৰ বাহিৰে আন সকলো বিষয়তে সংসদৰ দুয়োখন সদনেই সমান ক্ষমতা লাভ কৰিছিল। বিত্তীয় বিষয় কেৱল নিম্ন সদনতহে উত্থাপন কৰিব পৰা গৈছিল। কিন্তু ৰাষ্ট্রীয় অর্থনীতিৰ ওপৰত নিম্ন সদনৰ সীমিত অধিকাৰহে আছিল। ৰাজপ্রসাদৰ খৰচৰ ওপৰত ডায়েটৰ কোনো অধিকাৰ নাছিল।

সামৰিক বাহিনীৰ লোকসকলেও দেশৰ প্রশাসনত সক্রিয় অংশ গ্রহণ কৰিছিল। ইয়াৰ উপৰিও সংবিধানৰ বাহিৰত এনে বহুতো লোক তথা সভা আছিল যি দেশৰ প্রশাসনত সক্রিয় অংশ গ্রহণ কৰিছিল। তেওঁলোকৰ ভিতৰত প্রধান গুৰুত্বপূর্ণ আছিল জেনৰ'ৰ দ্বাৰা গঠিত সভা। ১৯৪০ চনত এই সভাৰ শেষৰজন জীৱিত সদস্য চাইয়'নাজিৰ মৃত্যু হোৱাৰ লগে লগে এই সভাৰ অন্ত পৰিছিল।

সম্রাটক নিজৰ দায়িত্বসমূহ পালনত সহায় কৰিবৰ বাবে এজন সভাপতি, এজন উপ-সভাপতি আৰু চব্বিছজন সদস্যকলৈ এখন প্রিভি কাউন্সিল গঠন কৰা হৈছিল। তেওঁলোকৰ সকলোকে সম্রাটে নিয়োগ কৰিছিল। ইয়াৰ উপৰিও প্রশাসনিক বিষয়ত সম্রাটক সহায় কৰিবৰ বাবে এখন কেবিনেট গঠন কৰা হৈছিল।

জাপানৰ সংবিধানে দেশত আইন-শৃংখলা বজাই ৰাখিবৰ বাবে এক শক্তিশালী আইন ব্যৱস্থাৰ প্রৱর্তন কৰিছিল। সংবিধানে স্পষ্টভাৱে দেশৰ নাগৰিক সকলৰ অধিকাৰ আৰু দায়িত্ব থিৰাং কৰি দিছিল আৰু এই অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণ কৰা তথা জনসাধাৰণে নিজৰ দায়িত্বসমূহ সূচাৰুৰূপে পালন কৰিছে নে নাই তাক নিৰীক্ষণ কৰিবৰ বাবে জাপানত আদালত গঠন কৰা হৈছিল। বে-আইনীভাৱে কাকো গ্রেপ্তাৰ কৰিব পৰা নগৈছিল। বিধিসম্মত ভাৱে গ্রেপ্তাৰ কৰা লোকসকলক বৈধভাৱে নিয়োগ কৰা বিচাৰকসকলেহে বিচাৰ কৰিছিল।

ইয়াৰ উপৰিও জাপানৰ সংবিধানে দেশৰ নাগৰিকসকলক বাক্-স্বাধীনতা, ধর্মীয় স্বাধীনতা আৰু এনেলগে একে ঠাইতে সমবেত হোৱাৰ স্বাধীনতা প্রদান কৰিছিল।

উচ্চসদন আৰু নিম্নসদনৰ সহযোগত সম্রাটে সংবিধান সংশোধন কৰিব পাৰিছিল।

এনেদৰেই জাপানত সাংবিধানিক ৰাজতন্ত্র প্রতিষ্ঠা কৰা হৈছিল। আৰু অতি সোনকালে জাপান এক আন্তঃৰাষ্ট্রীয় শক্তি হিচাপে প্রতিষ্ঠিত হৈছিল আৰু ই আন্তঃৰাষ্ট্রীয় ৰাজনীতিত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ কোন চনত মেইজীয়ে জাপানৰ সিংহাসনত আৰোহণ কৰিছিল?

.....

প্রশ্ন নং ৮ ঃ "মেইজী" অর্থ কি?

.....

প্রশ্ন নং ৯ ঃ কোন চনত জাপানত চিনেট গঠন কৰা হৈছিল?

.....

প্রশ্ন নং ১০ ঃ কোন চনত জাপানত সংবিধানখন কার্য্যকৰী কৰা হৈছিল?

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- মেইজী পুনঃ সংস্থাপনৰ পিছত জাপানত বহুতো সামাজিক, সামৰিক আৰু অর্থনৈতিক সংস্কাৰ সাধন কৰা হৈছিল, যাৰ ফলস্বৰূপে অতি সোনকালে জাপান এক আন্তঃৰাষ্ট্রীয় শক্তি হিচাপে প্রতিষ্ঠিত হৈছিল আৰু আন্তঃৰাষ্ট্রীয় ৰাজনীতিত ই এক বিশেষ আসন অধিকাৰ কৰিছিল। ১৮৭১ চনত এক চৰকাৰী চনদৰ জৰিয়তে জাপানত সামন্তবাদৰ অন্ত পেলোৱা হৈছিল।
- পুনঃ সংস্থাপনৰ পিছত মেইজীয়ে দেশৰ শাসন ব্যৱস্থা সুকলমে পৰিচালিত কৰিবৰ বাবে দেশত এক সাবিধানিক প্রতিষ্ঠান প্রতিষ্ঠা কৰাৰ প্রতিশ্রুতি দিছিল। সেই প্রতি শ্রুতি অনুসৰি ১৮৬৮ চনত চীন দেশৰ আর্হিত নতুন সম্রাটে জাপানত এক মন্ত্রী পৰিষদ গঠন কৰিছিল। ১৮৭৪ চনত অভিজাতসকলৰ প্রতিনিধি আৰু আমোলাসকলক লৈ জাপানত এক চিনেট গঠন কৰা হৈছিল। চিনেট গঠনৰ মুখ্য উদ্দেশ্য আছিল সম্রাটৰ বাঢ়ি অহা ক্ষমতাৰ ওপৰত নিয়ন্ত্রণ ৰক্ষা কৰা। ১৮৮০ চনত প্রাদেশিক বিধানসভাসমূহ গঠন কৰা হৈছিল। ইতিমধ্যে জাপানত বহুতো ৰাজনৈতিক দলৰ উত্থান ঘটিছিল। সংসদীয় পদ্ধতিৰ চৰকাৰ গঠন আৰু

ৰাজনৈতিক দলৰ উত্থানে জাপানত এক সংবিধান ৰচনাৰ প্ৰয়োজনীয়তা আধিক কৰি তুলিছিল। অৱশেষত জাপানৰ বাবে এখন সংবিধান ৰচনা কৰা হৈছিল আৰু ১৮৮৯ চনৰ ১১ ফেব্ৰুৱাৰীত ইয়াক কার্য্যকৰী কৰা হৈছিল।

- চৰকাৰে ইটো হেৰ'ভূমিৰ নেতৃত্বত এক সাংবিধানিক পর্য্যবেক্ষণ আয়োগ গঠন কৰিছিল। হেৰ'ভূমি কাউণ্ট ইটো নামেৰেও জনাজাত। এই আয়োগ গঠনৰ প্ৰধান উদ্দেশ্য আছিল জাপানৰ সংবিধান ৰচনা কৰাৰ আগে আগে পশ্চিমীয়া দেশসমূহত সেই সময়ত থকা ৰাজনৈতিক ব্যৱস্থাসমূহ অধ্যয়ণ কৰা। ইটোয়ে পশ্চিমীয়া দেশসমূহত থকা বিভিন্ন সংবিধানসমূহ অধ্যায়ন কৰিবৰ বাবে সেই দেশসমূহ ভ্ৰমণ কৰিছিল আৰু ভ্ৰমণৰ অন্তত তেওঁ থিৰাং কৰিছিল যে প্ৰুছিয়াৰ সংবিধানৰ আৰ্হি জাপানৰ বাবে অধিক ফলদায়ক হ'ব। তাৰ পিছত তিনিজন বিষয়াৰ সহযোগত ইটোয়ে জাপানৰ সংবিধানখন ৰচনা কৰিছিল যাক প্ৰিভি কাউন্সিলে অনুমোদন জনাইছিল। অৱশেষত ১৮৮৯ চনৰ ৰৰ ফেব্ৰুৱাৰীত এক আনুষ্ঠানিক সভাত সম্ৰাটে জাপানৰ লোকসকলক এক ৰাজকীয় উপহাৰ হিচাপে নতুন সংবিধানখন প্ৰদান কৰিছিল। এই নতুন সংবিধানে জাপানত এক সাংবিধানিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল।
- জাপানৰ নতুন সংবিধানে সম্ৰাটৰ ক্ষমতা আৰু কার্য্যাৱলী নিশ্চিত কৰি দিছিল। ইয়াৰ উপৰিও সম্ৰাটক প্ৰদান কৰা ঐশ্বৰিকতা আৰু জনসাধাৰণে তেঁওক কোনো কথাতে প্ৰশ্ন সুধিব নোৱাৰা আদিৰ বিষয়েও সংবিধানত উল্লেখ কৰা আছিল। নতুন সংবিধানে দেশৰ বাবে এক দ্বি-সদনযুক্ত বিধানমণ্ডলৰ ব্যৱস্থা কৰিছিল যাক ডায়েট বুলি কোৱা হৈছিল। ডায়েটৰ এখন সদন আছিল হাউচ্ অৱ পিয়েৰ বা উচ্চ সদন আৰু আনখন আছিল প্ৰতিনিধি সভা বা নিম্ন সদন।
- দেশৰ সামৰিক বাহিনীৰ লোকসকলেও দেশৰ প্ৰশাসনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও জেনৰ'য়েও সম্ৰাটক তেওঁৰ দায়িত্বসমূহ পালন কৰাত সহায় কৰিছিল। সংবিধানে দেশত আইন আৰু শৃংখলা বজাই ৰাখিবৰ বাবে এক শক্তিশালী আইন ব্যৱস্থাৰ প্ৰৱর্তন কৰিছিল। এনেদৰেই জাপানত এক সাংবিধানিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল আৰু অতি সোনকালে এক আন্তঃৰাষ্ট্ৰীয় শক্তি হিচাপে জাপানৰ উত্থান ঘটিছিল আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।



৩.৬ অধিক জানিবলৈ

- Singh, A.K., (1984), *History of Far East in Modern Times,* Delhi-110007, Surjeet Publications,
- Vinacke, H.M., (1982), *A History of The Far East in Modern Times,* New Delhi, Kalyani Publications,
- David, M.D., *History of Modern Japan,* (First edition 1979), Bombay 400054, Himalaya Publishing House.

৩.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন উত্তৰ নং ১ ঃ ১৮৭২

প্রশ্ন উত্তৰ নং ২ ঃ জার্মানী

প্রশ্ন উত্তৰ নং ৩ ঃ ১৮৭১

প্রশ্ন উত্তৰ নং ৪ ঃ ১৮৬৮

প্রশ্ন উত্তৰ নং ৫ ঃ জ্ঞানদীপ্ত চৰকাৰ

প্রশ্ন উত্তৰ নং ৬ ঃ ১৮৭৪

প্রশ্ন উত্তৰ নং ৭ ঃ ১৮৮৯ চনৰ ১১ ফেব্রুৱাৰীত

৩.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ কোন চনত জাপানত চ'গ'নেট গঠন কৰা হৈছিল?

প্রশ্ন নং ২ ঃ কোন ঠাইৰ পৰা চনদ প্রতিজ্ঞা প্রকাশ কৰা হৈছিল?

প্রশ্ন নং ৩ ঃ কোন চনত জাপানত প্রথম বেংক প্রতিষ্ঠা কৰা হৈছিল?

প্রশ্ন নং ৪ ঃ জাপানে আইন ব্যৱস্থা পুনঃ গঠন কোন দেশৰ আৰ্হিৰে কৰিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ঃ 'চনদ প্রতিজ্ঞা বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ জাপানৰ সংবিধান প্রণয়ন প্রক্রিয়াৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন নং ৩ ঃ মেইজী চৰকাৰ শিক্ষামূলক সংস্কাৰৰ বিষয়ে উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ জাপানত মেইজী পুনঃসংস্থাপনৰ বিষয়ে লিখক। জাপানত মেইজী শাসনৰ অধীনত সাধন কৰা বিভিন্ন সংস্কাৰসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ জাপানৰ সংবিধানৰ মুখ্য প্রকৃতিসমূহৰ বিষয়ে আলোচনা কৰক।

* * * * *

অধ্যায় ৪ ঃ সাম্রাজ্যবাদী শক্তিৰূপে জাপান (JAPAN AS AN IMPERIAL POWER)

অধ্যায় গাঠনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ চীন-জাপান সম্পর্ক
৪.৪ এংলো-জাপান মিত্রতা
৪.৫ ৰাছিয়া-জাপান যুদ্ধ
৪.৬ মানচুৰিয়াৰ সংকট
৪.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ নিৰীক্ষণ
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- চীন-জাপানৰ সম্পর্ক আলোচনা কৰিব পাৰিব।
- এংলো-জাপান যুদ্ধৰ বিষয়ে জানিব পাৰিব।
- ৰাছিয়া-জাপান যুদ্ধৰ বিষয়ে জানিব পাৰিব।
- মানচুৰিয়াৰ সংকট আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

জাপানত আধুনিকতাৰ সফল জয়যাত্রা, অর্থনৈতিক উন্নতি আৰু সামৰিক উত্থানে ভৌগলিক সম্প্রসাৰণৰ আঁচনি ল'বলৈ উৎসাহ প্রদান কৰিছিল। ইয়াৰ লগতে জাপানত জনসংখ্যাৰ বৃদ্ধি আছিল এইক্ষেত্রত অন্যতম কাৰক। দেশখনত নতুনকৈ প্রতিষ্ঠা হোৱা উদ্যোগসমূহ উৎপাদিত সামগ্রীৰ বাবে অতিৰিক্ত বজাৰৰ প্রয়োজন হৈছিল। সেইবাবে নিজকে এক সাম্রাজ্যবাদী শক্তিৰূপে গঢ়ি তুলিবলৈ জাপানে এক অত্যুৎসাহী বৈদেশিক নীতি গ্রহণ কৰিছিল। এই অধ্যায়ত আমি এক সাম্রাজ্যবাদী শক্তিৰূপে জাপান-এই বিষয়ে আলোচনা কৰিম।

৪.৩ চীন-জাপান সম্পর্ক

চীন আৰু জাপান উভয়ে সুদুৰ পূৰ প্রান্তৰ দেশ হোৱা স্বত্তেও দুয়োখন দেশৰ মাজৰ সম্পর্ক আছিল পূৰ আৰু পশ্চিমৰ দৰে। এক বৃহত্তৰ ভৌগলিক পৰিসীমাৰে দৈত্যাকৃতিৰ চীনৰ সন্মুখত জাপান এক খর্বকায় বাওনা সদৃশ আছিল। ১৯ শতিকাৰ প্রথমার্ধৰ শেষলৈকে চীনে

জাপানক নিজৰ ওচৰত সেও মানি থকা দেশৰূপে অৱজ্ঞাসূচক দৃষ্টিৰে চাইছিল। কিন্তু চীনৰ এই উচাত্মিকাবোধ দীৰ্ঘসময়ৰ বাবে বৰ্তি নাথাকিল। সঘন আভ্যন্তৰীণ বিদ্রোহ আৰু বিদেশী আক্রমণে চীনৰ স্থিতি দুৰ্বল কৰি পেলাইছিল। যিসময়ত চীনে আভ্যন্তৰীণ আৰু বহিঃ সংঘাতত জুৰুলা হৈ পৰিছিল তেতিয়াই জাপানে পশ্চিমৰ মুক্ত সংস্কাৰমূলক পদক্ষেপক অনুকৰণ কৰি নিজৰ ঘৰুৱা স্থিতি সুশৃংখলাৱদ্ধ কৰি তুলিছিল। পশ্চিমীয়া আদৱ-কায়দাত অভ্যস্ত জাপানে নিজকে শক্তি আৰু মানৰ ক্ষেত্রত বিদেশী শক্তিৰ সমান বুলি ধাৰণা কৰিবলৈ লয়। সেইবাবে বিদেশী শক্তিসমূহৰ দৰেই জাপানে চীনৰ পৰা সৰ্বাধিক আগ্রহ আদায় কৰি দেশখনৰ সৈতে এক আনুষ্ঠানিক সম্পৰ্ক স্থাপন কৰিব বিচাৰিছিল আৰু লগতে চীনত মুক্তভাৱে বিচৰণ কৰাৰ অধিকাৰো বিচাৰিছিল। কিন্তু প্রথম অৱস্থাত জাপানৰ এই দাবীসমূহ নস্যাৎ কৰা হৈছিল।

১৮৭১ চনত কাউণ্ট ইট'ৰ নেতৃত্বত ব্যৱসায় আৰু বন্ধুত্বৰ বতৰা লৈ চীনলৈ জাপানে এক দল প্রেৰণ কৰে। চীনৰ প্রতিনিধি লি হাং চাঙৰ সৈতে ইট'ই কিছু এৰা-ধৰা কৰি অৱশেষত ১৮৭১ চনত টিয়েনছিনত বন্ধুত্ব আৰু মৈত্রীৰ এক চুক্তি সম্পন্ন কৰে। উভয় দেশে পৰস্পৰৰ ভৌগলিক পৰিসীমাত আগ্রাসী ভূমিকা গ্রহণ নকৰাৰ সিদ্ধান্ত লোৱা হৈছিল এই চুক্তিত। তৃতীয় শক্তিৰ আক্রমণৰ সময়ত পৰস্পৰে পৰস্পৰক সহায় কৰাৰো সিদ্ধান্ত লোৱা হৈছিল চুক্তিখনৰ মাধ্যমত। কিন্তু 'সৰ্বাধিক আগ্রহ আদায়কাৰী' দেশৰ নীতিৰ ক্ষেত্রত চীন-জাপানৰ মত পাৰ্থক্য আছিল। জাপানৰ সপক্ষে এই নীতি প্রৱৰ্তন কৰিবলৈ চীনে অস্বীকাৰ কৰিছিল।

মেইজি পুনৰ সংস্থাপনৰ দ্বাৰা জাপানে এক সাম্রাজ্য গঢ়াৰ সংকল্প লয়। সামৰিকভাৱে শক্তিশালী হোৱাৰ বাবে জাপানে চীনক ১৮৯৪-৯৫ চনত পৰাস্ত নকৰে। অৱশ্যে ইউৰোপীয় শক্তিৰ হস্তক্ষেপৰ বাবে জাপানে লিয়'টাং ব-দ্বীপ দখল কৰিব পৰা নাছিল। ১৯০৪-১৯০৫ চনত জাপানে ৰাছিয়াক পৰাভূত কৰি চাখেছন, দেইৰাণ, আৰ্থাৰ বন্দৰৰ পট্টা আৰু লিয়'টাঙৰ এটা অংশ দখল কৰে। কিন্তু তথাপিও লিয়'টাং দখলৰ সপোন এতিয়াও আছিল সুদূৰ পৰাহত। ক্রমাৎ জাপানে কোৰিয়াৰ ভিতৰভাগত প্রৱেশ কৰি মানচু�ৰিয়াৰ প্রতি দৃষ্টি নিক্ষেপ কৰে। পৰ্টছ মাউথৰ চুক্তি অনুসৰি চীনা সাম্রাজ্যৰ সংহতি ৰক্ষা কৰিবলৈ জাপান প্রতিশ্রুতিবদ্ধ আছিল যদিও অৰ্থনৈতিক সম্প্রসাৰণৰ বাবেই ই মানচুৰিয়া দখল কৰিব বিচাৰিছিল। চূড়ান্ত কূটনৈতিকতাৰ পৰিচয় দি জাপানে ৰাছিয়াৰ সৈতে এনে এক চুক্তি সম্পন্ন কৰে যাৰ দ্বাৰা দক্ষিণ মানচুৰিয়াত জাপানৰ প্রভাৱক স্বীকৃতি প্রদান কৰা হয় আৰু জাপানে দক্ষিণ মানচুৰিয়াত ৰেল পথ নিৰ্মাণ আৰম্ভ কৰে।

চীনৰ সৈতে জাপানৰ সম্পৰ্কত প্রভাৱ পেলোৱা দুটা প্রধান দিশ আছিল কোৰিয়া আৰু মানচুৰিয়া। এই দুই ভূ-খণ্ডৰ ক্ষেত্রত উভয় দেশৰে নিজা স্বাৰ্থ নিহিত হৈ আছিল। প্রকৃততে এই দুটা দিশেই বিংশ শতিকাৰ আৰম্ভনিৰ সময়ছোৱাত চীন আৰু জাপানৰ সম্পৰ্ক নিৰ্ধাৰণ কৰিছিল। পৰৱৰ্তী শিতানত আমি এই সন্দৰ্ভত আলোচনা কৰিম।

৪.৪ এংলো-জাপান মিত্রতা

১৯০২ চনত স্বাক্ষৰ হোৱা এংলো-জাপান মিত্রতাৰ চুক্তি প্রকৃততে আছিল আধুনিক সময়ৰ অন্যতম কূটনৈতিক পৰিঘটনা। এই অসামান্য মিত্রতাৰ বাবে বহুকেইটা কাৰণ দায়ী আছিল।

প্ৰথমতে চীন-জাপান যুদ্ধৰ সময়ৰ পৰা জাপানে সুদুৰ পূৱ প্ৰান্তত নিজৰ স্থিতি সৱল কৰিবলৈ সক্ষম হৈছিল যদিও নিজা স্বাৰ্থজড়িত পশ্চিমীয়া শক্তিসমূহৰ হস্তক্ষেপে ইয়াৰ লক্ষ্য পূৰণত বাধাৰ সৃষ্টি কৰিছিল। ৰাছিয়াৰ ক্ৰমাৎ অগ্ৰগতি আৰু কোৰিয়াৰ ক্ষেত্ৰত ৰাছিয়াই অধিক গুৰুত্ব দিবলৈ লোৱাৰ বাবে জাপান চিন্তিত হৈ পৰিছিল।

দ্বিতীয়তে জাপানৰ ভিতৰতো দুই শ্ৰেণীৰ লোক আছিল ইয়াৰে এচাম আছিল কাউণ্ট ইট'ৰ নেতৃত্বত ৰাছিয়াৰ সপক্ষে থকা দল যাৰ যুক্তি আছিল ৰাছিয়াৰ সৈতে এক সৌহাদ্যমূলক চুক্তি কৰিব লাগে যি চুক্তিৰ দ্বাৰা চিৰদিনলৈ মানচুৰিয়াৰ ওপৰত ৰাছিয়াৰ একমাত্ৰ অধিকাৰ জাপানে স্বীকাৰ কৰিব আৰু ইয়াৰ বিনিময়ত ৰাছিয়াই কোৰিয়াৰ ওপৰত জাপানৰ অধিকাৰক স্বীকৃতি দিব। দ্বিতীয় পক্ষটো আছিল কাউণ্ট হাছিৰ নেতৃত্বত ইংৰাজসকলৰ সপক্ষে থকা দল আৰু এইটো পক্ষই ৰাছিয়াক সমূলি বিশ্বাস কৰা নাছিল আৰু মত পোষণ কৰিছিল যে মানচুৰিয়া আৰু কোৰিয়াত ৰাছিয়াৰ অগ্ৰগতিক বাধা দিবলৈ জাপানে ইংলেণ্ডৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰা উচিত।

তৃতীয়তে চীনা সাম্ৰাজ্য ক্ৰমাৎ থান-বান হ'বলৈ ধৰাত ইংলেণ্ড সচকিত হৈ পৰিছিল আৰু লগতে বিংশ শতিকাৰ আৰম্ভণিত ইংলেণ্ডে এক মিত্ৰৰ সন্ধান কৰিছিল। ১৯ শতিকাৰ শেষভাগলৈকে ইংলেণ্ডে এক অকলশৰীয়া নীতি গ্ৰহণ কৰিছিল। কিন্তু বিংশ শতিকাৰ আৰম্ভণিতে দেশখনে অনুভৱ কৰিলে যে নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ হ'লে অকলশৰীয়া হৈ থকাটো উচিত নহ'ব। সুদূৰ পূৱৰ দৃশ্যপট ক্ৰমাৎ সলনি হ'বলৈ ধৰিছিল আৰু সেয়ে প্ৰশান্ত মহাসাগৰীয় এলেকাত নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ ইউৰোপীয় শক্তিসমূহে প্ৰশান্ত মহাসাগৰীয় শক্তিসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰিব বিচাৰিছিল। জাপান এক প্ৰভাৱশালী শক্তিৰূপে পৰিগণিত হৈছিল। কিন্তু ইংলেণ্ডৰ দৃষ্টিভংগীত জাপান তেওঁলোকৰ শত্ৰু নাছিল। সেইবাবে এই প্ৰান্তত ৰাছিয়াৰ প্ৰভাৱ হ্ৰাস কৰাৰ লগতে ৰাছিয়াৰ পৰা হ'বলগীয়া বিপদৰ আশংকা নিৰ্মূল কৰিবলৈ কূটনৈতিক কৌশলৰ পৰিচয় দি ১৯০২ চনৰ জানুৱাৰী মাহত এংলো-জাপান মিত্ৰতাৰ চুক্তিত স্বাক্ষৰ কৰে ইংলেণ্ডে।

মিত্ৰতাৰ এই চুক্তিত উল্লেখ কৰা হৈছিল শান্তি বৰ্তাই ৰখা, দুয়োখন দেশৰ মাজত স্থিতাৱস্থা বাহাল ৰখা আৰু চীন তথা কোৰিয়াৰ ভৌগলিক সংহতি ৰক্ষা কৰা। দ্বিতীয়তে দুয়োখন দেশে চীনৰ ক্ষেত্ৰত নিজৰ বিশেষ আগ্ৰহ আৰু কোৰিয়াৰ প্ৰতি জাপানৰ বিশেষ আগ্ৰহক স্বীকৃতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে লগতে এইক্ষেত্ৰত স্পষ্ট নিৰ্দেশনা আছিল যে দুয়োখন দেশে আগ্ৰাসী ভূমিকা গ্ৰহণ নকৰে। নিজৰ নিজৰ স্থিতি ৰক্ষা কৰিবলৈ দুয়োখন দেশ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। তৃতীয়তে যদিহে তৃতীয় আৰু চতুৰ্থ শক্তিয়ে একলগ হৈ যিকোনো এখন দেশৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হয় তেনেহ'লে ইখনে সিখনৰ সপক্ষে থিয় দিব। চতুৰ্থতে চুক্তি হৈছিল যে পৰস্পৰৰ পৰামৰ্শ নোলোৱাকৈ আন শক্তিৰ সৈতে কোনো এখন দেশে এনে কোনো চুক্তিত স্বাক্ষৰ কৰিব নোৱাৰিব যাৰ দ্বাৰা ইখন দেশৰ স্বাৰ্থ বিঘ্নিত হয়। এই চুক্তিৰ ম্যাদ প্ৰথমে ১৯০৮ চনত আৰু তাৰ পিছত ১৯১১ চনত দহবছৰৰ বাবে বৃদ্ধি কৰা হয়।

এংলো-জাপান চুক্তিৰ প্ৰভাৱ ঃ

এংলো-জাপান চুক্তিৰ প্ৰভাৱ আছিল সুদুৰপ্ৰসাৰী। সুদূৰ পূৱত জাপানক মুক্তহস্ত কৰি তুলিছিল চুক্তিখনে। চীনৰ মুক্ত দ্বাৰ নীতি আৰু কোৰিয়াৰ ক্ষেত্ৰত জাপানৰ বিশেষ আগ্ৰহে স্বীকৃতি লাভ কৰিছিল। লগতে ই ত্ৰিশক্তিৰ হস্তক্ষেপ বন্ধ কৰিছিল কাৰণ ৰাছিয়াক সমৰ্থন কৰি জাৰ্মানীয়ে ব্ৰিটেইনক অসন্তুষ্ট কৰিব বিচৰা নাছিল আৰু ৰাছিয়াক সহায় কৰিবলৈ ফ্ৰান্স অকলে সমৰ্থ নাছিল। গতিকে কূটনৈতিকভাৱে ৰাছিয়া অকলশৰীয়া হৈ পৰিছিল আৰু এইবাবেই জাপানে ১৯০৪-০৫ চনৰ ৰাছিয়া-জাপান যুদ্ধত ৰাছিয়াক বেয়াকৈ পৰাস্ত কৰিবলৈ সক্ষম হৈছিল। লগতে ব্ৰিটেইনৰ সহায় লৈ চীনৰ মুলভূমিত জাপানে নিজৰ স্থিতি সৱল কৰি তুলিব পাৰিছিল। ৰাছিয়াই লীজত লোৱা ভু-খণ্ড দখল কৰি মানচুৰিয়াতো নিজৰ দখল শক্তিশালী কৰি তুলিছিল জাপানে। আনহাতে কোৰিয়াৰ ক্ষেত্ৰত জাপানৰ আগ্ৰহক ব্ৰিটেইনে স্বীকৃতি দিয়াৰ বাবে ১৯১০ চনত জাপানে কোৰিয়া দখল কৰিব পাৰিছিল। এনেদৰে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত এংলো-জাপান সম্পৰ্কই এক নতুন দিগন্তৰ সূচনা কৰিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ১ ঃ কাউণ্ট ইটৰ নেতৃত্বত জাপানে কোন চনত অভিযান চলাইছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ এংলো-জাপান চুক্তি কোন চনত স্বাক্ষৰ হৈছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ এংলো-জাপান চুক্তিৰ সময়ত ইংলেণ্ডৰ সপক্ষে থকা জাপানীসকলৰ গোটৰ নেতৃত্বত কোন আছিল?

.....

.....

৪.৫ ৰাছিয়া-জাপান যুদ্ধ

সুদুৰ পূৱৰ অন্নভাণ্ডাৰ মানচুৰিয়া কাঠ আৰু খনিজ সম্পদত চহকী হোৱাৰ বাবে ইয়াৰ ওপৰত ৰাছিয়া আৰু জাপান উভয়ৰে চকু আছিল। চীন-জাপান যুদ্ধৰ পৰৱৰ্তী সময়ত ব্যক্তিগত স্বাৰ্থ ৰক্ষাৰ লৰা-ঢপৰাত জাপানক নিজৰ সাফল্যৰ ফল উপভোগ কৰাত বাধা প্ৰদান কৰিছিল ৰাছিয়াই। জাপানৰ বাবে আন ভয়ংকৰ কথা আছিল শ্বিম'নেছকিৰ চুক্তিৰ দ্বাৰা জাপানে লাভ কৰা অঞ্চলটোৰ এটা ঘাটিক চীনৰ পৰা ৰক্ষণা-বেক্ষণ দিছিল ৰাছিয়াই। লগতে মানচুৰিয়াৰ পৰা ভলাডিভষ্টকলৈ এটা ৰেলপথ নিৰ্মাণৰ অধিকাৰো ৰাছিয়াই নিজৰ হাতলৈ আনিছিল। এনেধৰনৰ

দিশবোৰে মানচুৰিয়াত ৰাছিয়াক এক দমনকাৰী শক্তিৰূপে চিহ্নিত কৰিছিল যাৰ জড়িয়তে কোৰিয়াত জাপানৰ স্বার্থত দেশখনে আঘাত হনাৰ আশংকাই দেখা দিছিল।

পর্ট আর্থুৰত ৰাছিয়াই দীর্ঘদিনৰ পৰা বিচাৰি থকা বৰফমুক্ত এটা বন্দৰ লাভ কৰিছিল যিটো জাপানে পূৰ প্ৰান্তত এক শক্তিশালী নৌ-সেনাৰ ঘাটিৰূপে গঢ়ি তোলাৰ বাবে ৰক্ষণা-বেক্ষণ দি আহিছিল। ইয়াৰ পৰৱর্তী সময়ত বকছাৰৰ অশান্ত পৰিস্থিতিৰ সুবিধা গ্ৰহণ কৰি ৰাছিয়াই মানচুৰিয়াত নিজৰ ৰেলপথ আৰু নাগৰিকসকলৰ সুৰক্ষাৰ চলেৰে সেনাবাহিনী প্ৰেৰণ কৰিছিল। মানচুৰিয়াত ৰাছিয়াৰ এই কার্যকলাপে জাপানক সচকিত কৰি তুলিছিল। সেইবাবে মানচুৰিয়াত নিজৰ স্বার্থৰক্ষা আৰু কোৰিয়াত নিজৰ স্থান ধৰি ৰাখিবলৈ ৰাছিয়াৰ সৈতে জাপানে এক চুক্তি কৰিব বিচাৰিছিল।

পূর্বৰ শিতানত আমি উল্লেখ কৰিছিলো যে ৰাছিয়াৰ আগ্ৰাসনৰ সম্ভাৱনাত ব্ৰিটেইন চিন্তিত হৈ পৰাৰ বাবে ১৯০২ চনত এংলো-জাপান চুক্তি স্বাক্ষৰ হৈছিল যাৰ দ্বাৰা জাপানৰ সন্মান আৰু ক্ষমতা বাঢ়ি গৈছিল। জাপানৰ স্থান এইক্ষেত্ৰত সুৰক্ষিত হৈছিল কিয়নো কিবা কাৰণত যদি জাপান আৰু ৰাছিয়াৰ মাজত যুদ্ধ হয় তেনেহ'লে ব্ৰিটেইনৰ সৈতে যুদ্ধৰ আশংকাত তৃতীয় কোনো শক্তিয়ে ৰাছিয়াক সহায় কৰাৰ সম্ভাৱনা মষিমূৰ হৈছিল।

ৰাছিয়াৰ সৈতে যুদ্ধত লিপ্ত হোৱাৰ ক্ষেত্ৰত জাপানত জনমত দুটা ভাগত বিভক্ত হৈছিল। ১৯০৩ চনৰ জুলাইত ৰাছিয়াৰ সৈতে বুজাপৰাৰ প্ৰচেষ্টা বিফল হোৱাৰ পিছতে জাপানী কেবিনেটে যুদ্ধৰ সিদ্ধান্ত লৈছিল। আনহাতে ৰাছিয়াতো যুদ্ধ মন্ত্ৰ্যালয়ে আগ্ৰাসী নীতিৰ সিদ্ধান্ত লৈছিল। ৰাছিয়াৰ জাৰেও এইক্ষেত্ৰত সন্মতি প্ৰদান কৰিছিল।



জানি থোৱা ভাল

বকছাৰ বিদ্রোহৰ তিনি বছৰ পিছত কোৰিয়া আৰু মানচুৰিয়াত আন আন সমস্যাই দেখা দিছিল। সেইবাবে ১৯০৩ চনত জাপানে ৰাছিয়াৰ সৈতে প্ৰথম বুজাপৰালৈ আহিবলৈ চেষ্টা কৰি সমস্যাৰ সমাধান কৰিবলৈ বিচাৰিছিল। জাপানে প্ৰস্তাৱ আগবঢ়াইছিল যে, ক) চীন আৰু কোৰিয়াৰ স্বাধীনতা আৰু ভৌগলিক সংহতিক দুয়োখন দেশে সন্মান জনাব আৰু এই দেশদুখনত মুক্তদ্বাৰ নীতি গ্ৰহণ কৰিব, খ) কোৰিয়াত জাপানৰ বিশেষ স্বার্থক ৰাছিয়াই স্বীকৃতি প্ৰদান কৰিব আৰু ইয়াৰ বিনিময়ত মানচুৰিয়াত ৰাছিয়াৰ বিশেষ আগ্ৰহক জাপানে সন্মান জনাব।

গতিকে মানচুৰিয়াত ৰাছিয়াৰ আগ্ৰাসনে কেৱল জাপানকে নহয় ইউৰোপীয় শক্তিসমূহকো চিন্তিত কৰি তুলিছিল। মানচুৰিয়াৰ পৰা নিজৰ সৈন্যদল আতৰাই নিবলৈ বাৰে বাৰে অনুৰোধ কৰা স্বত্তেও ইয়াক উপেক্ষা কৰিছিল ৰাছিয়াই। ৰাছিয়াৰ এনে মানসিকতা এংলো-জাপান চুক্তিৰ বাবে প্ৰত্যহ্বান স্বৰূপ হৈ পৰিছিল। পৰিস্থিতি অধিক বেয়ালৈ ঢাল খায় যেতিয়া চীনে ৰাছিয়াক মানচুৰিয়া ত্যাগ কৰিবলৈ কোৱা স্বত্তেও ৰাছিয়ালৈ ইয়ালৈ কর্ণপাত নকৰি কাঠ কটাৰ অনুজ্ঞাপত্ৰৰ ম্যাদ উকলি যোৱাৰ পিছতো য়ালু নদীৰ পাৰলৈ এটা সৈন্য দলক কাঠ কাটি অনাৰ উদ্দেশ্যৰে প্ৰেৰণ কৰিছিল। কোৰিয়াত নিজৰ বিশেষ আগ্ৰহ প্ৰকাশ কৰা জাপানে ৰাছিয়াৰ এই কার্যকলাপৰ ঘোৰ বিৰোধিতা কৰিছিল।

একেসময়তে ৰাছিয়াৰ সৈতে জাপানে বুজাপৰালৈ আহিবলৈ মানচুৰিয়াত ৰাছিয়াৰ বিশেষ আগ্রহক স্বীকৃতি দিবলৈ বিচৰাৰ লগতে ইয়াৰ বিনিময়ত কোৰিয়াত জাপানৰ বিশেষ আগ্রহক গণ্য কৰাৰ প্রস্তাৱ দিছিল। কিন্তু এই বুজাপৰাৰ প্রচেষ্টা ব্যর্থ হোৱাত জাপানে যুদ্ধৰ সিদ্ধান্ত গ্রহণ কৰে। ৮ ফেব্রুৱাৰীত জাপানে অতর্কিতে পর্ট আর্থুৰত আক্রমণ চলায়। ১৯০৪ চনৰ ১০ ফেব্রুৱাৰীত আনুষ্ঠানিকভাৱে যুদ্ধ ঘোষণা কৰা হয়। স্থল-জল উভয়ক্ষেত্রতে যুদ্ধ সংঘটিত হৈছিল আৰু দুয়োপক্ষই নিজৰ সর্বশক্তিৰে যুদ্ধক্ষেত্রত জপিয়াই পৰিছিল। ১৯০৫ চনৰ গ্রীষ্মকাললৈকে যুদ্ধত দুয়োপক্ষ বিধ্বস্ত হৈ পৰিছিল আৰু শান্তিৰ বাবে সাজু হৈছিল। আমেৰিকাৰ তদানীন্তন ৰাষ্ট্রপতি থিয়'দৰ ৰুজভেল্টৰ উদ্যোগত দুয়োখন দেশৰ প্রতিনিধি আলোচনাত বহে। ১৯০৫ চনৰ ৫ ছেপ্তেম্বৰত পর্টছমাউথত চুক্তি স্বাক্ষৰ হয় আৰু ইয়াক পর্টছমাউথৰ চুক্তিৰূপে জনা যায়। এই চুক্তিৰ দফাসমূহ আছিল এনেধৰনৰ-

ক) ৰাছিয়া আৰু জাপান উভয়ে কেৱল লিয়'টাং ব-দ্বীপৰ লীজত থকা ভূ-খণ্ডৰ বাহিৰে মানচুৰিয়া ত্যাগ কৰিব ।

খ) মানচুৰিয়াত চীনৰ সার্বভৌমত্বক উভয় দেশে সন্মান জনাব।

গ) চীনৰ সন্মতিসাপেক্ষে ৰাছিয়াই পর্ট আর্থুৰ, ডাইৰেন আৰু লিয়টাং ব-দ্বীপ সংযোগী এলেকাত লীজত থকা নিজৰ ভূ খণ্ড আৰু মানচুৰিয়াত আৰম্ভ কৰা নির্মিয়মান ৰেলপথ জাপানৰ হাতত অর্পণ কৰিব।

ঘ) কেৱল ঔদ্যোগিক আৰু বাণ্যিজিক কার্যৰ বাবেহে দুয়োপক্ষই মানচুৰিয়াত ৰেলপথ নির্মানৰ সিদ্ধান্ত গ্রহণ কৰে।

ঙ) ছাখালিনৰ দক্ষিণাংশ জাপানক হস্তান্তৰ কৰিবলৈ ৰাছিয়া সন্মত হৈছিল।

যুদ্ধৰ প্রভাৱ

ৰাছিয়া-জাপান যুদ্ধৰ প্রভাৱ বিশ্বত আছিল সুদূৰ প্রসাৰী। সুদূৰ পূৱত ই ৰাছিয়াৰ আগ্রাসনক ভেঁটা দিছিল। এই যুদ্ধই গৃহভূমিত ৰাছিয়াৰ জাৰৰ একনায়কত্ববাদৰ বিৰুদ্ধে বিদ্রোহীসকলক যুঁজিবলৈ উৎসাহী কৰি তুলিছিল। আনহাতে বিশ্বৰ এক অন্যতম শক্তিৰূপে প্রতিষ্ঠা কৰি যুদ্ধখনে জাপানৰ সন্মান বৃদ্ধি কৰি তুলিছিল। চীনত ইউৰোপীয় প্রতিদ্বন্দী শক্তিৰ বিৰুদ্ধে মুকলিকৈ প্রতিযোগিতাত নামিবলৈ যুদ্ধখনে জাপানক উৎসাহ প্রদান কৰিছিল। এই যুদ্ধই চীনকো প্রভাৱিত কৰিছিল কাৰণ ইয়ে চীনক গভীৰ নিদ্রাৰ পৰা জগাই পশ্চিমীয়া শিক্ষা আৰু পশ্চিমীয়া যুদ্ধৰ কৌশলৰ প্রতি প্রৱলভাৱে উৎসাহী কৰি তুলিছিল। ইয়াৰ লগতে পশ্চিমীয়া শাসনৰ অধীনত কষ্ট ভোগ কৰি পূৱৰ দেশসমূহক প্রেৰণা প্রদান কৰিছিল।



অগ্রগতিৰ নিৰীক্ষণ

নিম্নলিখিত প্রশ্নৰ উত্তৰ দিয়ক

প্রশ্ন নং ৪ ঃ মানচুৰিয়াক সুদূৰ পূৱৰ অন্নভাণ্ডাৰ কিয় আখ্যা দিয়া হৈছিল?

.....

.....

প্রশ্ন নং ৫ ঃ পর্ট আর্থুৰত জাপানে কেতিয়া অতর্কিতে আক্রমণ চলাইছিল?

.....

.....

প্রশ্ন নং ৬ ঃ কাৰ নেতৃত্বত পর্টছমাউথ চুক্তি স্বাক্ষৰ হৈছিল?

.....

.....

৪.৬ মানচুৰিয়াৰ সংকট

মানচুৰিয়াৰ কৌশলগত স্থানে পূৱ প্রান্তত ইয়াক আকর্ষণৰ কেন্দ্র কৰি তুলিছিল। চীনা শাসনৰ অধীনত থাকিলেও জাপানে দীর্ঘদিনৰ পৰা ইয়াৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি আহিছিল। আনকি সুদূৰ পূৱত সক্রিয় আগ্রহ প্রকাশ কৰা ইউৰোপীয় দেশসমূহেও এই ক্ষেত্রত হস্তক্ষেপ কৰিছিল। চীনে মানচুৰিয়াক নিজৰ অন্নভাণ্ডাৰ আখ্যা দিয়াৰ লগতে চীনৰ ৰাষ্ট্রীয়তাবাদীসকলৰ দৃষ্টিত মানচুৰিয়া আছিল এনে এক স্থান য'ত দেশখনে নিজৰ অতিৰিক্ত জনসংখ্যাক সংস্থাপন কৰিব পাৰে।

আনহাতে জাপানে মানচুৰিয়াক নিজৰ বুলি গণ্য কৰিছিল। জাপানৰ মতে ৰাছিয়াৰ শেনদৃষ্টিৰ পৰা মানচুৰিয়াক জাপানে ৰক্ষা কৰিছিল আৰু ইয়াৰ অন্যথাই ৰাছিয়াই কেতিয়াবাই যিকোনো প্রকাৰে মানচুৰিয়া দখল কৰিলেহেতেন। ৰাছিয়া-জাপান যুদ্ধত(১৯০৪-০৫) জাপানে ৰাছিয়াক পৰাস্ত কৰিছিল আৰু তেতিয়াৰ পৰা জাপানে নিজকে মানচুৰিয়াৰ ৰক্ষক বুলি গণ্য কৰিছিল। গতিকে সময়ে সময়ে জাপানে দাবী কৰি আহিছিল যে চীন আৰু ৰাছিয়া উভয়ৰ পৰা জাপানে মানচুৰিয়াক ৰক্ষা কৰিছে। অৱশ্যে ৰাষ্ট্রীয়তাবাদী আন্দোলনৰ পৰিপ্রেক্ষিতত চীনত বহু দিশতে পৰিৱর্তন সাধন হৈছিল। ১৯১৭ চনত ৰাছিয়া এক সাম্যবাদী দেশলৈ পৰিণত হৈছিল আৰু সেইবাবে মানচুৰিয়াত ছোভিয়েট প্রভাৱতকৈ জাপানৰ আধিপত্যক অধিক গুৰুত্ব প্রদান কৰিছিল পশ্চিমীয়া দেশসমূহে। কিন্তু ক্রমাৎ এই কথা পোহৰলৈ আহিছিল যে জাপানে এক আগ্রাসী পাশ্চাত্য বিৰোধী নীতি গ্রহণ কৰিছিল আৰু কেৱল জাপানীসকলৰ বাবে জাপান এই আন্দোলনৰ পথ গোপনে নির্বাচন কৰিছিল।

মানচুৰিয়াক লৈ চীন আৰু জাপানৰ সংঘাত অতি দ্রুতভাৱে বৃদ্ধি পাইছিল শীঘ্রেই দুয়োখন দেশ সশস্ত্র সংঘর্ষত লিপ্ত হয়। ১৯৩১ চনৰ ১৮ ছেপ্তেম্বৰত মুকাডেনত এক বোমা বিস্ফোৰণৰ ঘটনাক লৈ এই সংঘর্ষৰ সূত্রপাত হয়। দক্ষিণ মানচুৰিয়াৰ ৰেলপথৰ নিৰাপত্তাৰ বাবে জাপানে মুকাডেনত নিজৰ ১৫০০ সৈন্যক দূর্গৰক্ষকৰূপে নিয়োগ কৰিছিল। কিন্তু কোনোধৰনৰ উপযুক্ত প্রমাণ নথকাকৈ মুকাডেনৰ বিস্ফোৰণৰ বাবে চীনক প্রত্যক্ষভাৱে জগৰীয়া কৰি জাপানে তাৎক্ষণিকভাৱে মানচুৰিয়ালৈ নিজৰ সৈন্যক আগবাঢ়ি যাবলৈ নির্দেশ দিছিল। চীনেও ইয়াৰ প্রত্যুত্তৰ দিছিল যদিও জাপানী সৈন্যই অতি সহজে চাৰিদিনৰ ভিতৰত মানচুৰিয়া দখল কৰিছিল।

উপায়হীন হৈ চীনে জাতিসংঘৰ সহায় বিচাৰিবলগীয়া হৈছিল। জাতিসংঘত থকা জাপানী প্ৰতিনিধিয়ে লগে লগে আন সদস্যসকলক এই বুলি সন্মত কৰাইছিল যে চীনৰ প্ৰতি জাপানৰ কোনো আগ্ৰাসী মনোভাৱ নাই চীনৰ সৈতে দেশখনে পোণপটীয়াকৈ কথা পাতিবলৈ প্ৰস্তাৱ দিছিল। কিন্তু চীনে মানচুৰিয়াৰ পৰা জাপানী সৈন্য প্ৰত্যাহাৰ নকৰা পৰ্যন্ত জাপানৰ এই প্ৰস্তাৱ মানিবলৈ সন্মত হোৱা নাছিল। কিন্তু জাপানে সেইসময়তো মানচুৰিয়াত নিজৰ কাৰ্যকলাপ অব্যাহত ৰাখিছিল আৰু দ্বিতীয়বাৰৰ বাবে জাতিসংঘৰ দুৱাৰত টোকৰ দিছিল চীনে। পশ্চিমীয়া শক্তিসমূহে এই সমস্যা সমাধানৰ আশ্বাস দিছিল যদিও ১৯৩৪ চনত টকিয়'ৰ বৈদেশিক মন্ত্ৰ্যালয়ে মহাশক্তিসমূহক চীনৰ ক্ষেত্ৰত হস্তক্ষেপ নকৰিবলৈ সকিয়নী প্ৰদান কৰি দাবী কৰিছিল যে চীনৰ বিষয়টোত জাপানৰ অধিকাৰ একছেটিয়া। চীনৰ ক্ষেত্ৰত জাপানৰ এই ঘোষণাক জনা যায় 'জাপানী মনৰ' সিদ্ধান্ত' নামেৰে। জাপানৰ এই আইনক উপেক্ষা কৰি জাপানৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ ঘোষণা কৰিছিল চীনে। চীনৰ এই অৰ্থনৈতিক অৱৰোধৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে ব্যৱস্থা ল'বলৈ জাপানে উদ্যোগ লৈছিল যাৰ দ্বাৰা চীন বৃহৎ অৰ্থনৈতিক লোকচানৰ সন্মুখীন হৈছিল। চীনৰ মনোযোগ অন্যফালে নিবলৈ জাপানে আনকি ১৯৩২ চনৰ জানুৱাৰী মাহত চাংহাইত বোমা বৰ্ষণ কৰিছিল।

ইয়াৰ লগতে সমগ্ৰ মানচুৰিয়াত এক স্থানীয় স্বায়ত্বশাসন প্ৰৱৰ্তন কৰি জাপানে মানচুৰিয়াত নিজৰ খামোচ সুদৃঢ় কৰিবলৈ চেষ্টা কৰিছিল। এই সময়তে জাতিসংঘই মানচুৰিয়াৰ বিষয়টো বিবেচনা কৰিবলৈ এক আয়োগ নিয়োগ কৰিছিল। মানচুৰিয়াত জাপানৰ কাৰ্যকলাপক ভেঁটা দিবলৈ আয়োকেতবোৰ পৰামৰ্শ দিছিল যদিও জাপানে ইয়াৰ এটাও পৰামৰ্শলৈ কৰ্ণপাত কৰা নাছিল। মানচুৰিয়াৰ সংকটৰ ফলত চীন বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল।

মানচুৰিয়াৰ সংকটৰ পৰিণতি

জাপানে মানচুৰিয়াত নিজৰ অভিযানক যুদ্ধ বুলি গণ্য কৰা নাছিল। তেওঁলোকে ইয়াক এক সাধাৰণ 'ঘটনা' বুলিহে আখ্যা দিছিল। কিন্তু এই ঘটনাৱলীয়ে সুদুৰ পূৱত যথেষ্ট প্ৰভাৱ পেলাইছিল। চীনৰ কম্যুনিষ্ট আৰু ৰাষ্ট্ৰীয়তাবাদী উভয়পক্ষৰ বাবে ই প্ৰত্যাহ্বান হৈ পৰিছিল। মানচুৰিয়াত জাপানৰ আগ্ৰাসী ভূমিকাই চীনৰ লোকসকলৰ জাতীয়তাবাদী ভাৱধাৰা উদ্বুদ্ধ কৰি তুলিছিল আৰু ১৯৩৭ চনত জাপানে চীনৰ ওপৰত পূৰ্ণ আক্ৰমণ কৰাৰ সময়ত নিজৰ ৰাজনৈতিক আৰু আদৰ্শগত ভেদাভেদ পাহৰি তেওঁলোকে একগোট হৈ এক মৰ্চা গঠন কৰিছিল। মানচুৰিয়াৰ অভিযানৰ দ্বাৰা জাপানে মহাশক্তিসমূহক অসন্তুষ্ট কৰি তুলিছিল। সেইদৰে মানচুকু অভিযানৰ ফলত চীন আৰু জাপানৰ সম্পৰ্কৰ অধিক অৱনতি ঘটিছিল। উত্তৰ মানচুৰিয়াত ৰাছিয়াক এই অভিযানে শংকিত কৰি তুলিছিল আৰু ৰাছিয়াই সেইবাবে প্ৰশান্ত মহাসাগৰীয় এলেকালৈ নিজৰ মনোযোগ আতৰাই নিছিল। জাতিসংঘৰ কোনো প্ৰচেষ্টাই জাপানক তিলমানো ইফাল-সিফাল কৰাব পৰা নাছিল। মানচুৰিয়াত নিজৰ ভেঁটি সুদৃঢ় কৰি জাপানে মানচুকুত চৰকাৰ গঠন কৰিছিল। এনেদৰে সুদূৰ পূৱত মানচুৰিয়াৰ সংকটে এক নতুন অধ্যায়ৰ পাতনি মেলিছিল।



অগ্রগতিৰ নিৰীক্ষণ

নিম্নোক্ত প্ৰশ্নৰ উত্তৰ দিয়ক

প্ৰশ্ন ৭ঃ চাংহাইত জাপানে কেতিয়া বোমাবৰ্ষণ কৰিছিল?

.....

.....

প্ৰশ্ন ৮ঃ চীনত জাপানে কেতিয়া পূৰ্ণ অভিযান চলাইছিল?

.....

.....



৪.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি

- চীন আৰু জাপান উভয়ে পূৱ প্ৰান্তৰ দেশ হ'লেও দুয়োখন দেশৰ মাজৰ সম্পৰ্ক কেতিয়াও সৌহাদ্যমূলক নাছিল।
- ১৯০২ চনত স্বাক্ষৰ হোৱা এংলো-জাপান চুক্তি আছিল আধুনিক সময়ৰ অন্যতম কূটনৈতিক ঘটনাক্ৰম।
- বিশ্বত অন্যতম প্ৰভাৱ পেলাইছিল ৰাছিয়া-জাপান যুদ্ধই। পূৱ প্ৰান্তত ৰাছিয়াৰ আগ্ৰাসনক ই ভেঁটা দিছিল। অন্যহাতে বিশ্বৰ অন্যতম শক্তিৰূপে প্ৰতিষ্ঠা কৰি জাপানৰ মান বৃদ্ধি কৰিছিল এই যুদ্ধই।
- মানচুৰিয়াৰ কৌশলগত স্থানে পূৱ প্ৰান্তত ইয়াক আকৰ্ষণৰ কেন্দ্ৰ কৰি তুলিছিল। চীনা শাসনৰ অধীনত থাকিলেও জাপানে দীৰ্ঘদিনৰ পৰা ইয়াৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি আহিছিল। আনকি সুদূৰ পূৱত সক্ৰিয় আগ্ৰহ প্ৰকাশ কৰা ইউৰোপীয় দেশসমূহেও এই ক্ষেত্ৰত হস্তক্ষেপ কৰিছিল। আনহাতে জাপানে মানচুৰিয়াক নিজৰ বুলি গণ্য কৰিছিল। জাপানৰ মতে ৰাছিয়াৰ শেনদৃষ্টিৰ পৰা মানচুৰিয়াক জাপানে ৰক্ষা কৰিছিল আৰু ইয়াৰ অন্যথাই ৰাছিয়াই কেতিয়াবাই যিকোনো প্ৰকাৰে মানচুৰিয়া দখল কৰিলেহেতেন। এই ভাৱধাৰাৰ পৰিণতিত জাপানে মানচুৰিয়া দখল কৰিছিল। জাতিসংঘই এই সমস্যা সমাধান কৰিবলৈ সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছিল যদিও মানচুৰিয়াত জাপানৰ অগ্ৰগতি ৰোধ কৰিবলৈ সক্ষম হোৱা নাছিল।



৪.৮ অধিক জানিবলৈ

1) Singh,A.K.,(1984),*History of Far East in Modern Times*, Delhi-110007, Surjeet Publications.

2) Vinacke,H.M.,(1982),*A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.

3) David,M.D., *History of Modern Japan,*(First edition 1979), Bombay 400054, Himalaya Publishing House.



৪.৯ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন উত্তৰ ১ ঃ ১৮৭১।

প্রশ্ন উত্তৰ ২ ঃ ১৯০২।

প্রশ্ন উত্তৰ ৩ ঃ কাউণ্ট হাছি।

প্রশ্ন উত্তৰ ৪ ঃ ইয়াত কাঠ আৰু খনিজ পদার্থৰ বৃহৎ ভাণ্ডাৰ আছিল।

প্রশ্ন উত্তৰ ৫ ঃ ১৯০৪ চনৰ ৮ ফেব্রুৱাৰী।

প্রশ্ন উত্তৰ ৬ ঃ থিয়'দৰ ৰুজভেল্ট।

প্রশ্ন উত্তৰ ৭ ঃ ১৯৩২।

প্রশ্ন উত্তৰ ৮ ঃ ১৯৩৭।



৪.১০ আহিঁ অপ্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ জাপানী মনৰ' সিদ্ধান্ত বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ জাপানত ৰাছিয়াৰ সপক্ষে থকা দলৰ নেতৃত্বত কোন আছিল?

প্রশ্ন নং ৩ ঃ ৰাছিয়াৰ বিৰুদ্ধে কেতিয়া জাপানে আনুষ্ঠানিকভাৱে যুদ্ধ ঘোষণা কৰিছিল?

প্রশ্ন নং ৪ ঃ ৰাছিয়া-জাপান যুদ্ধ কোন চনত হৈছিল?

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ এংলো-জাপান মিত্রতাৰ কাৰণসমূহ কি কি আছিল?

প্রশ্ন নং ২ ঃ মানচুৰিয়াৰ সংকটৰ কাৰণসমূহ চমুকৈ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ ৰাছিয়া-জাপান যুদ্ধৰ প্রভাৱসমূহ চমুকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন(প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্রশ্ন নং ১ ঃ চীন-জাপান সম্পর্কৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ 'সুদূৰ পূৰৰ অন্নভাণ্ডাৰ ৰূপে পৰিগণিত মানচুৰিয়া আছিল কাঠ আৰু খনিজ সম্পদত চহকী আৰু ৰাছিয়া আৰু জাপান উভয়ৰে বিশেষ আকর্ষণৰ কেন্দ্র।'- আলোচনা কৰক।

* * * * *

অধ্যায় ৫ঃ গণতন্ত্র আৰু সেনা শাসন (DEMOCRACY AND MILITARISM)

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ৰাজনৈতিক দলৰ উত্থান
৫.৪ গণতান্ত্রিক ব্যৱস্থাৰ ব্যর্থতা
৫.৫ সেনা শাসনৰ উত্থান
৫.৬ দ্বিতীয় চীন-জাপান যুদ্ধ
৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্রগতিৰ নিৰীক্ষণ
৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- জাপানত ৰাজনৈতিক দলৰ উত্থান সন্দর্ভত আলোচনা কৰিব পাৰিব।
- জাপানত গণতান্ত্রিক ব্যৱস্থাৰ ব্যর্থতা ফঁহিয়াই আলোচনা কৰিব পাৰিব।
- জাপানত সেনা শাসনৰ উত্থান বিশ্লেষণ কৰিব পাৰিব।
- দ্বিতীয় চীন-জাপানৰ যুদ্ধ বর্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

১৯ শতিকাৰ মাজভাগত জাপানে নিজৰ বিচ্ছিন্নতাবাদী স্থিতি পৰিত্যাগ কৰিবলগীয়া হয়। জাপানৰ দ্বাৰা মুকলিৰ ফলত দেশখনৰ ৰাজনৈতিক ব্যৱস্থাৰো পৰিৱর্তন সাধন হয়। টকুগুৱাৰ শ্বগুন চৰকাৰৰ পতন ঘটে আৰু সম্রাটে পুনৰ নিজৰ প্রাপ্য আসন লাভ কৰে। নির্বাসনৰ পৰা সম্রাটৰ পুনৰ ক্ষমতাত অধিষ্ঠিত কৰা প্রক্রিয়াক মেইজি পুনৰসংস্থাপন বুলি কোৱা হয় যাৰ বিষয়ে ইতিমধ্যে তোমালোকে দ্বিতীয় অধ্যায়ত অধ্যয়ন কৰি আহিছা।

মেইজি যাৰ আক্ষৰিক অর্থ হৈছে 'বুদ্ধিদীপ্ত চৰকাৰ' প্রৱর্তনৰ ফলত ৰাজনৈতিক দলৰ জন্ম, গণতন্ত্রৰ আৰম্ভনি, সেনা শাসনৰ উত্থান আদিৰ দ্বাৰা জাপানত এক নতুন ৰাজনৈতিক ব্যৱস্থাই গঢ় লৈ উঠে। জাপানেও সাম্রাজ্যবাদী নীতি গ্রহণ কৰি চুবুৰীয়া চীনৰ সৈতে যুদ্ধত লিপ্ত হয়। এই সকলোবোৰ বিকাশৰ বিষয়ে আমি এই অধ্যায়ত আলোচনা কৰিম।

৫.৩ ৰাজনৈতিক দলৰ উত্থান

১৮৬৮ চনত এক চার্টাৰ অথবা ৰাজকীয় শপতনামাযোগে জাপানৰ সম্ৰাট মুটুচিহুৱে ক্ষমতা আৰু উপযুক্ত আসন লাভ কৰাৰ পিছতে আন আন ক্ষেত্ৰৰ লগতে প্ৰতিশ্ৰুতি দিছিল যে দেশৰ সুপৰিচালনাৰ বাবে জনমতৰ ভিত্তিত জাপানত অৰ্ধ সামৰিক প্ৰতিষ্ঠানৰ ব্যৱস্থা কৰা হ'ব। ১৮৮১ চনৰ ১২ অক্টোবৰত এক ৰাজকীয় আদেশনামাযোগে সম্ৰাটে জাপানবাসীক এক সংবিধানস্বীকৃত চৰকাৰ গঠনৰ আশ্বাস প্ৰদান কৰে। এই ৰাজকীয় ঘোষণাই জাপানত ৰাজনৈতিক দলৰ উত্থানৰ বাট মুকলি কৰে।

১৮৮১ চনৰ এই ঘোষণাৰ পূৰ্বেও জাপানত অৰ্থনৈতিক স্বাৱলম্বনৰ বাবে আন্দোলন অব্যাহত ৰখা ইটাগাকিয়ে ৰিচ্চিকা নামৰ এক ৰাজনৈতিক দল গঠন কৰিছিল। ১৮৮১ চনৰ ঘোষণাৰ পিছত আন তিনিটা ৰাজনৈতিক দলৰ গঠন হয়। এই ৰাজনৈতিক দলসমূহৰ আৰিৰ্ভাৱে এক নতুন সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ দিশত উৎসাহ যোগায়। বিভিন্ন ক্ষেত্ৰক প্ৰতিনিধিত্ব কৰিলেও এই ৰাজনৈতিক দলসমূহে এক জনপ্ৰিয় আৰু স্বাধীনচেতিয়া সংবিধানৰ দাবী উত্থাপন কৰে।

ইটাগাকিয়ে ১৮৮১ চনত আন এক দলৰ গঠন কৰে যিটো আছিল এক উদাৰপন্থী দল। এই দলে এক সদনযুক্ত বিধানসভা, সাৰ্বজনীন মত প্ৰকাশৰ অধিকাৰ আৰু শক্তিশালী বৈদেশিক নীতিৰ পোষকতা কৰে। ৰুছোৰ আৰ্হিত এই দলে জনপ্ৰিয় সাৰ্বভৌমত্বৰ দাবী উত্থাপন কৰে। উদাৰপন্থী হ'লেও দলটোৱে কট্টৰপন্থীসকলৰ দৰে দেশৰ চৰকাৰ পৰিচালিত হোৱাৰ ক্ষেত্ৰত শক্তিশালী জনমত গঠন হোৱাৰ পোষকতা কৰিছিল।

অকুমা নামৰ এজন প্ৰাক্তন চামুৰাইৰ নেতৃত্বত ১৮৮২ চনত কেইচিহিনট' নামৰ এক প্ৰগতিশীল দল গঠিত হয়। এই প্ৰগতিশীল দলত আছিল মধ্যমীয়া প্ৰতিনিধিত্বমূলক চৰকাৰত বিশ্বাসী সংৰক্ষণশীল উদাৰপন্থীসকল। এই দলে দুই সদনযুক্ত বিধানসভা, মত প্ৰকাশৰ অধিকাৰৰ ক্ৰমাৎ সম্প্ৰসাৰণ, স্থানীয় স্বায়ত্ব শাসনৰ উন্নয়ন, আভ্যন্তৰীণ প্ৰশাসনীয় পুনৰ সংগঠনৰ লগতে সাম্ৰাজ্যবাদী নীতিৰ বিৰোধিতা কৰিছিল।

ফুকুচি গেনিচিৰ'ই ৰিক্কেন টেইচিট' নামৰ সাংবিধানিক সাম্ৰাজ্যবাদী দলটো গঠন কৰিছিল। এই দলত আছিল সংবিধানক সমৰ্থন জনালেও সম্ৰাটৰ কৰ্তৃত্ব হ্ৰাস কৰাৰ বিৰোধী এচাম সংৰক্ষণশীল। এই দলে বিচাৰিছিল এক সীমিত নিৰ্বাচিত প্ৰতিনিধিমণ্ডল, বিধায়িনী ক্ষমতাৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰাজকীয় প্ৰতিৰোধ বা ভেট' ক্ষমতা, দুই সদনযুক্ত বিধানসভা, স্বাধীন ন্যায়পালিকা, ৰাজনীতিৰ পৰা সেনা আৰু নৌসেনা বিষয়াসকলক আঁতৰাই ৰখা আৰু সদনত সম্পূৰ্ণ বাক স্বাধীনতা।

জাপানৰ ৰাজনৈতিক দলসমূহে ভিন্নমুখী আদৰ্শ প্ৰতিনিধিত্ব কৰিলেও আটাইকেইটা দলে এক জনপ্ৰিয় আৰু উদাৰমুখী সংবিধানৰ বাবে জোৰ দিছিল। ইয়ে এক নতুন সংবিধান

প্ৰস্তুতৰ বাট মুকলি কৰে। তদুপৰি ৰাইজৰ সন্মুখত এই ৰাজনৈতিক দলসমূহে নিজৰ মত আদৰ্শ শক্তিশালী ৰূপত প্ৰকাশ কৰিছিল। বাতৰি কাকতত জাপানী চৰকাৰৰ আঁচনি তেওঁলোকে কঠোৰভাৱে সমালোচনা কৰিছিল। ১৮৮২ চনত চৰকাৰে তেওঁলোকৰ নীতিৰ যিকোনো সমালোচনা বাতৰি কাকতত প্ৰকাশ কৰাটো নিষেধ কৰে। ইয়াৰ পৰৱৰ্তী বছৰ অৰ্থাৎ ১৮৮৩ চনত চৰকাৰে এক নিৰ্দেশযোগে সকলো ৰাজনৈতিক দলক নিষেধ কৰে। ১৮৮৪ চনলৈকে সকলো প্ৰধান ৰাজনৈতিক দলৰ কাৰ্যকলাপ বন্ধ কৰি দিয়া হৈছিল। সেই বছৰতে উদাৰপন্থী আৰু প্ৰগতিশীল ৰাজনৈতিক দলৰ প্ৰভাৱ ৰোধ কৰিবলৈ এক ৰাজকীয় দল গঠন কৰা হৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন ১ঃ ৰিচ্চিকা নামৰ ৰাজনৈতিক দলটো কোনে গঠন কৰিছিল?

.....

.....

প্ৰশ্ন ২ঃ জাপানৰ সাংবিধানিক সাম্ৰাজ্যবাদী দলটোৰ নাম কি?

.....

.....

প্ৰশ্ন ৩ঃ কোন বৰ্ষত অকুমাই প্ৰগতিশীল দল গঠন কৰিছিল?

.....

.....

৫.৪ গণতান্ত্ৰিক ব্যৱস্থাৰ ব্যৰ্থতা

পূৰ্ণ কৰ্তৃত্ব আৰু ক্ষমতাৰে সম্ৰাট মুটুচিহু আসনত অধিষ্ঠিত হোৱাৰ ফলত জাপানত এক গণতান্ত্ৰিক পৰিৱেশ গঢ়ি উঠে। সম্ৰাটে জাপানত এক সংবিধানস্বীকৃত চৰকাৰ আৰু সংসদীয় সংস্থা গঠনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। জাপানত এই নতুনকৈ উদ্ভাসিত গণতান্ত্ৰিক ব্যৱস্থাত অংশ ল'বলৈ বহুকেইটা ৰাজনৈতিক দলৰ গঠন হয়।

জাপানত গণতান্ত্ৰিক সংস্থা গঢ়ি উঠাৰ বাট মুকলি কৰিবলৈ সামন্তবাদী প্ৰভু, চামুৰাই ইত্যাদিসকলে নিজৰ ক্ষমতা আৰু সুবিধাসমূহ সম্ৰাটৰ ওচৰত অৰ্পণ কৰে। কিন্তু তথাপিও এই সামৰিক শক্তিয়ে জাপানৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ আসন দখল কৰি আছিল। এই সামৰিক শক্তিয়ে জাপানী সাম্ৰাজ্যৰ ব্যক্তিগত কৰ্তৃত্ব কেন্দ্ৰীভূত কৰি নিজৰ ক্ষমতা বৃদ্ধি কৰি তোলে। সেনাবাহিনীৰ বিষয়াসকলে নিজৰ ক্ষমতা হ্ৰাস পোৱাৰ আশংকাত ৰাজনৈতিক দলসমূহৰ উত্থানত শেন দৃষ্টি ৰাখিবলৈ চেষ্টা কৰিছিল।

জেইবটছু আছিল জাপানৰ কোটিপতি পৰিয়ালসমূহে পুঁজিপতি সংগঠন। ব্যৱসায়-বাণিজ্যৰ সৈতে সম্পৰ্ক গঢ়া প্ৰাক্তন চামুৰাইসকল ইয়াৰ সৈতে জড়িত হৈ আছিল। এই সংগঠনে লগতে জাপানত ৰাজনৈতিক দলৰ উত্থানতো দৃষ্টি ৰাখিছিল কাৰণ ই দেশখনত মধ্যবিত্ত শ্ৰেণীৰ উত্থানক পচন্দ কৰা নাছিল।

জাপানক মধ্যযুগীয় ৰাষ্ট্ৰৰ পৰা আধুনিক ৰাষ্ট্ৰৰূপে গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা সামৰিক শক্তিয়ে দ্বিতীয় বিশ্বযুদ্ধ পৰ্যন্ত জাপানৰ ৰাজনৈতিক ব্যৱস্থা দমন কৰি আছিল। যাৰ ফলত মেইজি যুগৰ পৰৱৰ্তী সময়ত জাপানত গণতান্ত্ৰিক ব্যৱস্থাই মূৰ দাঙিব পৰা নাছিল।

৫.৫ সেনা শাসনৰ উত্থান

সেনাৰ শক্তি হৈছে এখন ৰাষ্ট্ৰৰ শক্তিৰ সমান, এই আদৰ্শৰ ওপৰতে জাপানত সেনা শাসন প্ৰৱৰ্তন হৈছিল। মেইজি পুনৰ সংস্থাপনৰ সময়ৰ পৰাই সেনাই জাপানী সমাজৰ ওপৰত এক শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰি আহিছে। মেইজি যুগৰ সময়ত জাপানী সমাজৰ প্ৰায় সকলো নেতাই আছিল হয় প্ৰাক্তন চামুৰাই অথবা চামুৰাইৰ বংশধৰ যিসকলৰ এক সামূহিক মূল্যবোধ আৰু দৃষ্টিভংগী আছিল।

মেইজি চৰকাৰৰ (১৮৬৮-১৯১১) মতে জাপান পশ্চিমীয়া সাম্ৰাজ্যবাদৰ কু-দৃষ্টিত আছিল। জাপান আৰু পশ্চিমীয়া ঔপনিৱেশিক শক্তিৰ মাজত অৰ্থনৈতিক আৰু সামৰিক শক্তিৰ ক্ষেত্ৰত বৃহৎ তফাৎ আছিল। পূৰ্বৰ মেইজি শাসকসকলে সেইবাবে 'ফুক'কো কিয়হেই' নীতি যাৰ অৰ্থ হৈছে দেশক সমৃদ্ধিশালী কৰি তোলা আৰু সামৰিক শক্তি বৃদ্ধি কৰা। জাপানৰ অৰ্থনৈতিক আৰু ঔদ্যোগিক ভেঁটি সুদৃঢ় কৰিবলৈ এক আঁচনি গ্ৰহণ কৰা হৈছিল। কাৰণ এক শক্তিশালী অৰ্থনৈতিক ভেঁটি থাকিলেহে জাপানে পশ্চিমীয়া ঔপনিৱেশিক শক্তিৰ সৈতে ফেৰ মাৰিব পৰাকৈ এক শক্তিশালী আধুনিক সামৰিক শক্তিৰ অধিকাৰী হ'ব পাৰিলেহেতেন।

বলিষ্ঠ অৰ্থনীতি আৰু সামৰিক শক্তিৰ বলতহে জাপানে কানাগাৱা চুক্তিৰ দৰে বৈষম্যমূলক চুক্তি পুনৰ বিবেচনা কৰিব পাৰিলেহেতেন আৰু বহিৰাগত শক্তিক ভেঁটা দিবলৈ সক্ষম হ'লহেতেন।

মেইজি যুগৰ আৰম্ভনিতে জাপানৰ আভ্যন্তৰীণ বিষয়সমূহ নিষ্পত্তি কৰিবলৈও জাপানৰ এক শক্তিশালী সেনাৰ প্ৰয়োজন হৈছিল। আভ্যন্তৰীণ বিদ্ৰোহ যেনে চাগা বিপ্লৱ, চাতচুমা বিপ্লৱ আৰু বহু কৃষক বিদ্ৰোহেও মেইজি চৰকাৰক অস্থিৰ কৰি তুলিছিল। তদুপৰি এক কৃষিপ্ৰধান ৰাষ্ট্ৰৰ পৰা এক অগ্ৰণী আধুনিক ঔদ্যোগিক আৰু সামৰিক শক্তিলৈ ৰূপান্তৰিত হৈ প্ৰুছিয়াইও জাপানক প্ৰভাৱিত কৰিছিল।

প্ৰুছিয়াৰ চৰকাৰী মুৰব্বী হেলমাউথ ভন মল্টকেচেণ্ট মেকেলক সামৰিক সংস্কাৰৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদান কৰিবলৈ জাপানলৈ আমন্ত্ৰণ জনোৱা হৈছিল। মেকেলে এই আমন্ত্ৰণ ৰক্ষা কৰিছিল আৰু বিভিন্ন পৰামৰ্শৰলী আগবঢ়াইছিল যেনে ৰেজিমেণ্ট আৰু ডিভিজনভিত্তিত সেনাৰ কৰ্তৃত্বৰ সংৰচনাৰ পুনৰ সংগঠন, সেনাৰ ৰচদ আৰু পৰিবহন ক্ষেত্ৰৰ সুদৃঢ়কৰণ, স্বাধীন গোটৰ অধীনত

সেনাৰ হিলৈ আৰু অভিযান্ত্রিক ৰেজিমেণ্ট প্রতিষ্ঠা আৰু সেনাত সার্বজনীন ভর্তিকৰণৰ প্রক্রিয়া পুনৰীক্ষিত কৰা যাতে কোনো ধৰনৰ ত্রুটি ইয়াত থাকিব নোৱাৰে।

মেকেলৰ এই পৰামর্শৰলী মেইজি চৰকাৰে বলৱৎ কৰিছিল। ১৮৭৩ চনত সার্বজনীন সেনাত ভর্তিকৰণ আঁচনি প্রৱর্তন কৰা হয়। এইক্ষেত্রত জাপানৰ নাবিক আৰু সৈন্যসকলক ১৮৮২ চনত এক ৰাজকীয় আদেশনামা প্রদান কৰা হৈছিল। ইয়াৰ দ্বাৰা জাপানী সেনাই বিভিন্ন সামজিক পটভূমিৰ হাজাৰ বিজাৰ লোকক সামৰিক-দেশপ্রেমমূলক মূল্যবোধ আৰু জাপানী ৰাষ্ট্রৰ আধাৰৰূপে সম্রাটৰ প্রতি চর্তবিহীন নিষ্ঠাৰ প্রশিক্ষণ প্রদান কৰিব পাৰিছিল।

(১৯০৫) ৰাছিয়াৰ বিৰুদ্ধে জয়লাভে জাপানক এক সাম্রাজ্যবাদী শক্তিৰূপে প্রকাশ কৰি তোলে। ১৯১০ চনত জাপানে কোৰিয়া দখল কৰে। ইয়াৰ পিছত প্রথম বিশ্বযুদ্ধৰ(১৯১৪-১৮) সময়ত জাপানে প্রশান্ত মহাসাগৰীয় দ্বীপসমূহ. চানটুং ইত্যাদি দখল কৰি নিজৰ ৰাজকীয় সাম্রাজ্যৰ বিস্তাৰ ঘটায়। যুদ্ধৰ শেষত জাতিসংঘ গঠন কৰা হৈছিল আৰু ইয়াৰ পৰিষদৰ পাঁচস্থায়ী সদস্যৰ অন্যতম আছিল জাপান।

প্রথম বিশ্বযুদ্ধৰ সময়ত চাইবেৰিয়ালৈ ব্যয়বহুল অভিযানৰ বাবে যুদ্ধৰ পৰৱর্তী কালত জাপানত সামৰিক গোটৰ ক্ষমতা আৰু স্থান অৱনমিত হয়। তথাপিও জাতিসংঘৰ স্থায়ী সদস্যৰূপে অন্তর্ভুক্তিয়ে জাপানক বিশ্বৰ এক মহাশক্তি বুলি স্বীকৃতি দিয়ে। ফলত নতুন উদ্যমেৰে জাপানে নিজৰ সাম্রাজ্যবাদ চলাই নিবলৈ ধৰে। চীন আৰু ৰাছিয়াৰ এলেকাত জাপানে হস্তক্ষেপ কৰিবলৈ ধৰে। ১৯৩১ চনত জাপানে মানচুৰিয়া দখল কৰে আৰু চীনৰ সৈতে আন এখন যুদ্ধত লিপ্ত হয় আৰু এইখন আছিল দ্বিতীয় চীন-জাপান যুদ্ধ (১৯৩৭-৪৫)। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ৰাষ্ট্রীয় সেৱা বিধি আৰু ৰাষ্ট্রীয় আধ্যাত্মিক গতিশীলতাৰ আন্দোলনৰ দ্বাৰা সেনা শাসনে জাপানী সমাজক সম্পূর্ণৰূপে সামৰিক শক্তিলৈ ৰূপান্তৰ কৰিব বিচাৰিছিল।

কিন্তু আমেৰিকাৰ পাৰমাণৰিক আক্রমণ আৰু পৰৱর্তী সময়ৰ দখলৰ বাবে জাপানে এইক্ষেত্রত ইচ্ছা পূৰণ কৰাত ব্যর্থ হৈছিল। মিত্রশক্তিৰ ওচৰত জাপানে চর্তবিহীনভাৱে মুৰ দোৱাঁবলগীয়া হৈছিল। এয়া আছিল জাপানৰ সেনা শক্তিৰ বাবে এক প্রচণ্ড আঘাত। জাপানৰ আত্মসমর্পণৰ পিছত মিত্র শক্তিয়ে জাপানৰ সামৰিক শক্তি হ্রাস কৰিবলৈ চেষ্টা কৰে। টকিঅ'ৰ আদালতত সেনা বিষয়াসকলক যুদ্ধজনিত অপৰাধৰ বাবে বিচাৰ কৰা হৈছিল। লগতে জাপানী সংবিধানৰ মূল নীতিৰূপে শান্তিবাদক অন্তর্ভুক্ত কৰা হৈছিল।



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক

প্রশ্ন ৪ঃ জাপানৰ কোটিপতি পৰিয়ালসমূহৰ পুঁজিবাদী সংগঠনটোৰ নাম কি?

.....

.....

প্রশ্ন ৫ঃ জাপানে মানচুৰিয়া কোন বর্ষত দখল কৰিছিল?

.....

.....

প্রশ্ন ৬ঃ দ্বিতীয় চীন-জাপান যুদ্ধৰ সময় উল্লেখ কৰা।

.....

.....

৫.৬ দ্বিতীয় চীন-জাপান যুদ্ধ

১৯৩০ ৰ দশকত জাপানত সামৰিক শক্তিসমূহ ক্ৰমাৎ অধিক সমৰমুখী হৈ পৰিছিল। ঘৰুৱা ঠাইত তেওঁলোকে মধ্যমপন্থী চৰকাৰক ক্ষমতাচ্যুত কৰাৰ লগতে বাহিৰত সুদুৰ পূৰত জাপানী বিজয়ধ্বজা উৰাবলৈ প্ৰয়াস কৰে। জাপানে সমগ্ৰ উত্তৰ চীনক নিজৰ দখললৈ আনিবলৈ চেষ্টা কৰে। ১৯৩৫ চনত জাপানে মংগোলিয়াৰ ভিতৰুৱা অংশ দখল কৰে কাৰণ এয়া আছিল উত্তৰ চীন নিয়ন্ত্ৰণ কৰিব পৰা আটাইতকৈ সম্ভাব্য সুচল ঠাই।

মংগোলিয়াৰ ভিতৰ অংশ দখল কৰাৰ পিছত উৎসাহী হৈ জাপানে চীনৰ সন্মুখত দুয়োখন দেশৰ মাজত বিবাদ নিষ্পত্তি কৰিবলৈ তিনিটা দিশৰ এক কাৰ্যসূচী উত্থাপন কৰে। ইয়াৰ প্ৰথম চর্ত আছিল চীনত জাপানৰ বিৰুদ্ধে দমনমূলক নীতি পৰিহাৰ কৰা, দ্বিতীয় চর্ত আছিল চীনে মানচুৰিয়াক স্বীকৃতি প্ৰদান কৰি অর্থনৈতিক উন্নয়নৰ বাবে জাপান আৰু মানচুকুক সহযোগিতা আগবঢ়াব লাগিব, তৃতীয় চর্তটো আছিল উত্তৰ চীনৰ পৰা সাম্যবাদক দমন আৰু নির্মূল কৰিবলৈ জাপানক চীনা কর্তৃপক্ষই সহায় কৰিব।

১৯৩৬ চনৰ সমগ্ৰ বর্ষটো জাপানে এই তিনিদফীয়া দাবী মানি ল'বলৈ চীনা চৰকাৰক হেঁচা প্ৰয়োগ কৰিছিল। কিন্তু উত্তৰ চীনত জাপানে গ্ৰহণ কৰা সাম্ৰাজ্যবাদী ভূমিকাৰ বাবে ক্ষুব্ধ হৈ থকা দেশপ্ৰেমী চীনাসকলে জাপানৰ এই তিনিদফীয়া দাবীৰ বিৰোধিতা কৰিছিল কাৰণ ইয়াৰ দ্বাৰা চীনৰ সংহতিৰ বিৰূপ ছবি প্ৰকাশ পোৱাৰ সম্ভাৱনা আছিল।

গতিকে এই ক্ষেত্ৰত জাপানী চুক্তি গ্ৰহণ কৰা প্ৰক্ৰিয়া বিলম্ব কৰাবলৈ চীনৰ ৰাষ্ট্ৰীয়তাবাদী চৰকাৰে এক প্ৰতিৰোধী কার্যসূচী গ্ৰহণ কৰিছিল য'ত অন্তর্ভুক্ত কৰা হৈছিল কেতবোৰ গুৰুত্বপূর্ণ দিশ যেনে চীনৰ উপকূলত জাপানী, কোৰিয়ান আৰু ফৰমচাৰ মাদক দ্ৰব্য ব্যৱসায়ী সকলক দমন কৰাৰ ক্ষেত্ৰত চীনক জাপানৰ সহযোগিতা, টাংকু চুক্তি বাতিল আৰু হপেইত সামৰিক এলেকা উঠাই নিয়া, ১৯৩২ চনৰ শান্তি চুক্তি অনুসৰি চাংহাইৰ সামৰিক এলেকা উঠাই নিয়া, হপেই আৰু চাহাৰ প্ৰদেশৰ জাপানী সেনা সম্পূর্ণৰূপে আতৰাই নিয়া আৰু পূৰ হপেইত য়িন জু কেঙৰ স্বায়ত্বশাসিত শাসনৰ বিলোপ সাধন।



জানি থোৱা ভাল

মানচুৰিয়া দখল কৰাৰ পিছত জাপানে মানচুকু নামৰ এক নতুন স্বাধীন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিছিল। চীনৰ পৰা স্বাধীন বুলি ঘোষণা কৰি পৃথকভাৱে এই ৰাষ্ট্ৰই ১৯৩২ চনৰ ১৮ ফেব্ৰুৱাৰীত আত্মপ্ৰকাশ কৰে। জাপানী চৰকাৰে পুতলা নচোৱাৰ দৰে এই ৰাষ্ট্ৰ শাসন কৰিছিল। ১৯১২ চনত ৰাজসিংহাসন হেৰুওৱা পু য়ি অথবা হেনৰী পু য়ি নামেৰে পৰিচিত চিং বংশৰ অন্তিমজন শাসকক মানচুকুৰ সম্ৰাটৰূপে প্ৰতিষ্ঠা কৰা হৈছিল। বিশ্বৰ কোনো দেশে স্বীকৃতি নিদিয়া মানচুকুক কেৱল জাপানেহে ৰাষ্ট্ৰৰূপে স্বীকৃতি দিছিল যিখন প্ৰকৃততে আছিল মানচুৰিয়াত জাপানী আগ্ৰাসনৰ পৰিচায়কহে।

এনেসময়তে জাপানে মংগোলিয়াৰ সেনা দলৰ সহায়ত চীনৰ চুয়িয়ান প্ৰদেশত অভিযান চলায়। এই কাৰ্যৰ ফলত চীনবাসীৰ মনত জাপানবিৰোধী ঢৌ তীব্ৰতৰ হৈ উঠে আৰু চীনা চৰকাৰে জাপানী চৰকাৰৰ তিনিদফীয়া চুক্তি সম্পূৰ্ণৰূপে নস্যাৎ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন আৰু ৰাছিয়াইও চীনত জাপানৰ কাৰ্যকলাপক লৈ সন্দিহান হৈ উঠে আৰু ইয়াৰ বিৰুদ্ধে মাত মাতিবলৈ আৰম্ভ কৰে। পশ্চিমীয় শক্তিসমূহৰ এই চীনৰ সপক্ষে গ্ৰহণ কৰা স্থিতিৰ ফলত জাপান ক্ৰমাৎ অকলশৰীয়া হৈ উঠিছিল যাৰ বাবে জাপানে জাৰ্মানীৰ সৈতে এক বন্ধুত্বসুলভ চুক্তি স্বাক্ষৰ কৰে। জাৰ্মানীৰ সৈতে জাপানে গ্ৰহণ কৰা এই চুক্তিৰ মূল উদ্দেশ্য আছিল ৰাছিয়াই চীনত সাম্যবাদী ঢৌ অনাৰ প্ৰয়াস আৰু দেশখনক আগবঢ়োৱা সহায় বন্ধ কৰা। সেইবাবে এই চুক্তিক সাম্যবাদী বিৰোধী চুক্তি বুলিও জনা যায়।

চীনত ৰাছিয়াৰ প্ৰভাৱৰ বিৰুদ্ধে সুৰক্ষা নিশ্চিত হোৱাৰ পিছতে জাপানে দমনমূলকভাৱে চীনত একচ্ছত্ৰী সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ কঠোৰ পদক্ষেপ ল'বলৈ ধৰে। চীনত সজোৰে আক্ৰমণ চলাবলৈ জাপানে সুবিধাৰ সন্ধান কৰিবলৈ ধৰে। ১৯৩৭ চনৰ সাত জুলাইত পেকিঙৰ নিকটৱৰ্তী লুকুচিয়াও নামৰ এখন গাঁৱত জাপানী সৈন্যই প্ৰৱেশ কৰে। এনেসময়তে এজন জাপানী সৈন্য সন্ধানহীন হৈ থকাত জাপানে লুকুচিয়াও গাঁৱত সন্ধান চলোৱাৰ দাবী উত্থাপন কৰে। চীনে এই দাবী মানি নোলোৱাত জাপানী সৈন্যই চীনাসকলৰে লক্ষ্য কৰি ধাৱাষাৰ গুলীবৰ্ষণ কৰে। এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ চীনা সৈন্যইও আক্ৰমণ কৰাত প্ৰচণ্ড গুলীয়াগুলি সংঘটিত হয়।

এই ঘটনাৰ ফলত চীন-জাপান যুদ্ধ আৱশ্যাম্ভাৱী হৈ পৰে আৰু জাপানী আগ্ৰাসনৰ সামূহিক সমস্যা ৰোধ কৰাৰ স্বাৰ্থত চীনে জাপানৰ সাম্যবাদী প্ৰতিপক্ষৰ সৈতে হাত মিলায়। জাপানী সৈন্যই অতি সোনকালে পেকিং টিয়েনচিন এলেকা দখল কৰে। ইয়াৰ পিছতে ক্ৰমাৎ টাইয়ুয়ান, চাঁচী, হপেই, উত্তৰ চানটুং, চুয়িয়ান, চাহাৰ, চাংহাই আৰু নানকিং(ৰাষ্ট্ৰীয়তাবাদী চৰকাৰৰ ৰাজধানী) জাপানৰ দখললৈ আহে। ১৯৩৭ চনৰ ১৪

ডিচেম্বৰত জাপানে চীনৰ বাবে পেকিঙত এক প্রাদেশিক চৰকাৰ গঠন কৰে। এই বিজয়ৰ ফলত উত্তৰ চীন আৰু য়াংগজে এলেকাৰ নিম্ন অংশত জাপানী নিয়ন্ত্রণ প্রতিষ্ঠা হয়।

নানকিঙত দখলৰ পিছত জাপানে আশা কৰিছিল যে চীন-জাপান বিবাদৰ ওৰ পেলাবলৈ চীনে জাপানৰ চর্তাৱলী গ্রহণ কৰিব। কিন্তু চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰে জাপানৰ শান্তি চুক্তি নস্যাৎ কৰে আৰু হানকোৰ নতুন কার্যালয়ৰ পৰা যুদ্ধ অব্যাহত ৰখাৰ সিদ্ধান্ত গ্রহণ কৰে। এনে সময়তে চীনত জার্মানীৰ ৰাষ্ট্রদূত ডঃ ভন ট্রটমেনেও হানকোত চীনা চৰকাৰৰ সৈতে এক বুজাবুজি কৰিবলৈ চেষ্টা কৰে। বুজাবুজিৰ এই প্রচেষ্টাৰ সময়চোৱাতে জাপানে চীনৰ ওপৰত আক্রমণ সাময়িকভাৱে স্থগিত ৰখাত চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰৰ মুৰব্বী জেনেৰেল চিয়াং কাই চেকে চীনৰ সৈন্যদলক পুনৰ সংগঠিত কৰাৰ সুযোগ লাভ কৰে।

ডঃ ভনৰ বুজাবুজিৰ এই প্রয়াস ব্যর্থ বিবেচিত হয় কাৰণ জাপানে হানকো দখলৰ লক্ষ্যৰে পুনৰ আক্রমণ চলায়। প্রথমে চুকয় দখল কৰি জাপানে হানকো দখল কৰাৰ চেষ্টা কৰে কিন্তু জেনেৰেল লি চুং টেনৰ নেতৃত্বত চীনা সৈন্যই ১৯৩৮ চনৰ এপ্রিল মাহত চুকয়ৰ উত্তৰ পূৱ দিশৰ টাইয়াৰচুয়াং নামৰ নগৰখনত জাপানী সৈন্যক শোচনীয়ভাৱে পৰাজিত কৰে।

চীনৰ এই জয়ে জাপানক অসুবিধাত পেলালেও চুকয় আৰু অৱশেষত ১৯৩৮ চনৰ ২৫ অক্টোবৰত হানকো জাপানে অনায়াসে দখল কৰে। আনকি কেনটনো জাপানৰ দখললৈ আহিছিল।

হানকোৰ পৰা চীনা চৰকাৰে নিজৰ মুখ্য ঘাটি চুঙকিঙলৈ স্থানান্তৰ কৰে। ১৯৪০ চনৰ জুন মাহত জাপানে চুঙকিঙৰ পৰা পাঁচশ কিলোমিটাৰ নিলগৰ ইচাং দখল কৰে। লগতে জাপানী সৈন্যই চুঙকিঙ সহ চীনা চহৰসমূহত বোমাবর্ষণ কৰিবলৈ ধৰে। কেৱল পশ্চিম আৰু উত্তৰ-পশ্চিম প্রদেশৰ বাহিৰে চীনৰ আন অংশ জাপানৰ নিয়ন্ত্রণলৈ আহে। ইয়াৰ ফলত চীনত অধিকৃত প্রদেশসমূহত পুতলা চৰকাৰ গঠন কৰি জাপানে পৰোক্ষ শাসন চলোৱাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। এই পুতলা চৰকাৰসমূহৰ উল্লেখযোগ্য আছিল চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰৰ প্রকৃত ৰাজধানী নানকিঙত ১৯৪০ চনৰ ৩০ মার্চত গঠন কৰা চৰকাৰখন।

নানকিঙত গঠন কৰা পুতলা চৰকাৰখনৰ নেতৃত্বত আছিল ৰাষ্ট্রীয়তাবাদী দল অথবা কুমিনটাঙৰ প্রাক্তন সদস্য ৱাং চিং ৱেই। নানকিঙত এই পুতলা চৰকাৰ গঠন হোৱাৰ ফলত জাপানে ইয়াকে চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰ গণ্য কৰি চীন-জাপান যুদ্ধৰ ওৰ পেলাবলৈ এক চুক্তি কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে। নানকিঙত জেনেৰেল আবেক ৰাষ্ট্রদূত ৰূপে নিয়োগ কৰি জাপানে নতুনকৈ গঠন কৰা চীনৰ পুতলা ৰাষ্ট্রীয়তাবাদী চৰকাৰৰ সৈতে শান্তি চুক্তিৰ কুচ কাৱাজ চলায়। সেইমতে ১৯৪০ চনৰ ৩ জুনত ৱাং চৰকাৰৰ সৈতে এক চুক্তি মর্মে চীন-জাপান যুদ্ধৰ ওৰ পেলোৱাৰ ঘোষণা কৰা হয়।

সৰ্বশেষত ১৯৪০ চনৰ ৩০ নৱেম্বৰত জাপান আৰু ৰাং চৰকাৰৰ মাজত এক শান্তি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ দ্বাৰা কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় যেনে, ক) দুয়োখন চৰকাৰে পৰস্পৰৰ সাৰ্বভৌমত্ব আৰু এলেকাভিত্তিক সংহতিৰ প্ৰতি সন্মান জনোৱাৰ লগতে সকলো দিশতে বন্ধুত্বসুলভ পদক্ষেপৰ সিদ্ধান্ত গ্ৰহণ কৰে। খ) সুস্থ সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত সহযোগিতাৰ সিদ্ধান্ত লোৱা হয়। গ) সাম্যবাদী শক্তিৰ বিৰুদ্ধে যুটীয়াভাৱে যুঁজ দিয়া আৰু এইক্ষেত্ৰত সাম্যবাদীসকল সম্পূৰ্ণৰূপে পৰাভূত নোহোৱা পৰ্যন্ত মংগোলিয়াৰ ভিতৰুৱা এলেকা আৰু উত্তৰ চীনত পৰ্যাপ্ত জাপানী সৈন্য মজুত ৰখা। ঘ) ব্যৱসায়-বাণিজ্য আৰু উত্তৰ চীন তথা মংগোলিয়াৰ ভিতৰুৱা এলেকাৰ খনিজ সম্পদ আহৰণৰ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বৰ্তাই ৰখা আৰু ঙ) চীনত জাপানৰ দখলত থকা অতিৰিক্ত এলেকাভিত্তিক অধিকাৰ নিৰ্মূল কৰা।



অগ্ৰগতিৰ নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক

প্ৰশ্ন ৭ঃ চীনৰ ৰাষ্ট্ৰীয়তাবাদী চৰকাৰৰ নতুন ৰাজধানীৰ নাম কি আছিল?

.....

.....

প্ৰশ্ন ৮ঃ চীনত পুতলা চৰকাৰৰ নেতৃত্বত কোন আছিল?

.....

.....

প্ৰশ্ন ৯ঃ পেকিঙত কোন চনত চীনৰ বাবে এক প্ৰাদেশিক চৰকাৰ জাপানে গঠন কৰিছিল?

.....

.....



৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে,

- জাপানৰ সম্ৰাট মুটুচিহুৱে ক্ষমতা আৰু উপযুক্ত আসন লাভ কৰাৰ পিছতে আন আন ক্ষেত্ৰৰ লগতে প্ৰতিশ্ৰুতি দিছিল যে দেশৰ সুপৰিচালনাৰ বাবে জনমতৰ ভিত্তিত জাপানত অৰ্ধ সামৰিক সংস্থাৰ ব্যৱস্থা কৰা হ'ব। এই ৰাজকীয় ঘোষণাই জাপানত ৰাজনৈতিক দলৰ উত্থানৰ বাট মুকলি কৰে। ইয়াৰ ফলত ৰিচ্চিকা, জিয়ুটু, কেইচিহিনটো

আৰু ৰিক্কেন আদি বহুকেইটা ৰাজনৈতিক দলৰ গঠন হয়। বিভিন্ন ক্ষেত্রক প্রতিনিধিত্ব কৰিলেও এই ৰাজনৈতিক দলসমূহে এক জনপ্রিয় আৰু স্বাধীন চেতিয়া সংবিধানৰ দাবী উত্থাপন কৰে। তাৎপর্যপূর্ণ যে এই দলসমূহে ৰাজহুৱাকৈ চৰকাৰী নীতিক অতি কঠোৰভাৱে সমালোচনা কৰিছিল। ইয়াৰ ফলত সকলো ৰাজনৈতিক দল নিষেধ কৰাৰ লগতে উদাৰপন্থী আৰু প্রগতিশীল ৰাজনৈতিক দলৰ প্রভাৱ ৰোধ কৰিবলৈ এক ৰাজকীয় দল গঠন কৰা হৈছিল।

- ৰাজনৈতিক দলসমূহৰ গঠনে জাপানত এক গণতান্ত্রিক ব্যৱস্থা গঢ়ি তোলাত সহায় কৰে। কিন্তু সেনা বিষয়া আৰু জেইবটছুৱে নিজৰ ক্ষমতা হ্রাস পোৱাৰ আশংকাত ৰাজনৈতিক দলসমূহৰ উত্থানত শেন দৃষ্টি ৰাখিবলৈ চেষ্টা কৰিছিল। ইয়াৰ পৰিণতিত উত্তৰ মেজাই যুগত গণতান্ত্রি ব্যৱস্থা বিফল পৰিগণিত হয়।
- মেইজি চৰকাৰৰ (১৮৬৮-১৯১১) মতে জাপান আছিল পশ্চিমীয়া সাম্রাজ্যবাদৰ কু-দৃষ্টিত। জাপান আৰু পশ্চিমীয়া ঔপনিৰেশিক শক্তিৰ মাজত অর্থনৈতিক আৰু সামৰিক শক্তিৰ ক্ষেত্রত বৃহৎ তফাৎ আছিল। সেইবাবে মেইজি চৰকাৰে জাপানী অর্থনীতি আৰু সেনা শক্তিশালী কৰি তোলাৰ ব্যৱস্থা গ্রহণ কৰে। জাপানলৈ আমন্ত্রণ কৰি অনা প্রুছিয়াৰ চৰকাৰী মুৰব্বী হেলমাউথ ভন মল্টকেচেণ্ট মেকেলৰ পৰামর্শমতে সামৰিক সংস্কাৰ সাধন কৰা হয়। সামৰিক দিশক শক্তিশালী কৰি তোলাৰ ফলত দ্বিতীয় বিশ্বযুদ্ধৰ শেষ পর্যন্ত জাপানৰ ৰাজনৈতিক ব্যৱস্থাত সামৰিক প্রভাৱ অত্যন্ত বৃদ্ধি পায়।
- জাপানত সামৰিক উত্থান আৰু বিস্তাৰমূলক নীতিৰ বাবে চীনত জাপানে হস্তক্ষেপ কৰিবলৈ ধৰে। জাপানৰ এই হস্তক্ষেপ চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰে মুঠেও পচন্দ কৰা নাছিল আৰু ইয়াৰ পৰিণতিত ১৯৩৭ চনত চীন-জাপানৰ দ্বিতীয়খন যুদ্ধ সংঘটিত হয়। জাপানী সৈন্যৰ বিৰুদ্ধে চীনা সৈন্যই সাহসিকতাৰে যুঁজ দিলেও বেছিভাগ ক্ষেত্রতে তেওঁলোক পৰাস্ত হ'বলগীয়া হয়। ১৯৪০ চনলৈকে কেৱল পশ্চিম আৰু উত্তৰ-পশ্চিম প্রদেশৰ বাহিৰে সমগ্র চীন জাপানে দখল কৰে। ইয়াৰ পিছতে চীনৰ অধিকৃত প্রদেশত পুতলা চৰকাৰ গঠন কৰি জাপানে নিজৰ ভেঁটি সুদৃঢ় কৰে। এনেধৰনৰ এক অন্যতম পুতলা চৰকাৰ আছিল চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰৰ ৰাজধানী নানকিঙত গঠন কৰা পুতলা চৰকাৰ। নানকিঙত গঠন কৰা এই পুতলা চৰকাৰক জাপানে চীনৰ ৰাষ্ট্রীয়তাবাদী চৰকাৰ বুলি বিবেচনা কৰিছিল আৰু ইয়াৰ সৈতে এক চুক্তি সম্পন্ন কৰি চীন-জাপান যুদ্ধৰ অন্ত পেলোৱা হৈছিল।



৫.৮ অধিক জানিবলৈ

1) Singh,A.K.,(1984),*History of Far East in Modern Times*, Delhi-110007, Surjeet Publications.

2) Vinacke,H.M.,(1982),*A History of The Far East In Modern Times*, New Delhi,Kalyani Publications.

3) David,M.D., *History of Modern Japan,*(First edition 1979),Bombay 400054,Himalaya Publishing House.



৫.৯ অগ্রগতিৰ খনিয়ান

প্রশ্ন উত্তৰ ১ ঃ ইটাগাকি।

প্রশ্ন উত্তৰ ২ ঃ ৰিক্কেন টেইছেট'।

প্রশ্ন উত্তৰ ৩ ঃ ১৮৮২।

প্রশ্ন উত্তৰ ৪ ঃ জেইবটছু।

প্রশ্ন উত্তৰ ৫ ঃ ১৯৩১।

প্রশ্ন উত্তৰ ৬ ঃ ১৯৩৭-১৯৪৫।

প্রশ্ন উত্তৰ ৭ ঃ চুনকিগ।

প্রশ্ন উত্তৰ ৮ ঃ ৰাং চিং ৰেই।

প্রশ্ন উত্তৰ ৯ ঃ ১৪ ডিচেম্বৰ, ১৯৩৭



৫.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়াক)

প্রশ্ন নং ১ ঃ ফুক'কো কিয়হেই বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ মেকেল বুলিলে কি বুজে?

প্রশ্ন নং ৩ ঃ সাম্যবাদী বিৰোধী চুক্তি বুলিলে কি বুজে?

প্রশ্ন নং ৪ ঃ দ্বিতীয় চীন-জাপান যুদ্ধৰ মূল কাৰণ কি আছিল?

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ চমুটোকা লিখক

ক) জাপানত ৰাজনৈতিক দলৰ উত্থান।

খ) দ্বিতীয় চীন-জাপান যুদ্ধৰ মূল।

প্রশ্ন নং ২ ঃ ১৯৪০ চনত চীনা চৰকাৰ আৰু জাপানী চৰকাৰৰ মাজত স্বাক্ষৰিত চুক্তিৰ দফাসমূহ উল্লেখ কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ দ্বিতীয় চীন-জাপান যুদ্ধৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ 'সেনাৰ শক্তি হৈছে ৰাষ্ট্রৰ শক্তিৰ সমান-এই আদর্শৰ ওপৰত ভিত্তি কৰিয়ে জাপানত সামৰিকবাদ গঢ়ি উঠিছে।' আলোচনা কৰক।

* * * * *

অধ্যায় ৬ ঃ ৰাছিংটন সম্মিলন (১৯২১-১৯২২)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ সম্মিলনৰ পটভূমি
৬.৪ সম্মিলনৰ উদ্দেশ্য
৬.৫ সম্মিলনৰ গুৰুত্ব
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাছিংটন সম্মিলনৰ পটভূমি বিচাৰি উলিয়াব পাৰিব,
- সম্মিলনৰ উদ্দেশ্য বর্ণনা কৰিব পাৰিব,
- সম্মিলনৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

ৰাছিংটন সম্মিলন প্রধানতঃ জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ মাজত বৃদ্ধি পোৱা সন্দেহৰ ফলত ১৯২১ চনৰ ১১ নৱেম্বৰত আহ্বান কৰা হৈছিল। ৰুছো-জাপান যুদ্ধৰ পিছৰ পৰিস্থিতি লগ হৈ এই দুখন দেশৰ মাজত মত বিৰোধ বৃদ্ধি কৰিছিল আৰু ফল হিচাপে আমেৰিকা যুক্তৰাষ্ট্রই পূৱ প্রান্তত জাপানৰ ক্ষমতাক বাধা দিবলৈ সম্মিলন আহ্বান কৰিছিল। এই অধ্যায়ত আমি এই সম্মিলনৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিম।

৬.৩ সম্মিলনৰ পটভূমি

১৯০৪-০৫ চনৰ ৰুছো জাপান যুদ্ধত জাপানৰ হাতত ৰাছিয়াৰ পৰাজয়ৰ বাবে পশ্চিমীয়া শক্তিবোৰে জাপানৰ উত্থান গুৰুত্বসহকাৰে ভাবিবলৈ আৰম্ভ কৰিছিল। ৰুছ-জাপান যুদ্ধই কিছু সময়ৰ বাবে ৰাছিয়াক দুর্বল কৰিছিল আৰু ইয়াৰ দ্বাৰা মাঞ্চুৰিয়াৰ জাপানৰ আক্রমণাত্মক নীতিক উদগনি দিছিল। (আমি চতুর্থ অধ্যায়ত আলোচনা কৰিছো) ১৯০২ চনৰ এংলো-জাপান চুক্তিয়ে চীনত তাইৰ নিজৰ স্থান সম্প্রসাৰণ কৰিবলৈ বহু পৰিমাণে সহায় কৰিছিল। জাপানৰ আক্রমণাত্মক নীতিয়ে পূৱ প্রান্তত বিশেষকৈ চীনৰ প্রধান ভূ-ভাগত আমেৰিকা যুক্তৰাষ্ট্রক আকর্ষণ কৰিছিল, যাৰ বাস্তবিকতে পূব প্রান্তত কোনো অঞ্চলৰ পৰিকল্পনা নাছিল। এজন বন্ধু হিচাপে ইংলেণ্ডে পূৱ প্রান্তত জাপানৰ

কাম-কাজত হস্তক্ষেপ কৰা নাছিল। গতিকে আমেৰিকা যুক্তৰাষ্ট্ৰই, যিয়ে মাঞ্চুৰিমাত জাপানৰ কামক নিয়ন্ত্ৰণৰ বিশ্বাসহীন কাম কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াৰ ফলত এই দুই শক্তিৰ মাজত যুদ্ধসদৃশ পৰিৱেশৰ বিকাশ ঘটিছিল। সেই কাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰই পৰিস্থিতিক সুৰক্ষিত কৰিবলৈ পূব প্ৰান্তত কামৰ মোকাবিলা কৰিবলৈ এখন আন্তঃৰাষ্ট্ৰীয় সম্মিলন আহ্বান কৰিব বিচাৰিছিল।

উত্তেজনাময় পৰিস্থিতিৰ লগতে জাপান, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বৃটেইনৰ মাজত অস্ত্ৰৰ দৌৰাত্মৰ বিকাশ ঘটিছিল, যাৰ বিশ্বত আৰু পূব প্ৰান্তত শান্তি অধ্যাহত ৰখাৰ অৱকাশ আছিল। কিন্তু শান্তি বন্দোবস্ত কৰাৰ পৰিবৰ্তে সিহঁতে অস্ত্ৰৰ দৌৰাত্মত বিশেষভাৱে নৌ বিভাগত বিকাশ ঘটাইছিল, সিয়ে তেওঁলোকৰ মাজত সন্দেহ বৃদ্ধি কৰিছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰই যিহেতু বিশ্বযুদ্ধত জড়িত হ'বলৈ গুৰুত্ব দিয়া নাছিল, পূৰ প্ৰান্তত চীনৰ স্থানক পুনৰ স্থাপনৰ দ্বাৰা ক্ষমতাৰ ভাৰসাম্য অব্যাহত ৰাখিব বিচাৰিছিল। তাইক বিভিন্ন সময়ত জাপানৰ দ্বাৰা শোষণ কৰা হৈছিল। একে সময়তে চীনৰ জনগণে ক্ৰমানুসাৰে সিহঁতৰ মৰ্যদা সম্পৰ্কে অৱগত হৈ পৰে। চীনৰ মে ফোৰ্ট আন্দোলনে ইয়াৰ জনগণৰ জাতীয় সচেতনতা মুক্তভাৱে দৃঢ়তাৰে প্ৰকাশ কৰিছিল। ৰাছিংটন সম্মিলনে চীনৰ স্বাৰ্থৰ অনুকূলে শক্তিবোৰৰ মতামতক সঞ্চালনা কৰাত সহায় কৰিছিল।

১৯২১ চনৰ নৱেম্বৰৰ ৰাছিংটন সম্মিলনৰ আগতে বহুসংখ্যক মানুহৰ দ্বাৰা বিপদজনক আৰু ধ্বংসমূলক অস্ত্ৰৰ প্ৰতিযোগিতা সমাপ্ত কৰিবলৈ সেই ধৰণৰ সম্মিলন আহ্বান কৰিবলৈ যথেষ্ট প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু বিভিন্ন কাৰণৰ বাবে সেই প্ৰচেষ্টাবোৰ সফল হোৱা নাছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হগছৰ চেক্ৰেটাৰীয়ে প্ৰস্তাৱিত ৰাছিংটন সম্মিলনত নিমন্ত্ৰণ কৰিবলগীয়া ৰাষ্ট্ৰৰ এখন তালিকা সাজু কৰিছিল আৰু ১৯২১ চনৰ ১১ আগষ্টত আনুষ্ঠানিক নিমন্ত্ৰণ ব্যক্তিগত শক্তিবোৰক প্ৰেৰণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰক সামৰি তাত এটা শক্তি আছিল— গ্ৰেট বৃটেইন, ফ্ৰান্স, ইটালী, জাপান, চীন, বেলজিয়াম, নেদাৰলেণ্ড আৰু পৰ্টুগাল। সকলো নটা শক্তিৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে পূৰ প্ৰান্তত আৰু প্ৰশান্ত অঞ্চলত কিছু গুৰুত্ব আছিল। ৰাছিয়াক, ৰাছিয়াত চৰকাৰৰ পৰিৱৰ্তনৰ বাবে সম্মিলনৰ পৰা বাহিৰ কৰা হৈছিল। ৰলছেভিক চৰকাৰক পূজিবাদী দেশবোৰৰ দ্বাৰা স্বীকাৰ কৰা হোৱা নাছিল। সম্মিলনৰ প্ৰধান বিষয় 'বৃহৎ তিনি'ৰ দ্বাৰা তত্বাৱধান কৰা হৈছিল, সেইবোৰ হ'ল আমেৰিকা, গ্ৰেট বৃটেইন আৰু জাপানৰ প্ৰতিনিধি।



জানি থোৱা ভাল

নিমন্ত্ৰিত ৰাষ্ট্ৰৰ কিছু গুৰুত্বপূৰ্ণ ব্যক্তিত্বৰ দ্বাৰা প্ৰতিনিধিত্ব আগবঢ়োৱা হৈছিল—

আমেৰিকাৰ প্ৰতিনিধিত্ব আগবঢ়োৱা হৈছিল ৰাষ্ট্ৰৰ ছেক্ৰেটাৰী চাৰ্লচ ইভানচ, ইগছৰ দ্বাৰা। বৃটিছৰ প্ৰতিনিধিত্ব আগবঢ়োৱা হৈছিল পূৰ্বৰ প্ৰধানমন্ত্ৰী আৰু বৈদেশিক ছেক্ৰেটাৰী আৰ্থাৰ বালকোৰৰ দ্বাৰা। জাপানৰ প্ৰতিনিধিত্ব কৰা হৈছিল নৌ সেনাধ্যক্ষ বেৰন কাটো টমাৰোবুৰোৰৰ দ্বাৰা, জাপানৰ প্ৰধানমন্ত্ৰী হ'ব। ফ্ৰান্সৰ প্ৰতিনিধিত্ব আগবঢ়োৱা হৈছিল এৰিষ্টিভি ব্ৰিয়াণ্ড, বৈদেশিক বিভাগৰ মন্ত্ৰী আৰু ৰিনি ভিভিএনি।

৬.৪ সম্মিলনৰ উদ্দেশ্য

ৱাছিংটন সম্মলনৰ অধিৱেশন ১৯২১ চনৰ নৱেম্বৰৰ ১১ তাৰিখৰ পৰা ১৯২২ চনৰ ৬ ফেব্ৰুৱাৰীলৈ আছিল। সম্মিলনে প্ৰধানত দুটা উদ্দেশ্যৰ ওপৰত গুৰুত্ব দিছিল। সেইবোৰ হ'ল—

- নৌ শক্তিৰ সীমাবদ্ধতা আৰু প্ৰশান্ত অঞ্চলত শক্তিবোৰৰ সংঘাতপূৰ্ণ স্বাৰ্থৰ ওপৰত এক প্ৰস্তাৱ লোৱা।
- এংলো জাপানৰ সংঘাত আৰু চীন-জাপানৰ সংঘাতৰ মীমাংসা কৰিবলৈ ছয়খন চুক্তি অন্তৰ্ভুক্ত কৰা হৈছিল আৰু ১৩টা প্ৰস্তাৱনা সমগ্ৰ সম্মিলনৰ সময়ত গ্ৰহণ কৰা হৈছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ সকলোবোৰ চুক্তি আৰু প্ৰস্তাৱনা আছিল— চাৰিটা শক্তিৰ প্ৰশান্ত চুক্তি, পাঁচটা শক্তিৰ নৌ শক্তি, নটা শক্তিৰ চুক্তি, মূল প্ৰস্তাৱনাবোৰ আৰু চানটুউৰ লগত সম্পৰ্কিত চুক্তি।

  (ক) **চাৰি শক্তিৰ চুক্তি** আমেৰিকা, বৃটেইন, ফ্ৰান্স আৰু জাপানৰ দ্বাৰা ১৯২১ চনৰ ১৩ ডিচেম্বৰত স্বাক্ষৰিত কৰা হৈছিল। এই দহ বছৰীয়া চুক্তিৰ স্বাক্ষৰকাৰীসকলে সন্মত হৈছিল যে—

- প্ৰশান্ত অঞ্চলত সিহঁতৰ 'দ্বীপৰ অধিকাৰ আৰু দ্বীপৰ আধিপত্য' বিষয়ত ইজনে আনজনৰ অধিকাৰক সন্মান কৰিব।
- যৌথ সন্মিলনত পূৰ্ণ কৰিবলৈ প্ৰশান্তত সূচনা হোৱা যিকোনে প্ৰস্থাৰ বিবাদৰ আৰু সিহঁতৰ ঘোষিত অধিকাৰত জড়িতৰ মীমাংসা আৰু বিবেচনাৰ বাবে, যিবোৰ সন্তোষজনকভাৱে কূটনীতিৰ দ্বাৰা মীমাংসা কৰা হোৱা নাছিল।
- যদি চুক্তিবদ্ধ দলে যিকোনো অন্য শক্তিৰ আক্ৰমণাত্মক কাৰ্যৰ দ্বাৰা ভাবুকি সম্পন্ন হয়, তেতিয়া এটাই আনটোৰ লগত সম্পূৰ্ণভাৱে সংযুক্ত হ'ব।

  (খ) **পঞ্চশক্তিৰ চুক্তি** ১৯২২ চনৰ ৬ ফেব্ৰুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেইন, ফ্ৰান্স, জাপান আৰু ইটালীৰ মাজত স্বাক্ষৰিত কৰা হৈছিল। ইয়ে বহুসংখ্যক শ হাজাৰ টন প্ৰধান জাহাজৰ থূপ যোগান ধৰিছিল আৰু চুক্তিবদ্ধকাৰীৰ নৌৰ পৰিমাণ ৫ ঃ ৫ ঃ ৩ ঃ ১ ঃ ৭ ঃ ১ ঃ ৭ হাৰত আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন, জাপান, ফ্ৰান্স আৰু ইটালীৰ বাবে ক্ৰমানুসাৰে নিৰ্ধাৰণ কৰা হৈছিল। এইদৰে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু গ্ৰেট বৃটেইনৰ নৌ সমতা কৰা হৈছিল। জাপানৰ নৌ বৃটিছ বা আমেৰিকান নৌ বাহিনীৰ দৰে ৬০ শতাংশ হ'ব। ফ্ৰান্স আৰু ইটালীৰ প্ৰত্যেকৰে নৌ শক্তি ইংলেণ্ড আৰু আমেৰিকাতকৈ ৩৫ শতাংশ নিৰ্ধাৰণ কৰা হৈছিল। এইবোৰ সীমাবদ্ধতা মাত্ৰ প্ৰধান জাহাজৰ লগত সম্পৰ্কিত আছিল আৰু মধ্যমীয়া আকাৰৰ ৰণতৰী, সৰু যুদ্ধৰ জাহাজ আৰু ছাৱমেৰিনৰ বাবে নহয়।

  (গ) **নটা শক্তিৰ দুৱাৰ মুকলিকৰণ চুক্তি** ১৯২২ চনৰ ৬ ফেব্ৰুৱাৰীত নখন অংশগ্ৰহণকাৰী ৰাষ্ট্ৰ যেনে— আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন, ফ্ৰান্স, জাপান,

ইটালী, বেলজিয়াম, নেদাৰলেণ্ড, পর্তুগাল আৰু চীনৰ মাজত স্বাক্ষৰিত কৰা হৈছিল। ই প্রধানতঃ সন্মান কৰিবলৈ আৰু চীনা গণৰাজ্যৰ সার্বভৌমত্ব, স্বাধীনতা আৰু ৰাষ্ট্রীয় একতাৰ লক্ষ্য কৰিবলৈ প্রস্তুত কৰা হৈছিল। চুক্তিবদ্ধকাৰীসকলে আগলৈ চীনক সবল আৰু স্থিৰ চৰকাৰ নিজৰ বাবে বিকশিত কৰা আৰু অব্যাহত ৰাখিবলৈ সম্পূর্ণ সুযোগ প্রদান কৰিবলৈ সন্মত হৈছিল। এই চুক্তিৰ অধীনত যুদ্ধৰ সময়ত চীনৰ নিৰপেক্ষতাক সন্মান কৰা হ'ব। ই দুৱাৰ মুকলি নীতিৰ কথা পুনৰ দৃঢ়তাৰে কৈছিল আৰু এইদৰে অন্যান্য শক্তিৰ চীনত সাধাৰণ স্বার্থৰ মূল্যত ব্যক্তিগত শক্তিৰ বাবে প্রভাৱাধীন ক্ষেত্রৰ সৃষ্টি কৰিবলৈ প্রস্তুত কৰা যিকোনো বন্দোবস্তৰ বিৰোধিতা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ঃ ৰাচিংটন সন্মিলন ..... চনত পতা হৈছিল।

প্রশ্ন নং ২ঃ ৰাচিংটন সন্মিলন .....ৰ শক্তি নিয়ন্ত্রণ কৰিবলৈ পৰা হৈছিল।

প্রশ্ন নং ৩ঃ পঞ্চশক্তি চুক্তি .....ত স্বাক্ষৰিত হৈছিল।

৬.৫ সন্মিলনৰ গুৰুত্ব

ৰাছিংটন সন্মিলনে এক অকর্মত কোনো নিশ্চিত লক্ষ্যত উপনীত হ'ব পৰা নাছিল। ই মাত্র পূৰ প্রান্তৰ শক্তিবোৰৰ মাজত পার্থক্য দূৰ কৰিছিল আৰু কিছু সময়ৰ বাবে পূৰ প্রান্তত উদ্বিগ্নতাৰ উপসম ঘটাইছিল, লক্ষণীয়ভাৱে জাপান আৰু চীন, আমেৰিকা যুক্তৰাষ্ট্রৰ আৰু জাপান আৰু বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ মাজত। বন্দোবস্ত প্রধানতঃ চুক্তিবদ্ধকাৰীসকলৰ ভাল বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত আছিল। সন্মিলনৰ কিছু কাম নিঃসন্দেহে আমেৰিকা যুক্তৰাষ্ট্রৰ বাবে সুবিধাজনক আৰু লক্ষণীয় আছিল। এংলো-জাপান চুক্তি, তাইলৈ গুৰুত্বপূর্ণ মূৰৰ কামোৰণি আছিল, মসৃণভাৱে এই সন্মিলনত আতৰ কৰা হৈছিল।

চীনৰ ক্ষেত্রত, ৰাছিংটন সন্মিলনে তাইৰ সার্বভৌমত্বৰ ওপৰত বলবৎ কৰা আপত্তিকৰ সীমাবদ্ধতা হ্রাস কৰা হৈছিল। তাই চানটুউত তাইলৈ পুনঃ প্রতিষ্ঠা কৰিছিল। কাগজত হ'লেও অন্ততঃ শক্তিবোৰৰ দ্বাৰা চীনক নিজৰ দ্বাৰা এক সবল চৰকাৰ বিকশিত আৰু অব্যাহত ৰাখিবলৈ সম্পূর্ণ সুযোগ প্রদান কৰা হৈছিল। এইদৰে সন্মিলনে অনাগত লুণ্ঠনৰ বিপৰীতে কিছু সময়ৰ বাবে চীনক সুৰক্ষিত কৰিছিল।

ৰাছিংটন সন্মিলনে কিছু পৰিমাণে পূৰ প্রান্তত জাপানৰ ক্রমবিকশিত শক্তিত বাধা আৰোপ কৰিছিল। জাপানৰ বাবে চানটুউ চীনলৈ পুনৰ অর্পণ নিঃসন্দেহে, জাপানৰ চীনা নীতিৰ পশ্চাদপসাৰণ আছিল। **ন-শক্তিৰ** চুক্তি, যিয়ে **ন-শক্তিৰ** চীনৰ সার্বভৌমত্ব, স্বাধীনতা আৰু ৰাষ্ট্রীয় একতাক সন্মান কৰাৰ নিশ্চয়তা দিছিল। চীনৰ মূল ভূখণ্ডত জাপানৰ কার্যত বাধা আৰোপ কৰিছিল।

কিন্তু সর্বোপৰি, সম্মিলন যিকোনো দীর্ঘস্থায়ী ফলাফল লাভত ব্যর্থ হৈছিল। ই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানৰ মাজত সংঘাতৰ মৌলিক সমল আতৰ কৰিব পৰা নাছিল। শক্তিবোৰৰ মাজত নৌ প্ৰতিযোগিতা চলি আছিল। জাপানক চানটুং চীনলৈ সমৰ্পন কৰিবলৈ বাধ্য কৰাৰ দ্বাৰা, তাইক চীনৰ ভূমিত সম্প্ৰসাৰণক বাধা দিব পৰা নাছিল।

চানচুঙ আৰু সমৰ্পণ কৰাৰ পিছত, জাপানে নিজৰ মনোযোগ মাঞ্চুৰিয়ালৈ পৰিৱৰ্তন কৰিছিল, চীনৰ অন্য এক ৰণকৌশল পূৰ্ণ অঞ্চল। শক্তিবোৰৰ বন্দোবস্ত সিহঁতৰ প্ৰশান্ত দ্বীপ অসুৰক্ষিত কৰাৰ বাবে, তাইক, তাইৰ ৰাজকীয় গুৰুত্ব থকা ঠাইত গুৰুত্বপূৰ্ণ স্থান দিছিল। তাই হাৱাই আৰু ছিংগাপুৰৰ মাজত বিস্তৃত প্ৰশান্ত অঞ্চলত নিজকে প্ৰধান হিচাপে প্ৰমাণিত কৰিছিল। ৱাছিংটন সম্মিলনে সাধাৰণতে অবিশ্বাসৰ ক্ৰমবিকশিত অনুভূতি প্ৰদৰ্শন কৰিছিল, যিটো জাপানক শক্তিবোৰৰ দ্বাৰা বিবেচনা কৰা হৈছিল। সম্মিলনে এক বিশ্বাসৰ অন্তৰাল প্ৰদান কৰিছিল, যি সময়ত জাপানে অনাগত আগ্ৰাসনৰ বাবে নিজকে সাজু কৰিছিল। জাপানৰ নীতিৰ পৰৱৰ্তী বিকাশৰ পৰা এইটো স্পষ্ট হয়।

অগ্ৰগতি নিৰীক্ষণ



শুদ্ধ উত্তৰটো বাচি উলিয়াওক

প্ৰশ্ন নং ৪ ঃ চীনে সম্মিলনৰ চুক্তি অনুসৰি চানটুঙ/পেকিং/চাংহাই ঘূৰাই পাইছিল।

.....

প্ৰশ্ন নং ৫ ঃ ৱাছিংটন সম্মিলনৰ পাছত জাপানে নিজৰ মনোযোগ পেকিং/মাঞ্চুৰিয়া/ভিয়েটনামলৈ স্থানান্তৰ কৰিছিল।

.....

প্ৰশ্ন নং ৬ ঃ ৱাছিংটন সম্মিলনে চীন/জাপান/আমেৰিকাক সুৰক্ষা দিয়াৰ চেষ্টা কৰিছিল।

.....



৬.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ৱাছিংটন সম্মিলন হোৱাৰ পৰিৱেশসমূহৰ বিষয়ে জানিব পাৰিলে। চীনত জাপানৰ ক্ৰমবৰ্ধিত মনোযোগ কিদৰে পশ্চিমীয়া শক্তিসমূহক চিন্তাত পেলাইছিল।
- সম্মিলনৰ উদ্দেশ্যসমূহ।
- জাপানৰ শক্তিত বাধা দিবৰ বাবে চুক্তিবদ্ধ হোৱা বিভিন্ন চুক্তিসমূহ।
- সম্মিলনে কোনো দীর্ঘস্থায়ী সমস্যা সমাধান কৰাত বিফল হৈছিল। সম্মিলনে জাপান আৰু আমেৰিকাৰ মাজৰ সংঘাটৰ প্ৰধান কাৰণটো গুচোৱাত বিফল হ'ল। শক্তিসমূহৰ নৌ প্ৰতিযোগিতা সম্মিলনৰ পাছতে চলি থকা পৰিলক্ষিত হয়।



৬.৭ অধিক জানিবলৈ

1) Singh,A.K.,(1984),*History of Far East in Modern Times*, Delhi-110007, Surjeet Publications.

2) Vinacke,H.M.,(1982),*A History of The Far East In Modern Times*, New Delhi,Kalyani Publications.

3) David,M.D., *History of Modern Japan,*(First edition 1979),Bombay 400054,Himalaya Publishing House.



৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১৯২১ চন

২ নং প্রশ্নৰ উত্তৰঃ জাপান

৩ নং প্রশ্নৰ উত্তৰঃ ৬ ফেব্রুৱাৰী, ১৯২২

৪ নং প্রশ্নৰ উত্তৰঃ চানটুং

৫ নং প্রশ্নৰ উত্তৰঃ মাঞ্চুৰিয়া

৬ নং প্রশ্নৰ উত্তৰঃ চীন



৬.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ ৱাচিংটন সম্মিলন কি কাৰণে পতা হৈছিল?

প্রশ্ন ২ঃ ৱাচিংটন সম্মিলনত আৰেকাকৈ কোনে প্রতিনিধিত্ব কৰিছিল?

প্রশ্ন ৩ঃ ন-শক্তি মুক্ত দ্বাৰ চুক্তিৰ যিকোনো এটা দফা উল্লেখ কৰক।

প্রশ্ন ৪ঃ ৱাচিংটন সম্মিলনৰ উদ্দেশ্যসমূহ কি কি আছিল?

খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ চাৰি-শক্তি চুক্তিৰ ওপৰত এটি চমু টোকা লিখক।

প্রশ্ন ২ঃ পঞ্চ-শক্তি চুক্তিৰ ওপৰত এটি চমু টোকা লিখক।

গ) দীঘল প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ ৱাচিংটন সম্মিলনৰ পটভূমি বর্ণনা কৰক।

প্রশ্ন ২ঃ ৱাচিংটন সম্মিলনৰ গুৰুত্বতা আলোচনা কৰক।

* * * * *

অধ্যায় ৭ ঃ দুখন বিশ্বযুদ্ধত জাপান

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বিশ্বযুদ্ধৰ পূৰ্বৰ জাপান
৭.৪ জাপান আৰু প্ৰথম বিশ্বযুদ্ধ
৭.৫ জাপান আৰু দ্বিতীয় বিশ্বযুদ্ধ
৭.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্ৰগতিৰ নিৰীক্ষণ
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- বিশ্বযুদ্ধৰ পূৰ্বে জাপানৰ পৰিস্থিতি পৰ্যালোচনা কৰিব পাৰিব,
- দুখনকৈ বিশ্বযুদ্ধত জাপান জড়িত হোৱাৰ কাৰণ বিশ্লেষণ কৰিব পাৰিব,
- প্ৰথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধত জাপানক অৱলোকন কৰিব পাৰিব।

৭.২ পৰিচয়

এই অধ্যায়ত এক বৃহৎ শক্তিৰূপে জাপানৰ উত্থান আৰু বিকাশ পৰ্যৱেক্ষণ কৰা হ'ব। এই অধ্যায়টোৱে দুখনকৈ বিশ্বযুদ্ধত কিমান পৰ্যায়লৈকে জাপান জড়িত হৈছিল সেইসন্দৰ্ভত আৰু দেশখনৰ লাভ লোকচানৰ বিষয়ে এক অৰ্ন্তদৃষ্টি প্ৰদান কৰিব। বৰ্তমান সময়ত জাপান হৈছে সমগ্ৰ বিশ্বৰ ৰাজনীতিক প্ৰভাৱিত কৰা এক অদমনীয় শক্তি। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বিশ্বৰ প্ৰেক্ষাপটত অবৰ্ণনীয় ধ্বংসলীলাত ইয়াৰ অৱদান ইতিহাসৰ পাতৰ পৰা কেতিয়াও মচা নাযায় আৰু সৰ্বকালৰ বাবে ই এক ক'লা অধ্যায়ৰূপে পৰিগণিত হৈ ৰ'ব। বিংশ শতিকাৰ আৰম্ভণিৰ লগে লগে সাম্ৰাজ্যবাদে এক কুৎসিত ৰূপ লোৱাৰ পৰিণতিয়েই আছিল ভয়ংকৰ যুদ্ধকেইখন।

৭.৩ বিশ্বযুদ্ধৰ পূৰ্বৰ জাপান

সূর্য উঠা দেশ জাপান মূলতঃ চাৰিটা প্ৰধান দ্বীপ হনছু, মেইনলেণ্ড, হক্কাইড' কিয়ছু আৰু শ্বিকাকৰ লগতে কেতবোৰ সৰু বৰ দ্বীপৰ সমষ্টি। জাপানৰ বাসিন্দাসকল ভিন্ন প্ৰজাতিৰ সংমিশ্ৰিত জনসমূহ আৰু প্ৰধানকৈ কৃষিজীৱি। সাধাৰণভাৱে জাপানৰ ধৰ্ম শ্বিনটইবাদ অৰ্থাৎ ভগৱানৰ

পথৰ অনুসৰণকাৰী কিন্তু চীনৰ প্ৰভাৱত ইয়াত বৌদ্ধধৰ্ম আৰু কনফুচিয়াবাদৰ বিকাশ ঘটিছে। প্ৰাচীন কালৰে পৰা জাপানত ৰাজতন্ত্ৰৰ প্ৰচলন চলি আহিছে। পুৰণি সময়ৰ পৰাই জাপানে বিদেশী শক্তিৰ পৰা দূৰত্ব বৰ্তাই ৰখাৰ ফলত ইয়াত সংঘাতৰ পৰিৱৰ্তে শান্তিৰ বাতাৱৰণ বাহাল আছিল।

কানাগাৱা চুক্তি(১৮৫৪) আৰু হেৰিৰ চুক্তিয়ে সুদুৰ পূবৰ দ্বাৰা পশ্চিমীয়া বিশ্বৰ সন্মুখত মুকলি কৰি দিয়ে। ইমান দিনে বিদেশী যোগাযোগ এৰাই চলা জাপানবাসীক সময়ৰ আহ্বান মানি আগবাঢ়ি যাবলৈ দিবলৈ জাপান বাধ্য হৈছিল।

সুদূৰ পূবৰ দ্বাৰা পশ্চিমৰ বাবে মুকলি হোৱাৰ লগে লগে সেই দেশসমূহৰ ব্যাপক পৰিৱৰ্তন সাধন হৈছিল আৰু ইয়ে পৰৱৰ্তী সময়ত সমগ্ৰ ইউৰোপৰ ৰেহ ৰূপ সলনি কৰি দিছিল। আধুনিকতাৰ এই দৌৰৰ পৰা বাদ পৰা নাছিল জাপানো। ইয়াৰ প্ৰভাৱ পৰিছিল জাপানৰ সমাজ, অৰ্থনীতি আৰু ৰাজনৈতিক ক্ষেত্ৰত।

উদ্যোগীকৰণৰ প্ৰসাৰিত হতাশাৰ প্ৰচ্ছায়া আৰু ৰাষ্ট্ৰসমূহৰ স্থিৰতা লাভৰ প্ৰয়াসৰ মাজতে এক গোঢ়া সামন্তবাদৰ পৰা জাপানৰ উত্তৰণ ঘটিছিল উল্লেখযোগ্য শক্তিৰূপে। মেইজি শাসনকালত প্ৰায় ২৭০ খন অৰ্ধ স্বায়ত্বশাসিত সামন্তবাদী এলেকা সন্মিলিত হৈ এক আধুনিক ৰাষ্ট্ৰৰ ৰূপ লাভ কৰিছিল। মেইজি শাসনকালৰ এটা বিশেষ নীতি কঠোৰভাৱে পালন কৰা হৈছিল যিটো আছিল বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত নিজৰ স্থান নিশ্চিত কৰা। ১৮৫০ চন মানৰ পৰা যেতিয়া বৈষম্যমূলক চুক্তিসমূহ জাপানৰ ওপৰত জাপি দিয়া হৈছিল তেতিয়াৰ পৰাই এয়া জাপানৰ মূল লক্ষ্য হৈ পৰিছিল। এই সকলোবোৰ চুক্তি প্ৰত্যাহাৰ কৰি সাম্ৰাজ্যবাদৰ এক যুগৰ সূচনা কৰা হৈছিল। চীন-জাপান যুদ্ধ আৰু ১৮৯৫ চনত টাইৱান আৰু পেচকাদৰছ দ্বীপ দখল আৰু ইয়াৰ পৰৱৰ্তী সময়ত ১৯০৫ চনত ৰাছিয়া-জাপান যুদ্ধৰ পৰিণতিত দক্ষিণ চাখালিন-দক্ষিণ মানচুৰিয়া দখল আৰু কোৰিয়াৰ ওপৰত প্ৰভাৱে প্ৰমাণ কৰিছিল যে সাম্ৰাজ্যবাদৰ জখলাত জাপান দোপত দোপে বগাবলৈ আৰম্ভ কৰিছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ কানাগাৱা চুক্তি কেতিয়া স্বাক্ষৰ হৈছিল?

.....

প্ৰশ্ন নং ২ঃ টাইৱান আৰু পেচকাদৰছ দ্বীপ কেতিয়া আৰু কোনখন যুদ্ধৰ সময়ত দখল কৰা হৈছিল?

.....

প্ৰশ্ন নং ৩ঃ ৰাছিয়া আৰু জাপান যুদ্ধৰ কেতিয়া সমাপ্তি হৈছিল?

.....

প্ৰশ্ন নং ৪ঃ জাপানৰ ইতিহাসত মেজি শাসন কি কাৰণে গুৰুত্বপূৰ্ণ বিবেচিত হৈছে?

.....

৭.৪ জাপান আৰু প্ৰথম বিশ্বযুদ্ধ

প্ৰথম বিশ্বযুদ্ধ সংঘটিত হৈছিল মিত্ৰশক্তি আৰু কেন্দ্ৰীয় শক্তিৰ মাজত। মিত্ৰশক্তি গঠিত হৈছিল ব্ৰিটেইন, ফ্ৰান্স আৰু ৰাছিয়া, এই ত্ৰিশক্তিৰ দ্বাৰা। আনহাতে কেন্দ্ৰীয় শক্তি আছিল জাৰ্মানী, অষ্ট্ৰিয়া হাংগেৰী আৰু ইটালীৰ মিত্ৰজোট। ১৯১৪ চনৰ ২৮ জুলাইত অষ্ট্ৰিয়া হাংগাৰীৰ দ্বাৰা চাৰাজেভ' দখলৰ লগে লগে এই যুদ্ধৰ আৰম্ভণি হৈছিল ইয়াৰ সমাপ্তি হৈছিল ১৯১৯ চনৰ ২৮ জুনত ভাৰ্ছেলিৰ চুক্তিৰ দ্বাৰা।

ক) প্ৰথম বিশ্বযুদ্ধত জাপান জড়িত হোৱাৰ কাৰণঃ

১) **জাপানৰ অদম্য সাম্ৰাজ্যবাদঃ** প্ৰথম বিশ্বযুদ্ধৰ পূৰ্বে জাপান ৰাছিয়াৰ সৈতে যুদ্ধত লিপ্ত হৈছিল। এই যুদ্ধত ৰাছিয়া পৰাস্ত হৈছিল আৰু ১৯০৫ চনৰ পৰ্টছমাউথ চুক্তিৰ দ্বাৰা এই যুদ্ধৰ সমাপ্তি হৈছিল। জাপানৰ জয়ৰ লগে লগে এক নতুন যুগৰ সূচনা হৈছিল।

সুদূৰ পূবৰ এক উদীয়মান শক্তিৰূপে জাপান উদ্ভাসিত হৈছিল আৰু সেইবাবে দেশখনে এক হস্তক্ষেপকাৰী নীতি গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিল। কোৰিয়াৰ পৰা ৰাছিয়াক খেদাৰ পিছত সেইস্থানত জাপানে নিজস্ব ৰণনীতি গ্ৰহণ কৰিছিল। ১৯১০ চনত প্ৰৱঞ্চনাৰে জাপানে কোৰিয়া দখল কৰে। মানচুৰিয়াতো জাপানে নিজৰ হাতোৰা শক্তিশালীৰূপত বহাবলৈ আৰম্ভ কৰিছিল। কোৰিয়া জাপানে দখল কৰাৰ পিছতে ইয়াৰ পুনৰ নামাকৰণ কৰা হৈছিল 'চুজেন'। সেই সময়ত উৎসাহী জাপানে নিজৰ পৰৱৰ্তী পদক্ষেপৰ বাবে অপেক্ষা কৰি আছিল। অতিশীঘ্ৰেই নিজৰ আক্ৰমনাত্মক মনোবাঞ্ছা পূৰণ কৰিবলৈ জাপানে সুবিধা লাভ কৰে। ১৯১১ চনত চীনত বিদ্ৰোহ আৰম্ভ হয় আৰু জাপানে ইয়াক উৎসাহেৰে আদৰণি জনায়। এই সুযোগতে চীনৰ ওপৰতো জাপানে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ প্ৰয়াস কৰিছিল যদিও চীনে ব্ৰিটিছ মধ্যস্থতা গ্ৰহণ কৰে।

২) **আমেৰিকাৰ সৈতে শত্ৰুতাঃ** আমেৰিকা যুক্তৰাষ্ট্ৰত বাস কৰা জাপানী নাগৰিকসকলৰ ওপৰত কঠোৰ আইন প্ৰয়োগ কৰা হৈছিল আৰু ইয়াৰ ফলত দুয়োখন দেশৰ মাজত শত্ৰুতাৰ ভাৱ বৃদ্ধি পাইছিল। আমেৰিকালৈ জাপানী নাগৰিকৰ প্ৰব্ৰজন কঠোৰভাৱে পৰ্যৱেক্ষণ কৰা হৈছিল। ১৯০৭ চনত এই বিবাদ নিষ্পত্তি কৰিবলৈ জাপান আৰু আমেৰিকাৰ মাজত এক ভদ্ৰলোকৰ চুক্তি স্বাক্ষৰ হয়। অৱশ্যে ১৯১৩ চনত কেলিফৰ্ণিয়া বিধানপালিকাই এক আইন প্ৰণয়ন কৰে যাৰ দ্বাৰা জাপানী লোকসকলক নাগৰিকত্ব প্ৰদান নকৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়ে পৰিস্থিতি অধিক তিক্ততাপূৰ্ণ কৰি তোলে। ১৯০৮ চনত জাপানে আমেৰিকাৰ সৈতে এক ৫ বছৰীয়া মধ্যস্থতাকাৰী চুক্তিত(ৰুট তাকাহিৰা চুক্তি) আবদ্ধ হয় যাৰ দ্বাৰা কোৰিয়া আৰু মানচুৰিয়াত জাপানৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰাৰ সমান্তৰালভাৱে পিলিপিনছ, হাৱাই আৰু আলাস্কাত আমেৰিকাৰ স্থান নিশ্চিত কৰা হয়। এই চুক্তিৰ দ্বাৰা মুক্ত দ্বাৰ নীতি পালন আৰু চীনৰ সংহতি বৰ্তাই ৰখাৰ ক্ষেত্ৰতো সিদ্ধান্ত লোৱা হয়। ১৯১০ চনৰ ৪ জুলাইত জাপান আৰু

ৰাছিয়াৰ মাজত এক চুক্তি স্বাক্ষৰ হয় য'ত মানচুৰিয়াত দুয়োপক্ষৰে স্বার্থ ৰক্ষাৰ এক সিদ্ধান্ত লোৱা হয় আৰু দেশখনৰ সুৰক্ষা আৰু অধিকাৰক গুৰুত্ব প্রদান কৰি ১৯১৩ চনত এই চুক্তিৰ পৰিৱর্ধন কৰা হয়।

খ) **যুদ্ধৰ সময়ঃ** কোনোধৰনৰ ভাবুকি নথকা স্বত্তেও জার্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি ১৯১৪ চনৰ ২৩ আগষ্টত জাপানে প্রথম বিশ্বযুদ্ধত প্রৱেশ কৰে। এই সিদ্ধান্ত জাপানে নিৰাপদ বুলি বিবেচনা কৰিছিল কাৰণ ১৯০২, ১৯০৫ আৰু ১৯১১ চনত ব্রিটেইনৰ সৈতে হোৱা চুক্তিসমূহৰ মতে যদি চীনত ব্রিটেইনৰ দখলৰ(হংকং আৰু ৱেইহেই) প্রতি ভাবুকিৰ সৃষ্টি হয়। এনে কৰাৰ ক্ষেত্রত জাপানৰ মূল উদ্দেশ্য আছিল চীনক ই এক মূল্যৱান সম্পদৰূপে বিবেচনা কৰি ইয়াত নিজৰ দখল সুদৃঢ় কৰিবলৈ বিচৰাৰ লগতে নিজকে এক গুৰুত্বপূর্ণ শক্তি বুলি প্রমাণ কৰিবলৈ বিচাৰিছিল। সেইবাবে ৰাষ্ট্রীয় স্বার্থৰক্ষাৰ বাবে জার্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাটো জৰুৰী বুলি জাপানৰ বৈদেশিক মন্ত্রী কাট' তাকাকিয়ে চৰকাৰক পতিয়ন যোৱাইছিল আৰু অতি কম সময়ৰ ভিতৰত প্রশান্ত মহাসাগৰীয় এলেকাত থকা জার্মানীৰ উপনিৱেশ সমূহ দখল কৰা হৈছিল। ৮ আগষ্টত জাপানী কেবিনেটে জার্মানীৰ বিৰুদ্ধে যুদ্ধৰ সিদ্ধান্ত গ্রহণ কৰে। মেক্র'নেছিয়াত থকা জার্মান উপনিৱেশ আৰু চীনৰ শ্বানদং পেনিনছুলাত থকা জার্মানীৰ পট্টাদাৰী এলেকা সমূহ জাপানে জব্দ কৰিছিল। একে বছৰৰ নৱেম্বৰত এক এংলো জাপানীজ সৈন্যদলৰ(য'ত আছিল ৫০হাজাৰ শ্রমিক আৰু ২০০০ ব্রিটিছ ৰাজকীয় সেনা) হাতত চীনৰ মূলভূমি চিঙটাও বন্দৰত থকা দখল জার্মানীয়ে হেৰুৱাইছিল।

পশ্চিমীয়া শক্তিসমূহৰ আগ্রাসনৰ সুযোগ গ্রহণ কৰি জাপানে চীনত নিজৰ প্রভাৱ বিস্তাৰ কৰিবলৈ ১৯১৫ চনত দেশখনক এক দীঘলীয়া দাবীৰ তালিকা প্রদান কৰিছিল। এই তালিকাত আছিল মুঠ ২১ টা দাবী । দাবীসমূহ পূৰণ কৰিবলৈ চীনক ৪৮ ঘণ্টাৰ সময়সীমা বান্ধি দিছিল জাপানে। দাবীসমূহৰ মূল লক্ষ্য আছিল চানটুঙত জাপানৰ স্থিতি সবল কৰা, মানচুৰিয়াত শক্তিশালী ৰূপত উদ্ভাসিত হোৱা, কেন্দ্রীয় য়াংজে নদীত জাপানৰ অর্থনৈতিক অধিকাৰ আদায়, উপকূলীয় এলেকাৰ যিকোনো বন্দৰত চীনে আন শক্তিক প্রশ্রয় নিদিয়া আৰু জাপানৰ উপদেষ্টা নিয়োগ কৰা। এই দাবীসমূহৰ দ্বাৰা ফুকিয়েনত জাপানৰ অধিকাৰ সাব্যস্ত কৰিবলৈও বিচৰা হৈছিল। নির্দিষ্ট সময়সীমা বান্ধি দি জাপানে মানচুৰিয়া আৰু মংগোলিয়াৰ অংশবিশেষত অর্থনৈতিক অধিকাৰ দাবী কৰিছিল। চীনে অতি সহজে এই দাবীসমূহ মানি লৈছিল।

এই ২১টা দাবীৰ চর্তাৱলীয়ে ব্যাপক প্রতিক্রিয়াৰ সৃষ্টি কৰিছিল কাৰণ ইয়াৰ দ্বাৰা চীনবাসীৰ আৱেগত আঘাত হনা হৈছিল। লগতে জাপানৰ ৰেহ ৰূপ দেখি আমেৰিকা যুক্তৰাষ্ট্র আৰু ব্রিটেইনৰ দৰে বিদেশী শক্তি সচকিত হৈ উঠিছিল। ২১ টা দাবী পূৰণ কৰাই জাপানে এই শক্তিসমূহৰ সংশয় নিশ্চিত কৰি তুলিছিল। এনেদৰে ঔপনিৱেশিক ধাৰা গঢ়ি উঠিছিল।

জনি থোৱা ভাল



এছিয়াৰ মনৰ' সিদ্ধান্তঃ বিখ্যাত ২১ টা দাবীক একেলগে এছিয়াৰ মনৰ' সিদ্ধান্ত বুলিও জনা যায়। কাৰণ এই দাবীসমূহৰ দ্বাৰা জাপানে চীনৰ দ্বাৰা আমেৰিকা আৰু ইউৰোপীয় শক্তিৰ বাবে বন্ধ কৰি চীনক অকলশৰীয়া কৰি তুলিব বিচাৰিছিল। ইয়াৰ লক্ষ্য আছিল 'এছিয়াৰ বাবে এছিয়া'ৰ ধাৰণাক ৰক্ষা কৰা। এনেদৰে পূৰ প্ৰান্তত জাপানৰ দমনৰ বাট মুকলি কৰিবলৈ বিচৰা হৈছিল।

একেসময়তে ৰাছিয়াত চলি থকা অস্থিৰ পৰিস্থিতিৰ মাজত বলছেভিক আৰু কমিউনিষ্ট দল বিজয়ী হৈছিল। ৰাছিয়াৰ উত্থানত ইউৰোপীয় শক্তিসমূহ শংকিত হৈ পৰিছিল। সেইবাবে ব্ৰিটেইন, ফ্ৰান্স আৰু ইটালীৰ দৰে শক্তিয়ে জাপানৰ ফলীয়া হৈ দেশখনক সমৰ্থন জনোৱাৰ সিদ্ধান্ত লৈছিল। কিন্তু চীনৰ ক্ষেত্ৰত থকা স্বাৰ্থৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই ইয়াৰ অংশ হ'বলৈ অস্বীকাৰ কৰে।

অৱশ্যে জাৰ্মানী আৰু জাপানৰ মিত্ৰতা হোৱাৰ ক্ষেত্ৰত বাধা দিবলৈ ১৯১৭ চনৰ ডিচেম্বৰত লাংচিং-ইছলি চুক্তি স্বাক্ষৰ কৰা হয়। জাপানৰ সন্মুখত আমেৰিকাই বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল কাৰণ এংল' জাপান চুক্তিৰ পৰিপ্ৰেক্ষিতত জাপানৰ সৈতে কোনোধৰনৰ গুৰুতৰ সংঘাত দেশখনে কামনা কৰা নাছিল।

কিছুদিনৰ পিছত ৰাছিয়াৰ আভ্যন্তৰীণ বিদ্ৰোহৰ সুবিধা গ্ৰহণ কৰি জাপানে ১৯১৮ চনৰ এপ্ৰিলত ভলাডিভষ্টক দখল কৰে। নিক'লাইত (চাইবেৰিয়াৰ এখন চহৰ) কিছুসংখ্যক জাপানী লোকৰ হত্যাৰ প্ৰতিশোধ ল'বলৈ জাপানে ১৯২০ চনত চাখালিন দখল কৰে। আমেৰিকাৰ হাতত বাধ্য হৈ থমকি নোৱোৱালৈকে ১৯২২ চন পৰ্যন্ত চাইবেৰিয়াত জাপানে নিজৰ অভিযান অব্যাহত ৰাখে। আমেৰিকা আৰু ব্ৰিটেইন উভয়ে বলচেভিক বিদ্ৰোহক সমৰ্থন জনোৱাৰ লগতে ৰাছিয়াক খাদ্য আৰু অন্যান্য সামগ্ৰী যোগান ধৰি সহায় কৰিছিল।

পেৰিছ শান্তি সন্মিলনৰ দ্বাৰা চানটুং আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহত জাপানৰ প্ৰভাৱক স্বীকৃতি প্ৰদান কৰা হয়। পেৰিছ শান্তি সন্মিলনে জাপানক অসন্তুষ্ট কৰিছিল কাৰণ বৰ্ণভিত্তিক সমতাৰ বাবে দেশখনে উত্থাপন কৰা দাবীক ইউৰোপীয় শক্তিয়ে নস্যাৎ কৰিছিল। ৰাশ্বিংটন সন্মিলনেও জাপানক সন্তুষ্ট কৰাত ব্যৰ্থ হৈছিল কাৰণ এই সন্মিলনে এংল' জাপান চুক্তি ৰদ কৰি চীনক চানটুং উভটাই দিবলৈ জাপানক বাধ্য কৰিছিল। তদুপৰি জাপানে চীনত নিজৰ স্থিতি স্পষ্ট কৰিবলগীয়া হৈছিল। ৰাশ্বিংটন সন্মিলনৰ ফলত ইংলেণ্ড আৰু জাপানৰ মাজত তিক্ততাপূৰ্ণ সম্পৰ্ক গঢ়ি উঠে। এংল'-জাপান মিত্ৰতা ভংগ কৰাত সফল হৈছিল আমেৰিকা। এই চুক্তিয়ে জাপানৰ সন্মানত আঘাত হানিছিল।



জানি থোৱা ভাল

ৱাশিংটন সন্মিলন(১৯২১)ঃ ১৯২১ চনত অনুষ্ঠিত হোৱা ৱাশিংটন সন্মিলনত অংশ লৈছিল আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, চীন, ফ্ৰান্স, গ্ৰেট ব্ৰিটেইন, ইটালী, বেলজিয়াম, নেদাৰলেণ্ড আৰু পৰ্তুগালে। এই সন্মিলনৰ প্ৰধান উদ্দেশ্য আছিল চীনত জাপানৰ আগ্ৰাসনক বাধা দিয়া, এংলো-জাপান চুক্তি বাতিল কৰা আৰু জাপানৰ পৰা সুবিধাজনকভাৱে নৌসেনাৰ ৰচদ আদায় কৰা। ব্ৰিটেইনে নিজৰ অধিকাৰ একে ধৰণে ৰাখিব বিচৰাৰ বিপৰীতে জাপানে ব্ৰিটেইন আৰু আমেৰিকাৰ সৈতে নৌসেনাৰ এক চুক্তি অন্ত পেলাব বিচাৰিছিল।

মূলতঃ এয়া আছিল এক সামৰিক সন্মিলন য'ত বহু ৰাষ্ট্ৰই নিজৰ নিজৰ সামৰিক ক্ষমতা ত্যাগ কৰিবলৈ বাধ্য হৈছিল। এই সন্মিলনতে এক দহবছৰীয়া চুক্তি স্বাক্ষৰ কৰা হৈছিল যাৰ দ্বাৰা যুদ্ধ জাহাজৰ সংখ্যা আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন আৰু জাপানৰ মাজত ৫ঃ৫ঃ৩ অনুপাতত নিৰ্ধাৰণ কৰা হৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ পৰ্টচমাউথ চুক্তি কেতিয়া স্বাক্ষৰ কৰা হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ ৰুট তাকাহিৰা চুক্তি কেতিয়া আৰু কাৰ কাৰ মাজত স্বাক্ষৰ কৰা হৈছিল?

.....

প্ৰশ্ন নং ৭ ঃ লানছিং ইছি চুক্তি প্ৰধানকৈ কিহৰ ওপৰত নিৰ্ভৰ কৰি কৰা হৈছিল?

.....

প্ৰশ্ন নং ৮ ঃ '২১ টা দাবী' কোনে কাক দিছিল? ইয়াৰ পৰিণতি কি আছিল?

.....

প্ৰশ্ন নং ৯ ঃ ৱাশিংটন চুক্তি কোন বৰ্ষত স্বাক্ষৰ কৰা হৈছিল আৰু ইয়াৰ প্ৰধান উদ্দেশ্য কি আছিল?

.....

৭.৫ জাপান আৰু দ্বিতীয় বিশ্বযুদ্ধ

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত চীনা সৈন্যৰ ওপৰত আক্ৰমণ চলাই জাপানে নিজৰ উগ্ৰ সাম্ৰাজ্যবাদী নীতি আৰম্ভ কৰিছিল। মুকডেনত এটা বোমা বিস্ফোৰিত হৈ জাপানৰ অধীনস্থ দক্ষিণ মানচুৰিয়া ৰেলৰে পথৰ কিছু ক্ষতিসাধন হৈছিল। ইয়াৰ বাবে চীনা চৰকাৰক দোষী সাব্যস্ত কৰি জাপানে মানচুৰিয়াত আক্ৰমণ চলাই ইয়াৰ গৱৰ্নৰ চেং চুৱেহহাঙক খেদি পঠিয়ায়। এখন

পুতলা চৰকাৰৰ দ্বাৰা মানচুৰিয়াত জাপানে শাসন চলাবলৈ ধৰে। ১৯৩২ চনত মানচুকুক আনুষ্ঠানিকভাৱে এক স্বাধীন ৰাষ্ট্ৰ বুলি ঘোষণা কৰা হয়। আন ৰাষ্ট্ৰৰ পৰা স্বীকৃতি নাপালেও ইয়াৰ প্ৰশাসন চলাইছিল জাপানী বিষয়াই।

চীনৰ পৰা মানচুকুক বলপূৰ্বকভাৱে কাঢ়ি লোৱাৰ প্ৰতিবাদত জাপানৰ বিৰুদ্ধে চীনে অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। ইয়াৰ ফলত চীনত সকলো জাপানী সামগ্ৰী নিষিদ্ধ কৰা হয়। ইয়াৰ প্ৰত্যুত্তৰত জাপানে নিজৰ সৈন্যবাহিনী চাংহাইলৈ প্ৰেৰণ কৰি চীনৰ সৈন্যক পৰাভূত কৰে। ইয়াৰ পিছতে চীনে কেল'গ-ব্ৰায়াণ্ড চুক্তি বলৱৎ কৰিবলৈ আহ্বান জনায়। জাপানো এই চুক্তিৰ অন্যতম স্বাক্ষৰকাৰী আছিল। ৰাষ্ট্ৰসংঘই চীন-জাপানৰ সম্পৰ্ক বিশ্লেষণ কৰিবলৈ লিটন কমিটিক নিয়োগ কৰে। অৱশ্যে এই কমিটিয়ে আগবঢ়োৱা প্ৰস্তাৱ জাপানৰ গ্ৰহণযোগ্য নাছিল কাৰণ মানচুকুক চীনৰ দায়িত্বত এক স্বায়ত্বশাসিত প্ৰদেশ ঘোষণা কৰিবলৈ কমিটিয়ে পৰামৰ্শ দিছিল। এই পৰামৰ্শসমূহ জাপানে সম্পূৰ্ণৰূপে নস্যাৎ কৰি ৰাষ্ট্ৰসংঘৰ সদস্যপদ পৰ্যন্ত বৰ্জন কৰিছিল।

জাপানে ইয়াৰ পিছতে জেহল দখল কৰি মানচুকুৰ সৈতে ইয়াক সংলগ্ন কৰে। ফলত চীনা চৰকাৰে টংকু চুক্তি বাতিল কৰি মানচুকুক জেহল আনুষ্ঠানিকভাৱে প্ৰদান কৰি ১৯৩৩ চনত জাপানী সুৰক্ষাৰ অধীনত ইয়াক স্বায়ত্বশাসিত প্ৰদেশ ঘোষণা কৰে। এনেদৰে উত্তৰ কোণৰ পৰা জাপানে চীনক নিয়ন্ত্ৰণ কৰিব পৰা হ'ল। একেটা চুক্তিৰ দ্বাৰা গ্ৰেট ৰাল আৰু পেকিং-টিয়েনচীন ৰেলৰে পথৰ মাজত এক অসামৰিক এলেকাৰো সৃষ্টি কৰা হয়।

জাপানৰ এই আক্ৰমক মনোভাৱ ক্ৰমাৎ অধিক উগ্ৰ হ'বলৈ ধৰে আৰু ১৯৩৪ চনত টকিয়'ৰ বৈদেশিক মন্ত্ৰালয়ে পশ্চিমীয়া শক্তিক চীন সন্দৰ্ভত জাপানৰ পদক্ষেপত হস্তক্ষেপ কৰিলে ভয়াৱহ পৰিণতিৰ সকীয়নি প্ৰদান কৰে। ইয়াৰ লগতে চীনে কোনো বাহিৰা শক্তিৰ সহায় ল'ব নালাগে বুলিও তেওঁলোকে সজোৰে মত পোষণ কৰিছিল। একেসময়তে চীনত নিজৰ আগ্ৰাসন অব্যাহত ৰখা জাপানে চীনৰ মূল ভূমিৰ পৰা উত্তৰ অংশ বিচ্ছিন্ন কৰিবলৈ প্ৰয়াস চলায়। এনেদৰে ১৯৩৫ চনত পূৱ হপেই স্বায়ত্বশাসিত পৰিষদ গঠন কৰা হয়। অনুৰূপধৰণে হপেইৰ অৱশিষ্ট অংশ হপেই চাহাৰ ৰাজনৈতিক পৰিষদৰ অধীনত চাহাৰৰ সৈতে সংযোজিত কৰা হয়। এনেধৰনৰ আগ্ৰাসন আৰু উত্তৰ চীনত এক স্বায়ত্বশাসন চলাবলৈ বিচৰাৰ কাৰণ আছিল দুটাঃ ৰাছিয়াৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ এক মধ্যৱৰ্তী নিৰপেক্ষ ৰাষ্ট্ৰ গঠন কৰা আৰু চীনক সামগ্ৰীৰ উৎপাদনকাৰীৰ পৰিৱৰ্তে উপভোক্তাৰ বজাৰ ৰূপে গঢ়ি অৰ্থনৈতিক মুনাফা আদায় কৰা।

ইয়াৰ ফলস্বৰূপে জাপানে বৃহৎ সংখ্যক শত্ৰু গোটাই লয়। মানচুৰিয়াত জাপানৰ কাৰ্যাৱলীৰ বাবে চীন আৰু পশ্চিমীয়া শক্তিসমূহৰ জাপানৰ প্ৰতি মোহভংগ হৈছিল। ৰাছিয়াৰ স্বাৰ্থজড়িত মানচুৰিয়াত জাপানৰ নীতিক লৈ জাপান-ৰাছিয়াৰ সম্পৰ্কত তিক্ততা বৃদ্ধি পাইছিল। সেইবাবে মানচুৰিয়াত নিজৰ প্ৰভুত্ব বজাই ৰাখিবলৈ জাপানে ইটালী আৰু জাৰ্মানীৰ

সহায় বিচাৰে আৰু সেইমর্মে তেওঁলোকৰ মাজত ১৯৩৬ চনত সাম্যবাদী বিৰোধী এক চুক্তি(anti-comintern pact) স্বাক্ষৰিত হয়। শান্তি ঘুৰাই অনাৰ ক্ষেত্রত ৰাষ্ট্রসংঘ ব্যর্থ হয়। সামূহিক নিৰাপত্তা প্রদানৰ ক্ষেত্রত ৰাশ্চিংটন চুক্তি আৰু কেল'গ ব্রায়াণ্ড চুক্তি বেয়াকৈ বিফল হয়।



জানি থোৱা ভাল

কেল'গ-ব্রায়াণ্ড চুক্তিঃ আমেৰিকাৰ পৰৰাষ্ট্র দপ্তৰৰ সচিব ফ্রেংক বি. কেল'গ আৰু ফৰাচী বৈদেশিক মন্ত্রী আৰিচটাইড ব্রায়াণ্ডৰ নামেৰে নামাকৰণ কৰা এই চুক্তি ১৯২৮ চনৰ ২৭ আগষ্টত স্বাক্ষৰ কৰা হৈছিল আৰু ইয়াত স্বাক্ষৰকাৰী দেশকেইখন আছিল আমেৰিকা যুক্তৰাষ্ট্র, ফ্রান্স, গ্রেট ব্রিটেইন, ইটালী, জাপান, ৰেইমাৰ জার্মানী আৰু আন কেইখনমান ৰাষ্ট্র। এই চুক্তিত যুদ্ধ পৰিত্যাগ আৰু ৰাষ্ট্রীয় আঁচনিৰ আহিলাৰূপে যুদ্ধৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছিল।

মূল ৰূপত এয়া আছিল কেৱল ফ্রান্স আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ মাজত যুদ্ধ প্রত্যাহাৰৰ চুক্তি কিন্তু যুক্তৰাষ্ট্রৰ পৰৰাষ্ট্র দপ্তৰৰ সচিব ফ্রেংক বি কেল'গে সকলো ৰাষ্ট্রক সামৰি যুদ্ধৰ বিৰুদ্ধে এক বহুমুখী চুক্তিৰ প্রস্তাৱ উত্থাপন কৰে।

১৯৪১ চনৰ ৭ ডিচেম্বৰত জাপানে যুদ্ধ ঘোষণা কৰে আৰু ইয়াৰ পৰৱর্তী বৃহৎ অঘটন আছিল পার্ল হার্বাৰত বোমা বর্ষণ। ইয়াৰ পিছদিনাই ব্রিটেইন, আমেৰিকা যুক্তৰাষ্ট্রই জাপানৰ বিৰুদ্ধে আক্রমক স্থিতি গ্রহণ কৰে। অতি কম সময়ৰ ভিতৰত এই দেশদুখনক চীন, ডমিনিয়ন আৰু নেদাৰলেণ্ড চৰকাৰে সহযোগ কৰে। সেই সময়ত জাপানে ইন্দো-চীনত থকা ফৰাচী ঘাটিত হেঁচা প্রয়োগ কৰি আছিল আৰু সেইবাবে ইউৰোপীয় শক্তিসমূহে বিশ্বাস কৰিছিল যে সেই অঞ্চলত নিজৰ দাবী প্রতিপন্ন কৰিবলৈ জাপানে প্রথমে আক্রমণ চলাব।

পার্ল হার্বাৰত আক্রমণৰ এদিন পূর্বে এখন জাপানী জাহাজ চিয়ামৰ গাল্‌ফত উপস্থিত হৈ ফ্রান্সৰ ইন্দো-চীন সীমান্তত সেনা নমাইছিল। পার্ল হার্বাৰত আক্রমণে মেনিলা, চিংগাপুৰ, বার্মা আৰু হংকং আদিত তাৎক্ষণিক আক্রমণৰ সংকেত প্রদান কৰে। পার্ল হার্বাৰত আক্রমণৰ তিনিদিন পিছত ইটালী আৰু জার্মানীয়ে নিজৰ ত্রিপাক্ষিক চুক্তিক সন্মান জনাই আমেৰিকা আৰু ইয়াৰ মিত্রশক্তিৰ বিৰুদ্ধে এক পূর্ণ পর্যায়ৰ যুদ্ধ ঘোষণা কৰে।



জানি থোৱা ভাল

ত্রিপাক্ষিক চুক্তিঃ এই চুক্তিক কোণীয় চুক্তি (Axis pact) চুক্তি বুলিও জনা যায়। জার্মানীৰ বার্লিনত এই চুক্তি স্বাক্ষৰ হৈছিল। ইয়াত স্বাক্ষৰকাৰীসকল আছিল ইটালীৰ প্রতিনিধি(মুছ্বোলিনী), জার্মানীৰ প্রতিনিধি(হিটলাৰ) আৰু জাপানৰ প্রতিনিধি(চাবুৰু কুৰুছু)। দ্বিতীয় বিশ্বযুদ্ধত এই তিনিও সদস্য দেশক জনা যায় কোণীয় শক্তি নামেৰে। নিজৰ নিজৰ প্রদেশৰ এলেকা নিশ্চিত কৰি পৰৱর্তী দহ বছৰৰ বাবে সহযোগিতাৰ চুক্তি ইয়াত কৰা হৈছিল।

দহ ডিচেম্বৰত ব্রিটেইনে নিজৰ যুদ্ধজাহাজ(প্রিন্স অৱ ৱেলছ) আৰু যুদ্ধ ক্রুইজাৰ(ৰিপালছ) প্রেৰণ কৰি জাপানী সেনাক ওলোটাই আক্রমণ কৰে কিন্তু শত্রুৰ পৰা মোক্ষম আঘাতহে লাভ কৰে। ১৫ ফেব্রুৱাৰীত জাপানৰ সন্মুখত চিংগাপুৰ সৈন্যই আত্মসমর্পণ কৰিবলৈ বাধ্য হয়। মে'ৰ ভিতৰত বার্মা আৰু বার্মা ৰোড(বার্মাৰ পৰা চীনলৈ যোগানকাৰী পথ) জাপানৰ নিয়ন্ত্রণৰ অধীনলৈ আহে। বালি, জাভা, সুমাত্রা, ফিলিপিনছো জাপানৰ হাতত সহজে পৰাভূত হয়।

কিন্তু অতি সোনকালেই বতাহ ইউৰোপীয় শক্তিৰ সপক্ষে ববলৈ লয়। ইউৰোপীয় শক্তিয়ে ১৯৪২ চনত প্রবাল সমুদ্র আৰু মধ্যপথত বিজয় সাব্যস্ত কৰাৰ ফলত জাপানে নিজৰ বায়ুসেনাৰ বিমান পথ হেৰুৱাবলগীয়া হয়। ইয়াৰ পৰিণতিত জাপানে দখলীকৃত এলেকাৰ ক্ষেত্রতো ক্ষতিগ্রস্ত হয়। অৱশ্যে ১৯৪৪ চনলৈকে ইউৰোপীয় শক্তিয়ে প্রশান্ত সাগৰীয় বৃহৎ এলেকাত যুদ্ধত লিপ্ত হ'ব পৰাকৈ পর্যাপ্ত সম্পদ আৰু ধন গোটাব পৰা নাছিল। এই যুদ্ধত প্রধানকৈ ব্যৱহাৰ কৰা হৈছিল যুদ্ধবিমান আৰু যুদ্ধজাহাজ।

১৯৪৩ চনৰ শেষলৈকে নিউ গিনিয়া পুনৰ দখল কৰা হৈছিল। ১৯৪৩ চনৰ নৱেম্বৰত আমেৰিকাই তাৰাৱাত আক্রমণ চলায়। ইয়াৰ পিছতে মার্চালছ, মেৰিনায়াছ আৰু কেৰলিনছতো আক্রমণ চলায়। ১৯৪৪ চনৰ ১৯ অক্টোবৰত লিটেত সকলোতকৈ ভয়াৱহ নৌসেনাৰ যুদ্ধ সংঘটিত হৈছিল। ১৯৪৫ চনত ফিলিপিনছ জয় কৰা হয়। আমেৰিকা আৰু ইয়াৰ মিত্রশক্তি এনেদৰে লাহে লাহে জাপানৰ কায চাপি আকাশপথেৰে ধাৰাবাহিক বোমা বর্ষণ কৰি ইয়াও জিমা আৰু অকিনাৱা দখল কৰে।

বার্মাও আছিল যুদ্ধৰ এক অন্যতম ভেটি। জাপাানে বার্মা ৰোড বন্ধ কৰি দিয়াৰ বাবে চীন অতিকৈ ক্ষতিগ্রস্ত হয় কাৰণ ইয়াৰ ফলত পশ্চিমৰ পৰা অহা সকলো সামগ্রীৰ যোগান বন্ধ হৈ পৰিছিল। সেইবাবে ১৯৪৩ চনত দক্ষিণ পূৱ এছিয়া কমাণ্ড (South East Asia Command) গঠন কৰা হয়। পৱৰর্তী সময়ত বার্মাক পৰাভূত কৰা হয় আৰু ১৯৪৫ চনৰ ২২ জানুৱাৰীত বার্মা ৰোড পুনৰ মুকলি কৰা হয়। একেবছৰৰ মে' মাহত ৰংগুন পশ্চিমীয়া শক্তিয়ে দখল কৰে।

যুদ্ধ প্রত্যাহাৰ কৰাৰ বাহিৰে জাপানৰ ওচৰত তেতিয়া আৰু কোনো বিকল্প নাছিল লগতে পাৰমাণৱিক আক্রমণৰ বাবে এয়া অতি শীঘ্রে কৰাটো জৰুৰী হৈ পৰিছিল। পাৰমাণৱিক আক্রমণৰ পূর্বে জুলাই মাহত চোভিয়েটে জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। ১৯৪৫ চনৰ ৬ আগষ্টত হিৰোশ্বিমাত প্রথমটো আৰু ৯ আগষ্টত দ্বিতীয়টো পাৰমাণৱিক বোমা নাগাচাকিত নিক্ষেপ কৰা হৈছিল। এই দ্বৈত আক্রমণ আছিল অতি ভয়াৱহ আৰু জাপানে ১৪ আগষ্টত 'চর্তবিহীন আত্মসমর্পণ' স্বীকাৰ কৰে। দুই ছেপ্তেম্বৰত চর্তবিহীন আত্মসমর্পণৰ চুক্তি স্বাক্ষৰ কৰা হৈছিল টকিঅ'ৰ বন্দৰত 'মিছৌৰী' জাহাজত। প্রশান্ত মহাসাগৰ এলেকাত যুদ্ধৰ সময়সীমা আছিল চাৰি মাহ।

ক) দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ ঃ পূৱ এছিয়াৰ দেশসমূহৰ ওপৰত দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ আছিল অত্যাধিক। অধিকাংশ দেশেই ঔপনিৱেশিক হেঁচাৰ মাজত সংগ্ৰাম কৰাৰ বাবে এই ৰাষ্ট্ৰসমূহে নিজৰ স্বাধীনতাৰ বাবে দাবী উত্থাপন কৰিবলৈ ধৰে। ভাৰত, বাৰ্মা, মালয়া আদি দেশত জাতীয়তাবোধৰ ভাৱ অতি উচ্চ হবলৈ ধৰে। ১৯৪৭ চনত ভাৰত আৰু পাকিস্তান স্বাধীন হয়। লগতে বাৰ্মা, ভিয়েটনাম, ইন্দোনেছিয়া, ইজৰাইলেও স্বাধীনতাৰ সোৱাদ লাভ কৰে। চীনত কমিউনিষ্ট শাসন আৰম্ভ হয়।

জাপানত প্ৰায় দুই নিযুত সৈন্য নিহত হয়। তেওঁলোকৰ হাতত নিহত হয় আৰু বহু নিযুত লোক। ধ্বংসৰ পৰিমাণ আছিল অবৰ্ণনীয়। পাৰমাণৱিক যুদ্ধৰ ভয়াৱহ পৰিণতি আজিও অনুভৱ কৰিব পৰা যায়। পাৰমাণৱিক যুদ্ধৰ ভয়াৱহ প্ৰভাৱত আজিও বহু লোকে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। তেওঁলোকৰ জীৱন ধ্বংস হৈ পৰে। এই যুদ্ধই সকলো দিশৰ পৰা ভয়ানক ক্ষতি সাধন কৰিছিল।

কম সময়ৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অধীনত মিত্ৰশক্তিয়ে জাপানৰ পুনৰ নিৰ্মান আৰম্ভ কৰে। তেওঁলোকে(ডগলাছ মেক আৰ্থাৰৰ অধীনত থকা মিত্ৰ শক্তিৰ সৰ্বোচ্চ কামাণ্ডাৰ) জাপানলৈ আহি এক দ্বৈত পদ্ধতিৰ চৰকাৰৰ ব্যৱস্থা আৰম্ভ কৰে। মেক আৰ্থাৰ আৰু তেওঁৰ প্ৰশাসনে বিধানমণ্ডলৰ ভূমিকা গ্ৰহণ কৰি নীতি নিৰ্ধাৰণ কৰিছিল আৰু জাপান চৰকাৰে এই নীতি কাৰ্যকৰী কৰিছিল। যুদ্ধ বিধ্বস্ত জাপানে এইক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ বাধ্য হৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ননং ১০ঃ টংকু চুক্তি কাৰ নেতৃত্বত স্বাক্ষৰ হৈছিল?

.....

প্ৰশ্ননং ১১ঃ সাম্যবাদী বিৰোধী চুক্তি ক'ত আৰু কাৰ মাজত স্বাক্ষৰ হৈছিল?

.....

প্ৰশ্ননং ১২ঃ কেল'গ-ব্ৰায়াণ্ড চুক্তি স্বাক্ষৰ কৰা মূল সদস্যজন কোন আছিল?

.....

প্ৰশ্ননং ১৩ঃ জাপানে কেতিয়া চূড়ান্তভাৱে যুদ্ধ ঘোষণা কৰিছিল?

.....

প্ৰশ্ননং ১৪ঃ পার্ল হার্বাৰত কোনদিনা বোমা বৰ্ষণ কৰা হৈছিল?

.....

প্ৰশ্ননং ১৫ঃ কাক কাক কোণীয় শক্তি (Axis Powers)কোৱা হয়?

.....



৭.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে—

- সমগ্র বিশ্বতে খলকনি সৃষ্টি কৰিব পৰাকৈ এক সামন্তবাদী ভূমিৰ পৰা এক সাম্রাজ্যবাদী ৰাষ্ট্রলৈ জাপানৰ পৰিৱর্তন হৈছে এক ৰোমাঞ্চকৰ ইতিহাস। যুদ্ধসমূহে ব্যাপক ধ্বংসলীলা চলাইছিল, বিশ্বৰ ভিন্ন প্রান্তৰ অগণন লোকক দুর্দশাগ্রস্ত কৰি তুলিছিল। নাগাচাকি, হিৰোশ্বিমাত পাৰমাণৱিক বোমাৰে আক্রমণ, পার্ল হার্বাৰ ধ্বংস আছিল উগ্র আগ্রাসনৰ পৰিণতি। সুদূৰ পূৱ এছিয়াত জাপানৰ দমনমূলক ভূমিকা আছিল যুদ্ধৰ এই ভয়াৱহ পৰিণতিৰ বাবে সম্পূর্ণৰূপত দায়ী।
- আনহাতে ইউৰোপীয় ৰাষ্ট্রসমূহ আৰু তেওঁলোকৰ ঔপনিৱেশিক আঁচনিকো এইক্ষেত্রত উলাই কৰিব নোৱাৰি। যুদ্ধ শাম কটাৰ পিছত শান্তি, মানৱতা ধ্বংসকাৰী অস্ত্র ব্যৱহাৰৰ ক্ষেত্রত নিয়ন্ত্রণ আদি কেতবোৰ গুৰুতৰ প্রশ্নৰ উদ্ভৱ হৈছিল। শক্তিশালী ৰাষ্ট্রসমূহৰ আগ্রাসী মনোভাৱক শান্ত কৰাৰ ক্ষেত্রত ৰাষ্ট্রসংঘ ব্যর্থ হৈছিল। ইয়াৰ ধ্বংসস্তুপৰ পৰা শান্তি ঘুৰাই অনাৰ লক্ষ্যৰে নতুনকৈ গঠন হৈছিল সংযুক্ত ৰাষ্ট্র সংঘ।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1) Singh,A.K.,(1984),*History of Far East in Modern Times*, Delhi-110007, Surjeet Publications.
2) Vinacke,H.M.,(1982),*A History of The Far East In Modern Times*, New Delhi, Kalyani Publications.
3) David,M.D., *History of Modern Japan,* (First edition 1979), Bombay 400054, Himalaya Publishing House.



৭.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন উত্তৰ ১ ঃ ১৮৫৪।

প্রশ্ন উত্তৰ ২ ঃ চীন-জাপান যুদ্ধ।

প্রশ্ন উত্তৰ ৩ ঃ ১৯০৫।

প্রশ্ন উত্তৰ ৪ ঃ এক আধুনিক ৰাষ্ট্রৰ উত্থান।

প্রশ্ন উত্তৰ ৫ ঃ ১৯০৫

প্রশ্ন উত্তৰ ৬ ঃ ১৯০৮

প্রশ্ন উত্তৰ ৭ ঃ জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ তিক্ত সম্পৰ্ক স্বাভাৱিক কৰিবলৈ।

প্রশ্ন উত্তৰ ৮ ঃ জাপানে ২১ টা দাবী চীনলৈ প্ৰেৰণ কৰিছিল। ইয়াৰ পৰিণতি আছিল জাপানৰ শত্ৰু বৃদ্ধি।

প্রশ্ন উত্তৰ ৯ ঃ ১৯২১ চন। অস্ত্ৰ আৰু যুদ্ধত অস্ত্ৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰিবলৈ এয়া আছিল ৰাষ্ট্ৰসমূহৰ মাজৰ এক অস্ত্ৰ সম্বৰণ চুক্তি।

প্রশ্ন উত্তৰ ১০ ঃ উত্তৰ চীন দখলৰ ক্ষেত্ৰত জাপানৰ আগ্ৰাসী ভূমিকা আৰু তাৎক্ষণিকভাবে জেহল দখল কৰি মানচুকুৰ সৈতে ইয়াক সন্মিলিত কৰা।

প্রশ্ন উত্তৰ ১১ ঃ ১৯৩৬। জাপান, ইটালী আৰু জার্মানীৰ মাজত এই চুক্তি স্বাক্ষৰ হৈছিল।

প্রশ্ন উত্তৰ ১২ ঃ মূল ৰাষ্ট্ৰসমূহ আছিল আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, গ্ৰেট ব্ৰিটেইন, ইটালী, জাপান, ৱেইমাৰ জার্মানী।

প্রশ্ন উত্তৰ ১৩ ঃ ১৯৪১

প্রশ্ন উত্তৰ ১৪ ঃ ১৯৪১ চনৰ ডিচেম্বৰ।

প্রশ্ন উত্তৰ ১৫ ঃ জাপান, ইটালী আৰু জার্মানী।



৫.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তু ধৰ্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ প্রথম বিশ্বযুদ্ধত জাপানে কেতিয়া যোগদান কৰিছিল?

প্রশ্ন নং ২ ঃ জাপানত পাৰমাণৱিক বোমা কেতিয়া নিক্ষেপ কৰা হৈছিল?

প্রশ্ন নং ৩ ঃ ৰাছিয়া-জাপান চুক্তিৰ সাধাৰণ স্বার্থ কি আছিল?

প্রশ্ন নং ৪ ঃ এছিয়াৰ মনৰ' সিদ্ধান্ত মানে কি বুজে?

(খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ প্রথম বিশ্বযুদ্ধত জাপানে যোগদান কৰাৰ কাৰণ কি কি আছিল?

প্রশ্ন নং ২ ঃ জাপানৰ আগ্ৰাসী মনোভাৱেই আছিল দ্বিতীয় বিশ্বযুদ্ধৰ প্রধান কাৰণ। এই মন্তব্য কিমানদূৰ যুক্তিসংগত?

প্রশ্ন নং ৩ ঃ জাপানত দ্বিতীয় বিশ্বযুদ্ধৰ প্রভাৱ সন্দর্ভত এক টোকা লিখক।

(গ) ৰচনাধৰ্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ দুয়োখন বিশ্বযুদ্ধৰ সময়ৰ ৰাষ্ট্ৰসংঘৰ এক ছবি অংকন কৰক।

প্রশ্ন নং ২ ঃ সুদূৰ পূৱ প্রান্ত আৰু যুদ্ধৰ প্রেক্ষাপটত ইউৰোপীয় দখলদাৰীসকলে গ্রহণ কৰা ভূমিকা বিশ্লেষণ কৰক।

* * * * *